**Debates of the Assam Legislative Assembly, 1972**

*September Session*

Vol. 3. No, 5

The 23th September, 1972

CONTENTS

| | | Pages |
|---|---|---|
| 1. | Starred Questions & Answers | 1 |
| 2. | Unstarred Questions & Answers | 37 |
| 3. | Voting on Demand for Grants— ( Demand Nos. 3 ) | 67 |
| 4 | The Assam Appropriation ( No. IV ) Bill, 1972 | 100 |
| 5. | Calling Attention to a Matter of Urgent Public Importance—One day taken strike by the Aided High School Teachers' Association | 109 |
| 6. | Notice under Rule 301—Assam Arunachal Border dispute at North Lakhimpur | 110 |
| 7. | Resolution—Medium of instruction at the Gauhati and Dibrugarh Universities | 112 |
| 8. | Adjournment | 118 |

Proceedings of the Eleventh Session of the Assam Legislative Assembly Assembled after the Fourth General Elections under the Sovereign Democratic Republican Constitution of India

The Assembly met in the Assembly Chamber, Shillong, at 10 A. M. on Saturday, the 23rd September, 1972.

## PRESENT

Shri Ramesh Chandra Barua, B. L., Speaker, in the Chair, Nine Ministers Three Ministers, of the State. Six Deputy Minister, and Sixty Five Members.

## STARRED

### Questions and Answers

( To which oral replies were given )

সংসদী পৰিক্ৰমা বিভাগ

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :

*২৯ । মাননীয় সংসদী পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) সংসদী পৰিক্ৰমাৰ বাবে সচিবালয় পৰ্য্যায়ত কাৰ্য্যালয় আছে নে নাই ?

(খ) যদি আছে, এই বিভাগত কিমানজন বিষয়া আৰু কৰ্ম্মচাৰী আছে, আৰু যদি নাই, কিয় ?

(গ) সংসদী পৰিক্ৰমা বিভাগৰ বাবে সঞ্চালয় সুকীয়াকৈ আছে নে নাই ?

(ঘ) যদি আছে, সঞ্চালয়ৰ নাম আৰু তেওঁৰ কৰ্ম্মচাৰীসকলৰ নাম জনাব নে,

আৰু যদি নাই, কিয় ?

(ঙ) সংসদী পৰিক্ৰমা বিভাগৰ গুৰুত্বলৈ লক্ষ্য কৰি এটি স্বকীয়া সঞ্চালয় পৰ্য্যায়ত কাৰ্য্যালয় খোলাৰ কথা চৰকাৰে বিবেচনা কৰিব নে ?

সংসদী পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰীচৈয়দ আহমেদ আলীয়ে উত্তৰ দিছে :

২৯। (ক), (খ)—হয়, সংসদী পৰিক্ৰমা বিষয়ৰ কাৰ্য্যাৱলী ভালভাবে সম্পন্ন কৰাৰ বাবে চৰকাৰে ১৯৬৫ চনত সচিবালয়ত ৰাজনৈতিক বিভাগৰ অধিনত সংসদীয় পৰিক্ৰমা নামেৰে এটা শাখা মুকলি কৰে। এই সংসদী পৰিক্ৰমা শাখাৰ কাম-কাজবোৰ মুখ্য সচিবৰ কৰ্তৃত্বাধিনত বিশেষ সচিব, নিয়োগ বিভাগৰ অতিৰিক্ত সচিব আৰু উপসচিবে তদাৰক কৰে। ইয়াৰ বাবে এই শাখাত এজন উচ্চ বৰ্গৰ সহকাৰী, এজন নিম্নবৰ্গৰ সহকাৰী, এজন মুদ্ৰা লিখন যন্ত্ৰী আৰু এজন পিয়ন আছে।

(গ), (ঘ), (ঙ)—নাই, চৰকাৰে এই উদ্দেশ্যত স্বকীয়াকৈ এটা সঞ্চালয় স্থাপন কৰাৰ প্ৰয়োজন এতিয়ালৈকে বোধ কৰা নাই। যথা সময়ত বিবেচনা কৰা হব পাৰে।

Re : Sibsagar Development Block

Shri Promode Chandra Gogoi asked :

*30. Will the Minister-in-charge of Panchayat be pleased to state—

(a) Whether serious allegations were brought by the local public against the functioning of the Sibsagar Development Block and Anchalik Panchayat ?

(b) Whether the Joint Director of Panchayat and other Officer went to the spot to enquire into the allegations ?

(c) What are the findings of the enquiry ?

Shri Syed Ahmed Ali ( Minister, Panchayat and Community Development ) replied :

30. (a)—Yes.

(b)—Yes.

দিয়া হৈছে। এইটো আকৌ মন্ত্ৰী ডাঙৰীয়াই সঁচা নহয় বুলিহে কৈছে।

শ্ৰী মঃ ইদ্ৰিচ—এতিয়ালৈকে দিয়া হোৱা নাই বুলি গম পাইছো।

শ্ৰীনীলাকান্ত দাস—ৰাইজে ধানৰ দাম কম হোৱা বুলি আপত্তি দৰ্শাই ধানৰ দাম বৃদ্ধি কৰিবলৈ কৰা অনুৰোধ ক্ৰমে ধানৰ দাম বৃদ্ধি কৰিবলৈ কিবা ব্যৱস্থা লৈছে নে?

মঃ ইদ্ৰিচ—প্ৰশ্নটো আৰু এবাৰ ক'লে ভাল হয়।

অধ্যক্ষ—ধানৰ দাম বঢ়াবলৈ কিবা ব্যৱস্থা চৰকাৰে লৈছে নে?

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—উত্তৰ লক্ষীমপুৰ জিলাত বহুত ধান বেয়া হৈ হিউম্যান কনজাম্পচনৰ বাহিৰৰ অৱস্থা প্ৰাপ্ত হোৱা কথাটো চৰকাৰে জানেনে?

শ্ৰীগজেন তাঁতী—বানপানীৰ কাৰণে ধান নষ্ট হোৱা কথা সঁচা।

### Re : Judicial Enquiry on Cement Scarcity

Sreemati Renuka Devi Barkataki asked :

*32. Will the Minister-in-charge of Supply be pleased to state—

(a) Whether Government has instituted proposed judicial enquiry on the recent scarcity in Assam ?

(b) If so, what are the terms of reference ?

(c) What is the progress made by the Commission ?

Shri Md. Idris ( Minister ) replied :

32. (a)—Yes.

(b)—The terms of reference are as follows—

1. The circumstances leading to the shortage of cement if any, in and around Gauhati for the period from 1st April 1971 to 31st March 1972 and to what extent shortage was prevailing ;

2. Whether or not cement received by the stockists residing in and around Gauhati was sold to consumers at prices fixed under law from time to time ;

3. The basis on which the stockists of cement selected the purchasers and whether cement was sold at fixed price upto the period ending 31st March 1972 ;
4. Whether the local administration took any effective measures to ensure sale of cement at controlled fixed price ;
5. Whether the stockists adopted any unfair means in obtaining cement and committed any mal-practices, irregularities, or illegalities in the sale and distribution of cement during the period from ist April 1971 to 31st March 1972 and if so, to what extent ;
6. What measures were necessary to ensure fair distribution of cement from the stockists to the consumers ;
7. Any other matter, which the Commisson may consider relevant.

(c)—A preliminary sitting of the Commission was held on 12th August 1972 and three sittings were held from 4th September 1972 to 6th September 1972.

Shrimati Renuka Devi Barkataki—Sir, may I know from the Minister how many persons appeared as witnesses before the Commission uptill now.

Shri Md. Idris—I am sorry, the exact number is not with me.

Shrimati Renuka Devi Barkataki—Sir, according to the terms of reference of the Commission, they are not only to enquire as to whether there was any artificial scarcity of cement in and around Gauhati but they have also to suggest what steps should be taken by Govern-

ment for proper distribution of cement. Therefore, may I know from the Minister whether the Commission has submitted any interim report as to how the cement can be distributed in a fair way ?

Shri Md. Idris—No interim report has yet been submitted by the Commission.

শ্ৰীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, এই অনুসন্ধান কমিচনত যি সকল লোকক সাক্ষী লৈছিল, সেই সকলৰ ভিতৰত যি সকলে বেছি দামত চিমেণ্ট বেচিছিল সেই সকলেই সাক্ষী হৈছে—এই কথা সঁচা নে ?

শ্ৰীমহম্মদ ইদ্ৰিচ—সেইটো খবৰ আমাৰ হাতত নাই।

Re : Supply of Tractors

Shri Mal Chandra Pegu asked :

*33: Will the Minister-in-charge of Agriculture be pleased to state whether Government propose to supply Tractors either on free of charge or on concessional charge to the worst flood victims of Assam with special reference to the worst flood victims of Majuly who lost their plough cattle during the recent flood ?

Shri Upendra Chandra Das ( Minister, Agriculture ) replied :

33.—Tractors to the extent of overall availability will be provided on usual rates and special efforts will be made to ensure that the flood affected areas are covered on a priority basis.

Shri Mal Chandra Pegu—অধ্যক্ষ মহোদয়, চৰকাৰৰ হাতত কিমান ট্ৰেক্টৰ আছে ?

Shri Upendra Chandra Das—There are about 250 tractors in the hands of Government.

Shri Mal Chandra Pegu—যদি আছে, তেন্তে মাজুলীৰ কাৰণে কিমান

দিব পাৰিব ?

Shri Upendra Chandra Das—The matter is being processed. We are making investigation how many tractors can be provided for this area.

Shri Giasuddin Ahmed—Whether Government has made any survey of the total requirment of tractors for complete mechanisation of cultivation for the whole State of Assam ?

Shri Upendra Chandra Das—Government have already made a survey and all available tractors would be put into action at the time of cultivation.

Shri Giasuddin Ahmed—My question was: what is the total requirement of tractors for the whole State for complete mechanisation of cultivation ?

Shri Upendra Chandra Das—It is under investigation how many tractors will be required.

Shri Lila Kanta Das—অধ্যক্ষ মহোদয়, আমি জানিব পাৰিছোঁ যে চৰকাৰে ১০ কোটি টকাৰ এটা কৃষি আঁচনি লৈছে। সেই আঁচনিৰ ক্ষেত্ৰত আঁচনি বিলাক কাৰ্য্যকৰী কৰিবলৈ চৰকাৰে ইতিমধ্যে ট্ৰেক্টৰ যোগান ধৰিছে ?

Shri Upendra Chandra Das—I have already replied that we have got 250 tractors at our disposal.

Moulana Abdul Jalil Choudhury—স্যার, এই Tractor গুলি কি সরকার Development Block এর মাধ্যমে জনসাধারণকে দিয়ে থাকেন ? যদি তাই হয় তা'হলে এ কথা কি সরকার জানেন্ যে অনেক লোক Development Block এর মাধ্যমে Tractor এর জন্য সরকারের কাছে চাওয়া সত্ত্বেও তাদেরে দেওয়া হয় নাই ?

Shri Upendra Nath Das—Development Block এ যে গুলি Tractor আছে, সরকার According to necessity তা জনসাধারণকে দিছেন ।

Moulana Abdul Jalil Choudhury—কোন কোন ব্লকে জনসাধারণ ট্রেক্টরের চাহিদা থাকা সত্বেও এবং চাওয়া সত্বেও জনসাধারণ পাইতেছে না তা সরকার জানেন কি ?

Shri Upendra Nath Das—সরকারের এই রকম কোন সংবাদ নাই ।

শ্রীসোনেশ্বৰ বৰা—অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে ২৫০ খন ট্রেক্টৰ আছে বুলি কৈছে । এইবিলাক ক'ত, কেনেকৈ আছে আৰু তাৰ ভিতৰত কিমান খন কাৰ্য্যক্ষম অৱস্থাত আছে ?

শ্রীউপেন্দ্র নাথ দাস—সেই বিলাক বৰ্ত্তমান চৰকাৰৰ হাততেই বিভিন্ন ঠাইত আছে আৰু সেই বিলাক এচেচ্‌মেণ্ট কৰি দিয়া হয় ।

শ্রীসোনেশ্বৰ বৰা—মোৰ প্ৰশ্নটো হ'ল কাৰ্য্যক্ষম অৱস্থাত কিমান আছে ?

শ্রীউপেন্দ্র নাথ দাস—মই জনাত গোটেই বিলাকেই কাৰ্য্যক্ষম অৱস্থাত আছে ।

শ্রীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—চাৰ, এই ট্ৰেক্টৰ বিলাকৰ দাম কমেও ১০।১২ হাজাৰৰ পৰা ২০ হাজাৰ পৰ্য্যন্ত হৈছে । আগতে ইয়াৰ দাম কম আছিল, কিন্তু এতিয়া বেছি হৈছে । সেই কাৰণে এই ট্ৰেক্টৰ বিলাক কম দামত চাপ্লাই কৰাৰ ব্যৱস্থা কৰিব নোৱাৰে নে ?

শ্রীউপেন্দ্র নাথ দাস—আগতে ট্ৰেক্টৰৰ দাম কম আছিল, এতিয়া অৱশ্যে ট্ৰেক্টৰো বেছি হৈছে আৰু দামো বেছি হোৱাটো সঁচা আৰু কম দামত দিবলৈ চেষ্টা কৰি আছে ।

শ্রীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—ট্ৰেক্টৰ বিলাক কম দামত দিয়াৰ কাৰণে আমাৰ ইয়াত ট্ৰেক্টৰৰ ফেক্টৰী কৰিব নে ?

শ্রীউপেন্দ্র নাথ দাস—সেইটো বিবেচনা কৰি চোৱা হব ।

Moulana Abdul Jalil Choudhury—স্যার একটা প্রশ্ন, কিছু সংখ্যক Tractor Dev. Block এ অকেজো হয়ে পড়ে আছে Tech. লোকের অভাবের জন্য, সরকার কি তার কোন ব্যবস্থা নিছেন ?

Shri Upen Das ( Minister )—সরকার এই গুলি ভাল করার জন্য চেষ্টা করছেন। এই গুলি ভাল করার জন্য Mechanic দের Engage করা হয়েছে।

Shri Govinda Chandra Bora—Is it a fact that most of the tractors supplied to North Lakhimpur are out of order ? I am asking particularly about North Lakhimpur.

শ্ৰীউপেন্দ্ৰ নাথ দাস—আমি চেষ্টা কৰি আছোঁ। যি বিলাক ট্ৰেক্টৰ বেয়া হৈছে—সেই বিলাক ভাল কৰিবলৈ চেষ্টা কৰা হৈছে আৰু তাৰ বাবে মেকানিক পঠাই দিয়াৰ ব্যৱস্থা কৰা হৈছে।

Shri Govinda Chandra Bora—Whether all the tractors supplied to North Lakhimpur are out of order and not working ?

শ্ৰীউপেন্দ্ৰ নাথ দাস—আউট্ অব্ অৰ্ডাৰ হৈ আছে বুলি আমি শুনিছো আৰু জানিব পাৰিছো। এতিয়া সেই বিলাক ভাল কৰাৰ কাৰণে মেকানিক পঠোৱাৰ ব্যৱস্থা কৰা হৈছে।

Shri Govinda Chandra Bora—The Minister has admitted that tractors are out of order.

শ্ৰীৰমেশ মোহন কুলি—অধ্যক্ষ মহোদয়, আমাৰ বানপানী অঞ্চলৰ বাবে কিমান ট্ৰেক্টৰ দিব পাৰিব আৰু এই ২৫০ খন ট্ৰেক্টৰে গোটেই খিনিকে জুৰাব পাৰিবনে ?

শ্ৰীউপেন্দ্ৰ নাথ দাস—এই ২৫০ খন ট্ৰেক্টৰৰ ভিতৰত বহুতো নতুন পুৰণি ট্ৰেক্টৰ আছে। তাৰে যিবিলাক অঞ্চলত বানপানী হয়, সেই বিলাকলৈ পঠাই দিয়া হব আৰু যিখিনি বেয়া হৈ আছে সেইখিনিকো ভাল কৰি পঠাই দিয়া হব।

শ্ৰীমালচন্দ্ৰ পেগু—এতিয়া চৰকাৰে এই ২৫০ টা ট্ৰেক্টৰ ক'ত ক'ত দিব—সেই বিষয়ে ভাগ কৰিছেনে ? যদি কৰিছে তেন্তে আমাৰ মাজুলীত ২০ খন ট্ৰেক্টৰ দিবনে ?

শ্ৰীউপেন্দ্ৰ নাথ দাস—এতিয়ালৈকে ভাগ কৰা নাই। মাজুলীত ২০ খন ট্ৰেক্টৰ দিব পৰা যায় নে নাযায় সেইটো আমি পাছত বিবেচনা কৰি চাম।

Re: Chief Inspector of Factories

Shri Gaurisankar Bhattacharyya asked:

*34 Will the Minister-in-charge of Labour be pleased to state—

(a) Whether it is fact that the Chief Inspector of Factories and the Chief Inspector of Boilers are officers of almost the same level and status?

(b) Whether it is a fact that under the Chief Inspector of Factories there are two senior Inspectors of Factories—one with experience of about 14 years and the other with experience of about 6 years?

(c) Whether it is a fact that in August, 1972, when the Chief Inspector of Factories had gone on two months' leave, neither the Chief Inspector of Boilers nor the more senior one of the two senior Inspectors of Factories was allowed to hold charge as the Chief Inspector of Factories; but the junior one of the two senior Inspectors of Factories was allowed to hold charge?

(d) Whether it is a fact that as a protest against this, the more senior one of the two Inspectors went on leave?

(e) Whether it is a fact that this supersession was done not on the basis of seniority or selection?

Shri Gajen Tanti (Minister, Labour) replied:

34. (a)—Yes.

(b)—Yes, one joined the Inspectorate on 16th April 1958 and the other on 29th July 1965.

(c)—No. The Chief Inspector Factories went on 51 days earned leave with effect from 24th August 1972 and

the Chief Inspector of the Boilers has been allowed to hold charge of the Chief Inspector of Factories, in addition to his own duties.

(d)—No.

(e)—Does not arise in view of the fact as stated at (c) above.

Re : Lock-out of F. C. I. at Namrup

Sreemati Renuka Devi Barkataki asked :

*35. Will the Minister-in-charge of Labour be pleased to state—

(a) Whether it is fact that the Fertilizer Corporation of India has declared lock-out in its Factory at Namrup ?

(b) If so, what is the reason for the lock-out ?

Shri Gajen Tanti ( Minister, Labour ) replied :

35. (a)—Yes.

(b)—The reason for the lock-out was not clearly indicated but it is believed to have been declared because of alleged go-slow tactics adopted by the workers and also due to other causes such as alleged refusal to work legitimate overtime, alleged interference in managerial rights, etc.

Re : Lock-out of F. C. I.

Shri Promode Chandra Gogoi asked :

*36. Will the Minister-in-charge of Labour be pleased to state—

(a) Whether the Management of the Fertilizer Corporation of India, Namrup, declared lock-out on the 26th Au-

gust, 1972 ?

(b) What were the causes of lock-out and the demands of Namrup Fertilizer Workers' Union ?

(c) Whether the Government of Assam did take any initiative against the uncalled for lock-out by the Management ?

Shri Gajen Tanti ( Minister, Labour ) replied :

36. (a)—Yes.

(b)—The reason for the lock-out was not clearly indicated but it is believed to have been declared because of alleged go-slow tactics adopted by the workers and also due to other causes such as alleged refusal to work legitimate overtime, alleged interference in managerial right, etc.

(c)—Government of Assam referred the matter to the Industria! Tribunal for adjudication and also issued a prohibitory order in this respect.

(St. Qns. 35 and 36 were put together and replied together)

Smti Renuka Devi Barkataky—May I know whether the Government of Assam feels that this lock-out is unjustified as the allegations brought against the labourers have not been substantiated ?

Shri Gajen Tanti—The matter has been referred to the Industrial Tribunal, Dibrugarh, and as such it is sub-judice. I shall not make any comment;

Shri Promode Chandra Cogoi—Whether the lockout in the Namrup Fertiliser Unit was part of a conspiracy made by the Indian monopolists to reduce the

output of fertilisers ?

Shri Gajen Tanti—I have no such information.

Shri Kshirode Saikia—Under the Industrial Disputes Act there is a limit to over-time work, which is 50 hours in 3 months but is it a fact that in certain cases there are instances of 592 hours of work in a month ?

Shri Gajen Tanti—For all these matters we have referred to the Industrial Tribunal.

Re : Bridge over Chalkhowa river

Shri Ataur Rahman asked :

37. Will the Minister-in-charge of Public Works Deparment ( Roads and buildings ) be pleased to state—

(a) Whether there is provisions for bridges over Chalkhowa river on the Barpeta-Kadong, and Kadong-Govindapur roads under Barpeta Subdivision ?

(b) If so, the position obtaining now with regard to estimates, financial sanctions and the probable timing for completion of the bridges ?

Dr. Lutfur Rahman [ Minister, P. W. D. (R. & B.)] replied :

37. (a)—Yes.

(b)—Bridge over Morachalkhowa on Barpeta-Kadong road was recommended by the M. L. A. Sub-Committee, Barpeta with an amount of Rs. 70,000 earmarked against this. But the estimate amounts to Rs. 1,51,000. So this has not yet been possible to sanction this bridge due to acute financial stringency.

Bridge over Morachalkhowa on Kadong-Govindapur road is in good progress and is expected to be com-

pleted within 4th Plan period if funds are made available and construction materials are available.

ছাত্ৰৰ নাম ভৰ্ত্তি

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*৩৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) গোলাঘাট জুনিয়ৰ টেকনিকেল স্কুলৰ শেষান্তৰ পৰীক্ষা শেষ কৰি যোৱা দুবছৰত কেইজন ছাত্ৰই যোৰহাট প্ৰিন্স অৱ ওৱেলচ্ স্কুলত পঢ়াৰ অৰ্থে নাম ভৰ্ত্তি কৰিছে ?

(খ) এই সকল ছাত্ৰৰ কিমান জন অন্যান্য পিচপৰা জাতি সম্প্ৰদায়ৰ ছাত্ৰ ?

(গ) গোলাঘাট জুনিয়ৰ টেকনিকেল স্কুলৰ পৰা গৈ যোৰহাটৰ প্ৰিন্স অৱ ওৱেলচত পঢ়া এই পিচপৰা বা অন্যান্য পিচপৰা জাতি সম্প্ৰদায়ৰ ছাত্ৰ সকলক বৃত্তিদানৰ পৰা চৰকাৰ বিৰত থকাৰ কাৰণ কি ?

(ঘ) এনে বৃত্তিৰ পৰা বঞ্চিত হোৱা এই পিচপৰা সম্প্ৰদায়ৰ ছাত্ৰ সকল কি গোলাঘাট জুনিয়ৰ টেকনিকেল স্কুলৰ পৰা যোৱাৰ কাৰণেই এই বৃত্তিৰ পৰা বঞ্চিত হব লগা হ'ল নে কি ?

শিক্ষাবিভাগৰ বাজ্যিক মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই উত্তৰ দিছে :

৩৮। (ক)—দুজন মাত্ৰ।

(খ)—দুয়োজনেই পিচপৰা জাতি সম্প্ৰদায়ৰ ছাত্ৰ।

(গ)—এনে ধৰণৰ ছাত্ৰই বৃত্তি পোৱাৰ ব্যৱস্থা অলপতে লোৱা হৈছে।

(ঘ)—(গ) প্ৰশ্নৰ উত্তৰৰ সন্দৰ্ভত এই প্ৰশ্ন নুঠে।

শ্ৰীসোনেশ্বৰ বৰা—গ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কি ক'লে, পৰিষ্কাৰ নহ'ল। তেখেতে কৈছে ব্যৱস্থা লোৱা হৈছে, কিন্তু মই জানিব বিছাৰিছো ব্যৱস্থা কেৱল কাগজে পত্ৰই হোৱা হৈছে নে ইয়াত আহি পাইছে।

শ্ৰীহিতেশ্বৰ শইকীয়া—কাগজে কলমে লোৱা হৈছে ?

শ্ৰীসোনেশ্বৰ বৰা—যোৰহাট পলিটেকনিক স্কুলৰ আগৰ ছাত্ৰ বিলাকে বৃত্তি পাই আছে। কিন্তু শিৱসাগৰ পলিটেকনিকেল স্কুলৰ পৰা যোৱা জুনিয়ৰ ছাত্ৰ বিলাকে বৃত্তি পোৱা নাই। তেওঁলোকক বৃত্তি কি কাৰণে দিয়া হোৱা

নাই ?

শ্ৰীহিতেশ্বৰ শইকীয়া—প্ৰিঞ্চ অৱ ওৱেল্‌চৰ পৰা যিবিলাক জুনিয়ৰ মানুহ গৈছে, সেইবিলাকক চৰকাৰৰ অনুমতি লৈহে দিয়া হৈছে।

Re : Taking over of H. E. and M. E. Schools by Government

Shrimati Pranita Talukdar asked :

*39. Will the Minister-in-charge of Education be pleased to state—

(a) Whether Government has taken final decision to take over all the High Schools and M. E. Schools of the State ?

(b) If so, when ?

Shri Hiteswar Saikia (Minister of State, Education) replied :

39. (a)—Not yet. The matter is under examination of the Government.

(b)—Does not arise now.

Smt. Pranita Talukdar—Whether Govt. did make any policy announcement somewhere in this regard ?

Shri Hiteswar Saikia—No.

Shri Probin Choudhury—Sir, whether it is a fact that the Education Minister made a statement that High Schools and M. E. Schools will be taken over by the Govt. ?

Shri Harendra Nath Talukdar (Minister, Education)—No. I stated here in the Assembly during the Budget session that the taking over of service cadre of deficit High Schools and M. E. Schools by the Govt. is under consideration.

শ্ৰীসোনেশ্বৰ বৰা—এইটো কথা সচাঁনেকি যে, অসমৰ 'এইডেদ্' হাইস্কুল বিলাক চৰকাৰে লব নালাগে বুলি 'এইডেদ্-স্কুলৰ' শিক্ষক সকলে এখন

স্মাৰক পত্ৰ দিছে ?

Shri Harendra Nath Talukdar—No, Sir.

শ্ৰীমতী ৰেৱতী বালা দাস—অসমত কিমান কিখন 'ডেফিচিত গ্ৰাণ্ট'ৰ আৰু কিমান খন 'এইডেদ্' স্কুল আছে ?

Shri Harendra Nath Talukdar—It is a new question, Sir.

শ্ৰীমতী প্ৰণীতা তালুকদাৰ—যোৱা জুলাই মাহত বাতৰিকাকতত মন্ত্ৰী মহোদয়ে বিবৃতি এটা দিয়া বুলি শুনাইছিল। সেই বিষয়ে চৰকাৰৰ ফালৰ পৰা আমাক কিবা এটা স্পষ্টীকৰণ দিব নেকি ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—সেইটো মই জনা নাই।

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী—অধ্যক্ষ মহোদয়, মাননীয়া সদস্যা গৰাকীৰ লগতে মইও কওঁ যে, সেই বিবৃতিটোত যি বিলাক কথা কোৱা হৈছিল সেই বিষয়ে চৰকাৰৰ ফালৰ পৰা কি ব্যৱস্থা গ্ৰহণ কৰিবলৈ সিদ্ধান্ত কৰা হৈছে ? সেই স্কুল বিলাক লোৱাৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা কৰিছে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—বিবৃতিটোত কি দিছে মই জনা নাই। কিন্তু আগতেও কৈছোঁ যে, এই বিলাক বিষয়ে চৰকাৰে বিবেচনা কৰি আছে।

উত্তৰ-পূব পৰিষদ

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :

* ৪০। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) অসম পুনৰ গঠন (সংশোধনী) আইন অনুসৰি গঠন হবলগীয়া উত্তৰ-পূব পৰিষদ খন গঠন হ'লনে নাই ?

(খ) যদি হৈছে, কোন কেইখন ৰাজ্যই এতিয়ালৈ এই পৰিষদত যোগদান কৰিছে আৰু কোন কেইখনে এতিয়াও যোগদান কৰা নাই ?

(গ) এই সচিবালয়ৰ বিষয়া আৰু কৰ্ম্মচাৰীৰ নিয়োগ কোনে কৰিব আৰু অসমীয়া বিষয়া আৰু কৰ্ম্মচাৰীয়ে ইয়াত কাম কৰাৰ সুযোগ পাবনে নেপায় ?

মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই উত্তৰ দিছে :

৪০। (ক)—হয়, ১৯৭১ চনৰ উত্তৰ পূব পৰিষদ আইন অনুসৰি গঠন হৈছে।

(খ)—১৯৭১ চনৰ উত্তৰ-পূব পৰিষদ আইন অনুসৰি ভাৰতৰ উত্তৰ পূব ভাগৰ পাচখন প্ৰদেশৰ আটাইকেইখনেই আৰু দুয়োটা কেন্দ্ৰীয় শাসিত অঞ্চলেই স্বাভাৱিকতে এই উত্তৰ-পূব পৰিষদৰ সভ্য, যিহেতু এই প্ৰদেশ কেইখনে আৰু কেন্দ্ৰীয় শাসিত অঞ্চল দুয়োটাই উত্তৰ-পূব পৰিষদত ইচ্ছানুসৰি যোগদান কৰিব পৰাৰ তেনে কোনো উল্লেখ তাত নাই।

(গ)—১৯৭১ চনত উত্তৰ-পূব পৰিষদ আইনৰ সপ্তম অনুচ্ছেদ অনুযায়ী উত্তৰ-পূব পৰিষদৰ সচিবালয়ৰ বিষয়া আৰু কৰ্ম্মচাৰী নিয়োগ আৰু পৰিচালনা ব্যয়ৰ দায়িত্ব ভাৰত চৰকাৰৰ।

শ্ৰীলক্ষীকান্ত শইকীয়া—মাননীয় অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে, নগালেণ্ড চৰকাৰে এই পৰিষদত যোগদান কৰিছে নে নাই?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—মিটিং এতিয়ালৈ বহা নাই, পিচত হয়তো হবগৈ তেতিয়া বুজা যাব।

শ্ৰীদেৱেন বৰা—উত্তৰ-পূব পৰিষদৰ কাৰ্য্যালয় ক'ত স্থাপিত হ'ব?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—এতিয়াও শ্বিলঙতেই কাৰ্য্যালয় চলাই আছে। গতিকে এতিয়াও থিক হোৱা নাই।

শ্ৰীৰমেশ চন্দ্ৰ কুলি—অধ্যক্ষ মহোদয়, উত্তৰ-পূব পৰিষদ গঠন হলে কি কি সুবিধা হব জনাব নে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—অধ্যক্ষ মহোদয়, সেইটো আইনত লিখা আছে।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড—অধ্যক্ষ মহোদয়, উত্তৰ পূব পৰিষদৰ হাতত আভ্যন্তৰীণ বা শান্তি শৃঙ্খলাৰ ভাৰ দিয়া হব নে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—নহয়।

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী—অধ্যক্ষ মহোদয়, আজি কিছুদিনৰ আগতে উত্তৰ-পূব এৰিয়াৰ সংক্ৰান্তত 'ইউনিফাইড আৰ্ম ফৰ্জ' গঠন কৰাৰ কথা কাগজে-পত্ৰে শুনিছিলো, এতিয়াও মুখ্যমন্ত্ৰীয়ে নহয় বুলি কৈছে। কিন্তু কেন্দ্ৰীয় গৃহমন্ত্ৰী দপ্তৰৰ পৰা এই কথা লিখা সচাঁনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—এতিয়াও গম পোৱা নাই।

শ্ৰীসোনেশ্বৰ বৰা—উত্তৰ-পূব পৰিষদৰ স্থান নিৰ্বাচন সম্পৰ্কে অসম চৰকাৰৰ প্ৰস্তাৱ দিয়াৰ কিবা সুবিধা আছে নেকি? যদি আছে প্ৰস্তাৱ দিব

নেকি ?

শ্রীশৰৎ চন্দ্ৰ সিংহ—সুবিধা-অসুবিধাৰ প্ৰশ্ন নুঠে। সকলোৱে প্ৰস্তাৱ দিব পাৰে।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী—উত্তৰ-পূব পৰিষদৰ সচিবালয়ৰ অধিক সংখ্যক লোক কেন্দ্ৰীয় চৰকাৰে নিযুক্তি দিলে। ইয়াৰ পৰা ৰাজ্যিক চৰকাৰৰ ষ্টেটাছ কমি যাব নেকি ? মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—কোনো ষ্টেটাছ কমি নেযায়।

শ্ৰীপ্ৰবীণ কুমাৰ চৌধুৰী—অধ্যক্ষ মহোদয়, এটা কথা জানিব বিচাৰিছোঁ যে, উত্তৰ-পূব পৰিষদৰ বিষয়া সকল আৰু সহকাৰী সকলক মেঘালয়ৰ পৰা নিয়োগ কৰা হব নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—এইটো কথা জনা নাই।

শ্ৰীলক্ষীকান্ত শইকীয়া—অধ্যক্ষ মহোদয়, এই পৰিষদত কি কি কাম হাতত লৈছে, কেইজন সদস্য নিৰ্বাচিত কৰিলে আৰু কাক কাক কৰিছে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—কেৱল সচিবালয় স্থাপিত হৈছেহে। কাম এতিয়াও ভাল দৰে আৰম্ভ হোৱা নাই।

### কাগজৰ কল

শ্ৰীপিটসিং কোঁৱৰে সুধিছে :

*৪১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে—

(ক) নগাওঁ জিলাত এটি কাগজৰ কল স্থাপন কৰিবৰ বাবে ভাৰত চৰকাৰে সিদ্ধান্ত লোৱাতো সঁচা নে ?

(খ) ভাৰত চৰকাৰৰ সিদ্ধান্ত অনুসৰি হিন্দুস্থান কাগজৰ নিগমে নগাওঁ জিলাত স্থাপন কৰিবলগীয়া কাগজৰ কলটোৰ বাবে ভেটি বা ঠাই নিৰ্ণয় কৰাটো সঁচা নে ?

(গ) যদি সঁচা হয়, তেনেহলে নগাওঁ জিলাৰ কোন ঠাইত কাগজৰ কলটোৰ ভেটি বা স্থান নিৰ্ণয় কৰিছে ?

(ঘ) এই কাগজৰ কলটোৰ আধাৰ শিলা কেতিয়া স্থাপন কৰা হব ?

মন্ত্ৰী মহম্মদ ইদ্ৰিছে উত্তৰ দিছে—

৪১। (ক)—হয়।

(খ)—কল স্থাপনৰ সঠিক ঠাই এতিয়ালৈকে বাচি উলিওৱা নাই।

(গ)—উপৰুক্ত (খ) উত্তৰলৈ চাই বৰ্ত্তমান প্ৰশ্ন নুঠে।

(ঘ)—এই সম্পৰ্কত এতিয়ালৈকে কোনো তাৰিখ নিৰ্দ্ধাৰণ কৰা হোৱা নাই।

মৰাপাট কল

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে:

*৪২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত স্থাপন কৰিব খোজা দ্বিতীয় মৰাপাটৰ কলটোৰ বাবে কেন্দ্ৰীয় চৰকাৰে পাৰপত্ৰ দিলে নে নাই?

(খ) যদি দিছে, এই কলটোৰ নিৰ্ম্মাণ কাৰ্য্য কেতিয়া আৰম্ভ হব?

(গ) এই কলটোৰ বাবে স্থান নিৰ্ণয় কৰা হৈছে নেকি?

(ঘ) যদি হোৱা নাই, কেতিয়া আৰু কোনে এই স্থান নিৰ্ণয় কৰিব?

(ঙ) অৰ্থনৈতিক ভাবে পিচপৰা উদ্যোগ বিহীন অথচ মৰাপাট উৎপাদনত অসমৰ ভিতৰতে অন্যতম প্ৰধান মহকুমা মঙ্গলদৈ বাসী ৰাইজে জনাই অহা দাবীৰ প্ৰতি গুৰুত্ব দি মৰাপাটৰ কলটোৰ স্থান মঙ্গলদৈক নিৰ্ণয় কৰা সম্পৰ্কে চৰকাৰে বিবেচনা কৰিবনে?

মন্ত্ৰী মহম্মদ ইদ্রিছে উত্তৰ দিছে:

৪২। (ক)—নহয়, কিন্তু ভাৰত চৰকাৰে নীতিগতভাবে অসমত আৰু এটা মৰাপাটৰ কল স্থাপনৰ সিদ্ধান্তৰ কথা জনাইছে।

(খ) উপৰুক্ত (ক)—প্ৰশ্নৰ উত্তৰৰ পৰিপেক্ষিতত এই প্ৰশ্ন নুঠে।

(গ)—নাই হোৱা।

(ঘ) আৰু (ঙ)—এই উদ্দেশ্যে স্থাপন কৰিবলগীয়া এখন বিশেষজ্ঞ সমিতিয়ে নিৰ্দ্ধাৰিত কৰা হিচাবে বিভিন্ন স্থানৰ কাৰিকৰী আৰু অৰ্থনৈতিক দিশ বিবেচনা কৰাৰ পিচত যথাসময়ত স্থান সম্পৰ্কে চূড়ান্ত সিদ্ধান্ত লোৱা হব।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া—অধ্যক্ষ মহোদয়, (ঙ) প্ৰশ্নত যিটো মৰাপাটৰ কলৰ কথা উল্লেখ কৰা হৈছে সেই মৰাপাটৰ কলটো অৰ্থনৈতিকভাৱে পিচ-পৰি থকা মঙ্গলদৈ মহকুমাতে স্থাপিত কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব নে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—প্ৰশ্নটোৰ উত্তৰত এইটো পৰিষ্কাৰ ভাৱেই কোৱা হৈছে যে, "এই উদ্দেশ্যে স্থাপন কৰিবলগীয়া এখন বিশেষজ্ঞ সমিতিয়ে নিৰ্দ্ধাৰিত কৰা হিচাবে বিভিন্ন স্থানৰ কাৰিকৰী আৰু অৰ্থনৈতিক দিশ বিবেচনা কৰাৰ পিচত যথা সময়ত স্থান সম্পৰ্কে সিদ্ধান্ত লোৱা হব।" তেতিয়া তাত মঙ্গলদৈৰ কথাটোও বিবেচনা কৰা হব।

শ্ৰীগিয়াছুদ্দিন আহমেদ—চাৰ, মৰাপাটৰ কলৰ স্থান নিৰ্ণয় কৰাৰ আগতে এটা কথা বিবেচনা কৰিব নে? সেইটো হ'ল অসমৰ ভিতৰত আটাইতকৈ যি ঠাইত মৰাপাট বেচিকৈ উৎপন্ন হয়, যেনে—ধুবুৰী এই সম্পৰ্কত সেই ঠাইৰ কথাটো বিবেচনা কৰিব নে?

শ্ৰী মঃ ইদ্ৰিচ—অধ্যক্ষ মহোদয়, মৰাপাটৰ কল সম্পৰ্কত যোৱা সদনৰ অধিবেশনত যথেষ্ট আলোচনা হৈ গৈছে। তেতিয়ালৈকে ভাৰত চৰকাৰে আমাক এটা কলৰো লাইচেন্স আমাক দিব বুলি জনোৱা নাছিল। মই প্ৰশ্নৰ উত্তৰ হিচাবে কওঁ যে ভাৰত চৰকাৰে এতিয়া অসমত এটা মৰাপাটৰ কল স্থাপনৰ লাইচেন্স দিয়াৰ কথা নীতিগতভাৱে জনাইছে। এই কলটো ক'ত স্থাপন কৰা হব তাৰ কাৰণে এখন বিশেষজ্ঞ কমিটি কৰি দিয়া হব। আৰু এই বিশেষজ্ঞ কমিটিয়ে স্থান নিৰ্ণয় কৰিব। এই স্থান নিৰ্ণয়ৰ ক্ষেত্ৰত দৰং জিলা, গোৱালপাৰা আৰু কামৰূপ তিনিও জিলাৰ ঠাই পৰীক্ষা কৰা হব।

শ্ৰীগিয়াছুদ্দিন আহমেদ—এই বিশেষজ্ঞ কমিটিয়ে যদি কোনো ঠাই মেৰিটৰ ওপৰত নিৰ্ণয় কৰে তাত আমাৰ কবলগীয়া একো নাই। কিন্তু আমি কব বিচাৰো যে এই বিশেষজ্ঞ কমিটিৰ ওপৰত ৰাজনৈতিক হেচা দি ধুবুৰী মহকুমাটোক বঞ্চিত কৰা নহব তাৰ কিবা প্ৰতিশ্ৰুতি চৰকাৰে দিব নে?

শ্ৰী মঃ ইদ্ৰিচ—বিশেষজ্ঞ কমিটিৰ লগত ৰাজনৈতিক হেচাৰ কথা নাই।

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকী—এই সম্পৰ্কত মই এটা কথা কব বিচাৰিছো যে কাছাৰৰ চেনি কলৰ সম্পৰ্কত বিশেষজ্ঞ কমিটিৰ ওপৰত যিটো প্ৰেচাৰ দিয়া হল সেই কথা আমি আটায়ে জানো। এই সন্দৰ্ভত শ্ৰীআহমেদ ডাঙৰীয়াইও সুধিছে যে এই মৰাপাটৰ কলৰ স্থান নিৰ্ণয়ৰ ক্ষেত্ৰতো বিশেষজ্ঞ

কমিটিৰ ওপৰত ৰাজনৈতিক হেচা পৰিব নেকি ? মোৰ প্ৰশ্নটো হৈছে এই মৰাপাটৰ কলৰ স্থান নিৰ্ণয়ৰ কাৰণে যি বিশেষজ্ঞ কমিটি কৰি দিয়া হৈছে তাত কোন কোন সদস্য আছে ?

শ্ৰী মঃ ইদ্ৰিচ—মাননীয় সদস্যই কাহাৰৰ চেনি কলৰ ওপৰত কৰা দোষাৰোপৰ কথা মানি লব নোৱাৰো। তাত স্থান নিৰ্ণয়ৰ কথাত ৰাজনৈতিক কথা নাছিল। মৰাপাটৰ কলৰ স্থান নিৰ্ণয়ৰ ক্ষেত্ৰতো তেখেতে তদ্ৰূপ আশা কৰিব পাৰে। তাৰ ৰাজনৈতিক হেচাৰ কথা উঠিব নোৱাৰে। বিশেষজ্ঞ কমিটিৰ সদস্য সকল এতিয়াও নিৰ্বাচিত কৰা হোৱা নাই।

Shri Muhammad Umaruddin—May I know in which Sector, whether in the Public Sector or Private Sector, will jute mill be established ?

Shri Md. Idris—Government of India desire that this jute mill be located either in the State Sector or in the Co-operative Sector. Hence our endeavour will be to establish it in the State Sector,

ডঃ সুৰেণ দাস—বিশেষজ্ঞ কমিটি স্থান নিৰ্ণয়ৰ কাৰণে কেতিয়া গঠন কৰিছিল। আমি জনাত কেন্দ্ৰীয় চৰকাৰৰ টিম এটা আহি বহু ঠাই চাই ফুৰিছিল আৰু বৰপেটাকেই উত্তম বুলি বিবেচনা কৰিছিল। এই কথা সচাঁনে ?

শ্ৰী মঃ ইদ্ৰিচ—কেন্দ্ৰীয় চৰককাৰৰ ফালৰ পৰা মাজে-সমজে মানুহ অহাটো সঁচা, কিন্তু তেখেত সকলে স্থান চাইছেনে নাই কব নোৱাৰো। বৰপেটাৰ সম্পৰ্কত আগতেই কৈছো যে আমি কামৰূপ, গোৱালপাৰা আৰু দৰঙৰ কাৰণে তিনিখন লাইচেন্স বিচাৰিছিলো। কিন্তু এতিয়া এখনহে পোৱাৰ খবৰ পাইছো।

Shri Muhammad Umaruddin—Sir, I want a clarification. I want to know from the hon. Minister as to who will decide in which Sector this jute mill will be established.

Shri Md. Idris—I am sorry the hon. Member had not

listened to my reply correctly. I have already stated that we have decided to establish it in the State Sector.

শ্ৰীলক্ষীকান্ত শইকীয়া—কেন্দ্ৰীয় চৰকাৰৰ বিশেষজ্ঞ কমিটিয়ে কামৰূপ, গোৱালপাৰা আৰু দৰঙৰ কথা বিবেচনা কৰিব। কিন্তু এই তিনিওখন জিলাৰ ভিতৰত য'ত এটাও উদ্যোগ প্ৰতিষ্ঠা হোৱা নাই তেনেকুৱা জিলাৰ কথা বিশেষ ভাবে বিবেচনা কৰিব নে ?

শ্ৰী মঃ ইদ্ৰিচ—অৰ্থনৈতিক দিশৰ পৰা কথাটো বিবেচনা কৰিবলৈ কলে মাননীয় সদস্যই উল্লেখ কৰা কথাটো নিশ্চয় বিবেচনা অধিনত আহিব।

Shri Promode Chandra Gogoi—Mr. Speaker, Sir, I want to put a supplementary. The Minister has stated about formation of expert committee. How can the Minister assure the House about the location. of the Jute Mill before the formation of the Expert Committee ?

Shri Md. Idris—( Minister, Industries )—I was speaking not about location of the site for the Jute Mill but about the sector in which it is proposed to be located. The site will be decided by the Expert Committee:

Shrimati Renuka Devi Barkataki—If the site has not yet been decided, then how could the Government of Assam submit the project report to the Government of India regarding the expenditure, regarding the total cost involved. Without having a proper estimate of the cost involved in the different sites in the different districts, one cannot be expected to work out the project report. If the Government of Assam has not submitted any project report uptil now, may I know from the Government whether the Expert Committee

sent by the Government of India has decided any place on which they have submitted the project report?

Shri Md. Idris (Minister, Industries)—No, Sir, Government of India has not decided any site. It is on the application of the Industrial Development Corporation of Assam, Government of India have communicated to us that they are prepared to give us licence. About the site I assure the House that it will be selected by the Expert Committee.

Shrimati Renuka Devi Barkataki—Then what about project report?

Shri Md. Idris (Minister, Industries)—That will be taken up. We are following up all these matters.

Shri Maulana Abdul Jalil Choudhury—কেন্দ্রীয় চরকার বিশেষজ্ঞ দলের কাছে বলেছেন কমিটির রিপর্ট পেলে লাইচেন্স দেবেন। কেন্দ্রীয় চরকারের কাছ থেকে জানানোর পর রাজ্য চরকার বিশেষজ্ঞ কমিটি গঠন করিতে এত দেরী কেন—বৃহত্তর শিল্প স্থাপনের জন্য রাজ্যের লোক যেখানে উদগ্রীব?

Shri Md. Idris (Industries Minister)—Sir, it is a question of time. The Enquiry Committee set up by the Government of India for all the Jute-growing States will look into the question of the necessity or otherwise of installation of Jute mill in those States. That Committee was set up in 1971 perhaps in the earlier part of that year, I do not have the exact date with the me at the moment. But that has no connection with matter, Government of India has informed us that they are willing to grant us a licence, and it is up

to us to install it in whichever site we like. Therefore we are deciding to constitute an Expert Committee to decide the site.

শ্ৰীগোবিন্দ বৰা—লক্ষীমপুৰ জিলাতো যথেষ্ট পৰিমানে মৰাপাট উৎপন্ন হয়। সেই কাৰণে দৰং, কামৰূপ আৰু গোৱালপাৰা জিলাৰ লগতে লক্ষীমপুৰ জিলাৰ কথাও বিবেচনা কৰিবনে ?

শ্ৰীমঃ ইদ্ৰিচ—আমি (অসম চৰকাৰে) তিনিখন লাইচেন্সৰ কথা ভাৰত চৰকাৰক কৈছো। ইয়াৰ মিমাংসা হ'লে লক্ষীমপুৰৰ কথাও কব পৰা হব।

কাবুলীৰ সংখ্যা

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :

* ৪৩। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত কিমান জন কাবুলী আছে আৰু তেওঁলোকে ১৯৬৮ চনত টকা ধাৰে দিয়া সকলৰ বাবে প্ৰনয়ণ কৰা আইন (সংশোধনী) অনুসৰি নাম পুঞ্জিভূত কৰিছেনে নাই ?

(খ) ভূতপূৰ্ব্ব মুখ্যমন্ত্ৰী স্বৰ্গীয় বিমলা প্ৰসাদ চলিহাই এই সদনত দিয়া আশ্বাস অনুসৰি কাবুলী সকল অসমৰ পৰা গৈছেনে ?

(গ) যদি যোৱা নাই কিয় ?

(ঘ) কাবুলী সকলে যে অসমৰ গৰীব জনসাধাৰণক অৰ্থনৈতিক শোষণ আৰু সমাজিক উৎপীড়ণ কৰি আছে তাক চৰকাৰে জানেনে ?

(ঙ) যদি জানে, সমাজবাদী সমাজ গঠন কৰিব খোজা ৰাজ্য এখনৰ পৰা অৰ্থনৈতিক ভাৱে শোষণ কৰি থকা এই কাবুলী সকলক অসমৰ পৰা চৰকাৰে যাবলৈ বাধ্য কৰাবনে ?

মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই উত্তৰ দিছে :

৪৩। (ক)—১৬৭০ জন। কোনো কাবুলীৱালাৰ নাম ১৯৬৮ চনত টকা ধাৰে দিয়া সকলৰ বাবে প্ৰনয়ণ কৰা আইন (সংশোধনী) অনুসৰি পুঞ্জিভূত কৰা হোৱা নাই। সেই আইনৰ অধীনত নিয়মাৱলী প্ৰনয়ণ কৰা কাম চলি আছে। সৰ্ব্বমুঠ ১৬৭০ জনৰ ভিতৰত ১৪৮ জন আফগান জাতীয় লোক আৰু বাকী ১৫২২ জন তথাকথিত পাখতুন লোক।

(খ)—১৯৬৯ চনৰ পৰা আজিলৈকে ১৫ জন আফগান জাতীয় লোক আৰু ১৯৭ জন তথাকথিত পাখতুন্ লোকে অসম ত্যাগ কৰিছে। সেই সময়-চোৱাৰ ভিতৰত আনহাতেদি ২ জন আফগান জাতীয় লোক আৰু ৪৩৭ জন পাখতুন্ লোক নতুনকৈ অসমত সোমাইছেহি।

(গ)—আফগান জাতীয় লোকৰ ক্ষেত্ৰত যি বিলাক আফগান লোক ৩১।১২।৫৪ তাৰিখে বা তাৰ আগতে ভাৰতলৈ আহিছিল, তেনে কোনো লোকক ভাৰতৰ পৰা বহিস্কাৰ কৰিবলৈ হ'লে প্ৰত্যেক ক্ষেত্ৰতে ভাৰত চৰকাৰৰ অনুমতি লব লাগে। যি সকল আফগান জাতীয় লোক ৩১।১২।৫৪ তাৰিখৰ পিচত ভাৰতলৈ আহিছে তেনে কোনো লোকক বহিস্কাৰ কৰিবলৈ ভাৰত চৰকাৰৰ অনুমতি নেলাগে। তেওঁলোকৰ দিঘলীয়া ম্যাদত ভাৰতত থাকিবলৈ যোগ্যতা নাই আৰু চৰকাৰে তেনে কোনো লোকক ভাৰতৰ পৰা বহিস্কাৰ কৰিব লগা হলে তেনে লোকৰ ওপৰত "ভাৰত ত্যাগ" আদেশ জাৰি কৰা হয়।

কোনো তথাকথিত পাখতুন্ লোকক ভাৰতৰ পৰা বহিস্কাৰ কৰিবলৈ হ'লে প্ৰত্যেক ক্ষেত্ৰতে ভাৰত চৰকাৰৰ অনুমতি লোৱাৰ প্ৰয়োজন।

(ঘ)—হয়। চৰকাৰে সময়ে সময়ে এই সম্পৰ্কত খা-খবৰ পাইছে, কিন্তু তদন্ত উপযুক্তসাক্ষীৰ অভাৱত কোনো দন্দৰ বিধান লব পৰা নাই।

(ঙ)—প্ৰশ্ন নুঠে।

শ্ৰীলক্ষীকান্ত শইকীয়া—অধ্যক্ষ মহোদয়ে (ক) প্ৰশ্নৰ উত্তৰত ১৬৭০ জন বুলি কৈছে। কিন্তু এই সদনত ভূতপূৰ্ব মুখ্যমন্ত্ৰী স্বৰ্গীয় বিমলা প্ৰসাদ চলিহাই জনাইছিল যে ১৯৬৭ চনত ইয়াত ১০৫৩ জন কাবুলি আছিল। ইতিমধ্যে মন্ত্ৰী মহোদয়ে জনাইছে যে ইয়াৰ পৰা ইতিমধ্যে কাবুলি ১৯৬৯ চনৰ পৰা ১৫ জন আফগান আৰু ১৯৭ জন পাখতুন লোক গৈছে। কিন্তু হিচাব কৰি দেখা গৈছে যে ১৯৬৭ চনৰ পৰা ১৯৭২ চনৰ ভিতৰত বহুত কাবুলি ইয়ালৈ আহিছে যাৰ ফলত ১০৫৩ জনৰ ঠাইত ১৬৭০ জন হ'ল। তেতিয়াৰ মুখ্যমন্ত্ৰীয়ে এই সদনত এই আশ্বাষ দিছিল যে অসমৰ পৰা কাবুলি একেবাৰে বহিস্কাৰ কৰা হব, কিন্তু কেতিয়াৰ পৰা কৰা হব এই কথা মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী)—অধ্যক্ষ মহোদয়, মই (খ) প্ৰশ্নৰ উত্তৰত কৈছোঁৱেই যে ১৯৬৯ চনৰ পৰা আজিলৈকে ১৫ জন আফগান জাতীয় লোক আৰু ১৯৭ জন তথাকথিত পাখতুন লোকে নতুনকৈ অসমত সোমাইছেহি। অধ্যক্ষ মহোদয়, কাবুলিৱালা সকলৰ সম্পৰ্কে যি বিধি সঙ্গত কথা খিনি ইয়াত কোৱা হৈছে। কাবুলিৱালা সকলৰ যি সকল আফগান জাতীয় লোক ১৯৫৪ চনৰ ৩১ ডিচেম্বৰৰ আগতে আমাৰ ইয়ালৈ আহিছিল সেই সকলক প্ৰি এণ্টেন্স আৰু যিসকল ৫৪ ৰ পিচত অসমলৈ আহিছে সেই সকলক ৫৪ পোষ্ট এণ্টেন্স বুলি কয়। এই দুই বিধৰ লোকৰ সম্পৰ্কে দুই ৰকমৰ ব্যৱস্থা আছে। ৫৪ প্ৰি এণ্টেন্সৰ কাৰণে যি পাছপৰ্ট দিয়া আছে সেই পাছপৰ্ট বছৰে বছৰে নামাকৰণ কৰা হয় আৰু কাৰবাৰৰ সময়ত ইয়াত কিমান টকা কিমান হাৰত দিয়া হৈছে আৰু কিমান বাকী আছে, তেওঁলোকৰ ইয়াত আচৰণ বিধি কেনেকুৱা আৰু ইয়াত তেওঁলোকে কিবা বিপাক্ষীয় কাম কৰিছে নে কি এই বিলাক কথা বিবেচনা কৰি তেওঁলোকক ইয়াত থাকিবলৈ দিয়া হৈছে। কিন্তু তেওঁলোকৰ ব্যৱসায় পৰিবৰ্দ্ধণৰ কাৰণে কোনো অনুমতি দিয়া নহয়। তেওঁলোকে ভাৰত ত্যাগ কৰিবৰ কাৰণে এটা দীৰ্ঘম্যাদী সময় দিয়া হৈছে, কিন্তু কিমান দিনৰ ভিতৰত তেওঁলোকে ভাৰতবৰ্ষ এৰিব পাৰে তাৰে সেইটো তদন্ত কৰি সেইভাৱে তেওঁলোকৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰি কৰা হব। অধ্যক্ষ মহোদয়, বৰ্ত্তমান আফগান কাবুলিৰ সংখ্যা ইয়াত বেছি নাই, ১৪৮ জন আছে বাকী যিখিনি আছে সেইখিনি পাখতুন। পাখতুন সকল ভাৰতবৰ্ষ বিভাজনৰ আগতে ইয়ালৈ আহিছিল। ভাৰতবৰ্ষ বিভাজন হোৱাৰ পিচত তেওঁলোকে নতুন পাখতুন ৰাষ্ট্ৰ দাবী কৰিলে কিন্তু তেওঁলোকৰ দাবী অস্বীকাৰ কৰা হ'ল। তাৰ ফলত তেওঁলোকক পাকিস্তানী বুলিও কব নোৱাৰি আৰু কাজেই তেওঁলোকক পাছপৰ্ট দি ইয়াত থাকিবলৈ দিয়া হৈছে। কিন্তু সেই সকল লোকৰ গতি বিধি আৰু ব্যৱসায়লৈ চৰকাৰে লক্ষ্য ৰাখিছে। তাৰ পিচত ১৯৫৭ চনত ভাৰত চৰকাৰে সিদ্ধান্ত ঘোষণা কৰিলে যে এই সকল পাখতুন লোক যদি ইয়াত থাকিবলৈ বিচাৰে তেন্তে তেওঁলোকে ভাৰতবৰ্ষৰ নাগৰিকত্বৰ

কাৰণে দৰ্খাস্ত দিব লাগিব। যদি দৰ্খাস্ত নিদিয়ে তেন্তে তেওঁলোকক .... .... ( অসম্পূৰ্ণ )

শ্ৰীৰেণুকা দেৱী বৰকটকী – চাৰ, এই সম্পৰ্কে পিচত কৰলৈ সুবিধা পাব।

Shri Promode Chandra Gogoi—Mr. Speaker. Sir, on this subject there is a motion raised under Rule 50 which will come up on Monday.

শ্ৰীউপেন্দ্ৰ নাথ সনাতন—অধ্যক্ষ মহোদয়; মই মন্ত্ৰী মহোদয়ক এটা কথা সুধিৱ খুজিছোঁ কাবুলি বিলাক ভাৰতলৈ অহাৰ মূল উদ্দেশ্য হৈছে টকা ধাৰে দিয়া, এই টকা চৰকাৰে নলয় আৰু ডাঙৰ ডাঙৰ মানুহেও নলয়, ধাৰে লয় আমাৰ দুখীয়া মানুহ খিনিয়ে। গতিকে কাবুলিৰ এই টকাৰ সুত টকাই প্ৰতি কেনেকৈ ? চৰকাৰে এই সম্পৰ্কে কিবা ৰেট বান্ধি দিছে নেকি ? আৰু দ্বিতীয় প্ৰশ্ন হৈছে—কাবুলিয়ে যি টকা ধাৰ দিয়ে সেই টকাৰ কৰ চৰকাৰে লয় নে কি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) – অধ্যক্ষ মহোদয়, এই সম্পৰ্কে কোনো অভিযোগ আমালৈ অহা নাই, আহিলে নিশ্চয় তাৰ ব্যৱস্থা কৰিম।

চাৰ, কাবুলিয়ে অতিৰিক্ত সুদত টকা ধাৰে দিয়া কথাটো সঁচা আৰু তাৰ ব্যৱস্থা চৰকাৰে লব লগা কথাটোও সঁচা কিন্তু তাৰ লগতে আৰু এটা কথা মই জনাব বিচাৰিছোঁ যে ভাৰতত কিছুমান কাবুলিৱালা আছে আৰু অসমতো কিছুমান টকা ধাৰে দিয়া মানুহ আছে যিবোৰে দাদান প্ৰথাত টকা ধাৰে দিয়ে। এই কথাটো চৰকাৰে জানে নে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) – ইয়াৰ আগৰ প্ৰশ্নৰ উত্তৰত মই কৈছোঁৱেই যে এই সম্পৰ্কে কোনো অভিযোগ অহা নাই, আহিলে তাৰ যথা-যোগ্য ব্যৱস্থা কৰিম।

আঃ জেলিল চৌধুৰী—মন্ত্ৰীয়ে উত্তৰত কৈছে যে এনে কোনো অভিযোগ পোৱা নাই, কিন্তু মই মন্ত্ৰী মহোদয়ক এই কথা সুধিব খুজিছোঁ যে কাবুলিৰ ধাৰ পৰিশোধ নকৰাৰ ফলত কাবুলিয়ে গোচৰ তৰে আৰু তাৰ বাবে কাছাৰৰ পৰা মানুহ আহি ডিব্ৰুগড়ত যাতনা ভোগিব লগা হয়, এই কথা জানে নে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী )—মই উত্তৰ দিছো যে এই সম্পৰ্কে যদি কিৱা

অভিযোগ আহে তেন্তে তাৰ তদন্ত কৰা হব।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া—মই এই কথা জানিব পাৰো নে কি যে পাছ পৰ্ট থকা কাবুলি অসমত কিমান আছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) - এইটো নতুন প্ৰশ্ন চাৰ।

## Re : C I. A. activities in Assam

Sreemati Renuka Devi Barkataki asked :

*44. Will the Chief Minister be pleased to be state—

(a) Whether it is a fact that Shri Priya Das Munshi one of the members of Indian Parliament had expressed concern publicly about C. I. A. activities in Assam ?

(b) If so, whether the State Government is aware of this fact ?

(c) What step Government has taken to curb activities of such anti-national organisation ?

Shri Sarat Chandra Sinha ( Chief Minister ) replied :

44. (a)—Yes.

(b)—Yes.

(c)—Activities of the organisation are engaging due attention of the Government.

Smti Renuka Devi Barkataki—Sir, may I know from the Hon'ble Chief Minister whether the Government has ascertained from Shri Munsi on what basis and grounds he had made such an allegation through a public statement. If they have ascertained from him, what are the facts of the information.

Shri Sarat Chandra Sinha—Sir, he has made general remark ; as a matter of fact, the Government is seized of the situation and the Government is taking steps.

Shri Promode Ch. Gogoi—Sir, whether the Government is aware of the fact that the CIAs have recently contacted certain Political Leaders, Newspaper Editors and some important Government Officials in Assam ?

Shri Sarat Chandra Sinha - Sir, the matter is very delicate and intricate ; we are taking ste, s.

Shri Promode Ch. Gogoi– Sir, whether the Government is aware of the fact that recently certain CIAs under the cover of Agriculture Experts came to Assam and contacted the officials of Agriculture University of Jorhat ?

Shri Sarat Chandra Sinha—We shall see to it.

Shri Dulal Chandra Khound—May I know from the Chief Minister whether the Government is aware of the statement made by the President of the AICC which appeared yesterday in the Paper saying that the CIA is trying to destroy the relationship between Bangladesh and India ; and also he said that the CIA has infiltrated into a number of political parties ?

Shri Sarat Chandra Sinha – Yes, Sir.

Shri Promode Chandra Gogoi – Sir, whether the Government will enquire into the fact that the Agriculture University at Jorhat received certain grants from the Asia Foundation which is financed by CIA ?

Shri Sarat Chandra Sinha – I shall look into it.

শ্ৰীমতী ৰেৱতী দাস – অধ্যক্ষ মহোদয়, ভাষা আন্দোলনৰ লগত চি আই এৰ যোগাযোগ আছে বুলি চৰকাৰে ভাবে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ – চাৰ, চি অ'াই এয়ে কেতিয়া আৰু ক'ত কি ধৰণে কাম চলাইছে, সেই কথা এতিয়া বিশেষ কাৰণত উল্লেখ কৰিব খোজা নাই '

Re : Permits for Trees

Shri Biren Ram Phukan asked :

*45. Will the Minister-in-charge of Forests be pleased to state—

(a) The rules by which Permits on trees are issued to Schools and other public institution ?

(b) Whether the permits are issued by the Government or by the Conservator or D. F.O's ?

(c) Whether Government be pleased to instruct the Conservator of circles concerned to issue the permits to avoid delay ?

Shri Paramananda Gogoi ( Minister, Forest ) replied :

45. (a)—Permits for timber/trees are granted to Schools and other public institution under the provision made in the Assam Forest Manual Valume I.

(b)—On being granted by Government the D. F. O. concerned issues permits for timber to the grantee.

(c)—A set of rules for granting forest produce on permit to public institutions and religious bodies is being framed and will be finalised shortly wherein necessary provision to authorise C. C. F., Assam to grant permit for timber to such institutions is proposed.

শ্ৰীবীৰেণ ৰাম ফুকন – অধ্যক্ষ মহোদয়, মই সুধিব খুজিছোঁ। যে ছিলঙৰ পৰা গছৰ পাৰমিট যেতিয়া দিয়া হয় তেতিয়া ৰাজহুৱা ধনৰ অপচয় হয় নে নহয় ?

শ্ৰীপৰমা নন্দ গগৈ – দৰ্খাস্তকাৰীজন নিজে আহি পাৰমিট নিলে খৰছ হয় কিন্তু ডাকত পঠালে খৰছ হোৱাৰ সম্ভাবনা নাই ।

শ্ৰীবীৰেণ ৰাম ফুকন—আৰু এটা কথা মই সুধিব খুজিছোঁ। যে এই পাৰমিট

পঠাওঁতে দেৰী হয় নে নহয় ?

শ্ৰীপৰমানন্দ গগৈ – কিছু সময়ৰ প্ৰয়োজন হয়। কাৰণ এনে ধৰণৰ পাৰমিট দিওঁতে অনুসন্ধান কৰিব লগা হয়। আগেয়ে এইদৰে গছৰ পাৰমিট দিওঁতে অনুসন্ধান কৰা নাছিল আৰু তাৰ ফলত ৰাজহুৱা কামৰ কাৰণে গছ নি অপব্যয় কৰা দেখা গৈছে আৰু সেই কাৰণে সময় সাপেক্ষে অনুসন্ধানৰ প্ৰয়োজন হয় বুলি ভাবিছোঁ।

শ্ৰীবীৰেণ ৰাম ফুকন – কনজাৰভেটৰ আৰু ডি এফ ওক পাৰমিট দিয়াৰ কিবা আইনগত বাধা আছে নেকি ?

শ্ৰীপৰমানন্দ গগৈ – তেনে কোনো বাধা নাই। কিছুমান বছৰৰ আগতে তেনে ধৰণে দিয়া হৈছিল কিন্তু আবেদনকাৰীৰ সংখ্যাৰ মাত্ৰা ইমান বৃদ্ধি হৈছে যে লগে লগে দিব পৰা নহয় আনহাতে গছৰ সংখ্যা সীমিত হোৱাৰ কাৰণে এই কথাটো চৰকাৰে নিজৰ হাতলৈ আনিব লগা হৈছে আৰু তাৰ কাৰণে নতুন বিধি প্ৰস্তুত কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

Shri Muhammad Umaruddin—1. May I know from the Minister whether these permits for schools and other institutions are granted free of royalty ?

2. If so, if there is any financial limitation ; whether to cover the amount involved in the cost of royalty, there is any provision made by the Government. If it is in scheduled rates of royalty without any monopoly fee, in that case, whether there is any limit also ?

3. And whether there is any district-wise allocation of fund for the purpose ?

Shri Paramananda Gogoi - 1. Normally. permits are granted on normal payment of royalty and other taxes ; no monopoly fee is charged ; 2. Certain provisions are made in the budget for granting timbers and other

things subject to the provisions laid down in Financial rules. We sometimes grant permits free of royalty. These are the two main questions, I think.

Shri Muhammad Umaruddin – Regarding my third question my point was whether any allocations are made district-wise ?

Shri Paramananda Gogoi – There is no provision to make allocation district-wise ; it all depends on demands.

শ্ৰীমতীৰেণুকাদেৱী বৰবৰুৱা – অধ্যক্ষ মহোদয়, মই এটা কথা সুধিব খুজিছোঁ। যে জিলা হিচাবে কোটা নথকাৰ কাৰণে আৰু বিতৰণ কেন্দ্ৰীকৰণ হোৱাৰ কাৰণে যি জিলাৰ পৰা ৰেভিনিউ মন্ত্ৰী আছে সেই জিলাৰ মানুহে গছৰ পাৰমিট বেছিকৈ পাই এই কথাটো সচাঁনে ?

শ্ৰীপৰমানন্দ গগৈ – আগৰ মন্ত্ৰী গৰাকীৰ ক্ষেত্ৰত যদি এই কথা সচাঁ আছিল মই কব নোৱাৰোঁ। কিন্তু মোৰ ক্ষেত্ৰত সেই কথা সচাঁ নহয়।

শ্ৰীৰবিৰ চন্দ্ৰ ৰায় প্ৰধানী চাৰ, মন্দিৰ আদিত এই গছ দিয়া হয় যদিও উইঠ দিউ হেবাস্তমেণ্টৰ পিছতহে দিয়া হয়, কিন্তু ফ্লাদ ভিক্তিম আৰু ফায়াৰ ভিক্তিম আদিৰ ক্ষেত্ৰত জিলা হিচাপে কৰ্ত্তৃপক্ষক দিয়াৰ কিবা নিয়ম কৰিব নে ?

শ্ৰীপৰমানন্দ গগৈ – তেনে ধৰণৰ ব্যৱস্থা কৰাৰ কথা এতিয়া উঠা নাই, ব্যক্তিগত ভাবে দিলে ইয়াৰ সীমা নিৰ্দ্ধাৰণ কৰা কঠিন হব।

ট্ৰামগাড়ী

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :

*৪৬। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোৱালপাৰা জিলাৰ অন্তৰ্গত বন বিভাগৰ এখন সাতামপুৰুষীয়া ট্ৰামগাড়ী থকাটো সঁচানে ?

(খ) যদি সঁচা হয়, এই ট্ৰামখন কেতিয়া, কোনে, কিয় আৰু কিমান টকাত কিনিছিল ?

(গ) এই ট্ৰামখন এতিয়া চলি আছেনে ?

(ঘ) যদি চলি আছে, এতিয়া কি কামত ইয়াক ব্যৱহাৰ কৰা হৈছে ?

(ঙ) যাতায়তৰ উন্নতিলৈ লক্ষ্য কৰি সেই পুৰণি ব্যৱস্থা এতিয়া পৰিহাৰ কৰাৰ কথা চৰকাৰে চিন্তা কৰা নাইনে ?

(চ) সেই ট্ৰামখন যদি ভাল অৱস্থাত আছে; বনৰ মাজৰ পৰা আনি ৰাজ-পথত ব্যৱহাৰ কৰিব নোৱাৰিনে ?

বন বিভাগৰ মন্ত্ৰী শ্ৰীপৰমানন্দ গগৈয়ে উত্তৰ দিছে :

৪৬। (ক)– সঁচা।

(খ) ট্ৰামপথ ১৯০১ চনত সজা হৈছিল আৰু ১৯২৪ চনত বৰ্দ্ধিত কৰা হৈছিল। কচুগাওঁ বিভাগৰ পূৱ অঞ্চলৰ বেছি পুৱঠ গছ আহৰণ কৰা আৰু সেই-বিলাক ৰেল ষ্টেচনলৈ কঢ়িওৱা কামৰ কাৰণে এই ট্ৰামপথ সজা হৈছিল। তাৰোপৰি এই অঞ্চলত ( ভাবোৰ অঞ্চল ) পানীৰ নাটনিৰ কাৰণে গছ-সম্পদ আহৰণ, গছ-গছনি ৰোপন আৰু বনুৱা আদিৰ কাৰণে ট্ৰামপথেৰে পানীৰ যোগান ধৰাৰ আৱশ্যকতা আছে। ট্ৰামৰ বিভিন্ন কামৰ আৰু সা-সজুলিৰ দামৰ সম্পূৰ্ণ হিচাব বৰ্ত্তমান পাবলৈ নাই। ১৯৪৯ চনত দুটা ইঞ্জিন মুঠ ১,২১,০.৯·০৬ টকাত কিনা হৈছিল।

(গ)– হয়।

(ঘ)– বৰ্ত্তমান ইয়াক পানীৰ যোগান ধৰা আৰু অলপ পৰিমাণৰ কাঠ কঢ়িওৱা কামত ব্যৱহাৰ কৰা হৈছে।

(ঙ)– এই পথটো চমু কৰি অনা আৰু কচুগাওঁৰ পৰা ফকিৰাগ্ৰামলৈ থকা অংশটো তুলি দিয়াৰ কথা চিন্তা কৰা হৈছে।

(চ)– এনেকুৱা ট্ৰাম জনসাধাৰণক কঢ়িওৱা কামত ব্যৱহাৰ কৰিব নোৱাৰি।

বন্য প্ৰাণী সংৰক্ষণ ব্যৱস্থা

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

* ৪৭। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে–

(ক) অসমত বন্য প্ৰাণী সংৰক্ষণ আৰু বন্য প্ৰাণী উন্নয়নৰ চৰকাৰী কিবা ব্যৱস্থা আছে নে ?

(খ) যদি আছে, তেন্তে কি আৰু কোন ব্যৱস্থাৰে চৰকাৰে সেই কাম হাতত লৈছে আৰু ইয়াৰ সুফল কিবা লাভ কৰা হৈছে নে ?

(গ) এই বিষয়ত এতিয়ালৈকে কিবা কিতাপ পত্ৰ বা প্ৰবন্ধ পাতি চৰকাৰী আৰু বে-চৰকাৰী ভাবে লিখা আৰু প্ৰকাশ কৰা হৈছে নে ?

(ঘ) যদি লিখা হৈছে, তেনে কোনে কোনে কি কিতাপ আৰু প্ৰবন্ধ পাতি লিখিছে জনাব নে ?

(ঙ) এই ধৰণে লিখা সকলক চৰকাৰে কিবা অৰ্থ সাহায্য দিয়াৰ ব্যৱস্থা কৰিছে নেকি আৰু যদি কৰিছে, কেনে ধৰণেৰে কৰা হৈছে ?

(চ) এই বিষয়ত উৎসাহ আৰু উদ্দীপনা যোগাব পৰা কি ব্যৱস্থা চৰকাৰে হাতত লৈছে ?

বন বিভাগৰ মন্ত্ৰী শ্ৰীপৰমানন্দ গগৈয়ে উত্তৰ দিছে :

১৭। (ক)—হয়, আছে ।

(খ)—বন্য প্ৰাণী সংৰক্ষণ আৰু উন্নয়নৰ কাৰণে দুটা বন্য সংমণ্ডল—এটা উজনি অসমত আৰু আনটো নামনি অসমত গঠন কৰা হৈছে। ইয়াৰ উপৰিও আন আন সংমণ্ডলৰ অধীনত থকা অভয়াৰণ্য বিলাকৰ কাৰণে অতিৰিক্ত কৰ্ম্মচাৰী নিয়োগ কৰি বন্য প্ৰাণী ৰক্ষা কৰাৰ দিহা কৰা হৈছে। ইয়াৰ বাহিৰেও ছয়টা ছিলৈধাৰী বাহিনী বনবিভাগৰ অধীনত ৰখা হৈছে। এই বাহিনীয়ে হাবিয়ে বননীয়ে ঘুৰি বন সংৰক্ষণ আৰু বন্য প্ৰাণী সংৰক্ষণ কৰাত যথেষ্ট সহায় কৰিছে। এইবোৰ ব্যৱস্থা লোৱাৰ ফলত বন্য প্ৰাণী সংৰক্ষণ আৰু উন্নয়ন কাৰ্য্যত যথেষ্ট সুফল লাভ কৰা হৈছে।

(গ) আৰু (ঘ)—এই বিষয়ে তলত উল্লেখ কৰা কিতাপ আৰু প্ৰবন্ধ পাতি চৰকাৰী আৰু বে-চৰকাৰী ভাবে লিখা আৰু প্ৰকাশ কৰা হৈছে।

চৰকাৰৰ দ্বাৰা প্ৰকাশিত

(১) A short treaties on the Management of Elephant catching operation in Assam. (by Mitroy and Straccy).

(২) The role, management and economic function of a National Park with reference to Kaziranga by B. N. Das ( published in Indian Forest ).

বে-চৰকাৰী ভাবে প্ৰকাশিত

(১) Elephant Gold – by P. D. Straccy.

(২) ভাৰতৰ বনৰীয়া জন্তু—by ফটিক চন্দ্ৰ গগৈ।

(৩) অৰণ্য আৰু প্ৰাণী—by জীৱন চন্দ্ৰ দাস ইত্যাদি।

(ঙ) অৰ্থ সাহায্য দিয়াৰ তেনে কোনো ব্যৱস্থা চৰকাৰে এতিয়ালৈকে হাতত লোৱা নাই।

(চ)—তেনে কোনো ব্যৱস্থা লোৱা নাই।

মাটিৰ খাজানা

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

* ৪৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ ৰাজহুৱা নামঘৰ, মন্দিৰ, মছজিদ আদিত থকা মাটি সমূহৰ খাজানা কেনেদৰে লোৱা হয়।

(খ) চৰকাৰে এনে অনুষ্ঠানৰ মাটিৰ কাৰণে খাজানা সম্পূৰ্ণ ভাৱে বেহাই দিয়াৰ কথা চিন্তা কৰিছে নকি?

(গ) ৰাজহুৱা শিক্ষানুষ্ঠানৰ মাটি সাহিত্য সংস্কৃতি কেন্দ্ৰৰ মাটিৰ খাজানাৰ ক্ষেত্ৰৰ চৰকাৰৰ কি ব্যৱস্থা আছে?

ৰাজহ বিভাগৰ মন্ত্ৰী শ্ৰ.পৰমানন্দ গগৈয়ে উত্তৰ দিছে :

৪৮। (ক)—(১) যিবিলাক ৰাজহুৱা নামঘৰ, মন্দিৰ, মছজিদ আদি চৰকাৰী মাটিত আছে তাৰ কোনো খাজানা বা কৰ লোৱা নহয়।

(২) কিন্তু যিবিলাক অনুষ্ঠান সেই অনুষ্ঠানবে বা ব্যক্তিগত পট্টাৰ মাটিত আছে সেই বিলাক মাটিৰ খাজানা অনুষ্ঠান থকা গাওঁবিলাকৰ চলিত শ্ৰেণীগত নিৰিখ মতে খাজানা আৰু তাৰ ওপৰত টকাত ২৫ পইচাকৈ স্থানীয় কৰ লোৱা হয়। ব্যক্তিগত পট্টাদাৰে এনে অনুষ্ঠানৰ বাবে মাটি ইস্তফা দিলে সেই মাটি চৰকাৰী কৰি সেই অনুষ্ঠানৰ নামত সংৰক্ষিত কৰি ৰখা হয়। আৰু এনে ক্ষেত্ৰত খাজানা বা কৰ লোৱা নহয়।

(৩) "Assam State Acquisition of lands belonging to Religious or Charitable Institution of Public Nature Act" ৰ ৫নং ধাৰামতে যদি কোনো মাটি অসমীয়া ১৩৬৫ চনত চ'ত মাহৰ শেষ তাৰিখত বা তাৰ আগৰে পৰা কোনো ধৰ্মানুষ্ঠানৰ নামত থাকে আৰু সেই মাটি উক্ত আইনমতে অধিগ্ৰহণ কৰা হয় তেনেহলে উক্ত

ধৰ্ম্ম অনুষ্ঠানৰ মন্দিৰ আদি থকা মাটি, ফলমূল ও ফলৰ বাগিছাৰ মাটি, ভকত সকল মাটি থকা আৰু ইয়াৰ চৌহদত থকা সকলো মাটিৰ কোনো খাজানা লোৱা নহয়।

(খ)—ওপৰৰ (ক) প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে।

(গ) ৰাজহুৱা শিক্ষানুষ্ঠানৰ মাটি, সাহিত্য সংস্কৃতি কেন্দ্ৰৰ মাটিৰ খাজানাৰ ক্ষেত্ৰত কোনো বিশেষ ব্যৱস্থা নাই। কোনো চৰকাৰী মাটি এনে কোনো অনুষ্ঠানৰ বাবে সংৰক্ষিত কৰি ৰাখিলে, তেনে মাটিৰ খাজানা লোৱা নহয়. কিন্তু অনুষ্ঠান কৰ্তৃপক্ষৰ অনুৰোধ ক্ৰমে পট্টা দিলে গাওঁ বিলাকৰ চলিত শ্ৰেণীগত নিৰিখ মতে খাজানা আৰু তাৰ ওপৰত টকাত ২৫ পইচা'কৈ স্থানীয় কৰ লোৱা হয়।

## SHORT NOTICE

### Question and Answer

### Re: Souvenir burnt by a freedom-fighter

Sreemati Renuka Devi Barkataki asked :

1. Will the Minister-in-charge of Political Sufferers be pleased to state –

(a) Whether it is a fact that a section of the political sufferers of Jorhat burnt down a Souvenir published on the occasion of 15th August last, in a public meeting held recently at Jorhat to show respect to the freedom-fighters ?

(b) If so, what are the reasons for such out-burst ?

(c) Whether Government has enquired the matter ?

Shri Mahitosh Purkayastha ( Minister, Freedom-Fighters ) replied :

1. (a)–Four freedom-fighters reportedly burnt a few copies of Souvenir published in connection with Silver Jubilee Independence Day celebration on 15th August, 1972

outside the Bisturam Barua Hall, Jorhat after the release of Souvenir, but not in a public meeting.

(b)–The reason for burning the Souvenir is understood to be dissatisfaction due to inclusipn of some names in the Souvenir and omission of some others therefrom.

(c)–Police investigation under Section 2 of Prevention of Insult to National Honours Act, 1971, is in progress.

Shrimati Renuka Devi Barkataki–May I know from the Chief Minister whether Government is aware of the fact that all over Assam the freedom fighters are dissatisfied because of non-inclusion of the names of the real freedom fighters ?

Shri Sarat Chandra Sinha—That is so, Sir.

Shrimati Renuka Devi Barkataki–If it is so, may I know whether Government has taken any step to correct the Souvenir and the Assam's history of freedom fighters which is under preparation ?

Shri Sarat Chandra Sinha–Government has already undertaken the task of publishing the corrected list of the freedom fighters.

Shri Dulal Chandra Khound–May I know from the Chief Minister whether it is a fact that the Souvenir published at Jorhat contains some names who were workers of the national war and also some police agents and the names of genuine freedom fighters have been excluded ?

Shri Sarat Chandra Sinha–At the moment I do not have that information.

Shri Dulal Chandra Khound – May I know whether it is a fact that the Souvenir Committee decided therefore, that until a supplementary list of names is published no Souvenir will be distributed ?

Shri Sarat Chandra Sinha – Every details will be known when the list is finalised.

Shri Dulal Chandra Khound – Is it a fact that some Souvenirs are being distributed at Shillong among the M. L. A. s and others by some members of the Souvenir Committee ?

Shri Sarat Chandra Sinha – That is not to my knowledge.

Shri Promode Chandra Gogoi – Whether it is a fact that the Souvenir was not approved by the Souvenir Sub-Committee ?

Shri Sarat Chandra Sinha – That is also not known to me.

Discussion on Supplementary Statement of Expenditure Charged on the Consolidated fund of the State for 1972-73

Mr. Speaker – Now item No. 2

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ—মাননীয় অধ্যক্ষ মহোদয়, মই এই সংক্ৰান্তত এটা কথা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এইটো ৩০ পৃষ্ঠাত আছে। য'ত ৰাজ্যপালৰ ৰাজভবনৰ কাৰণে আৰু অতিৰিক্ত ১,৩০,৭০০ টকা বিচৰা হৈছে। এক্সপ্লেনাটৰী নোটত কোৱা হৈছে—"The amount of Rs. 1,01.700 consists of two advances (a) Rs. 64,700 and (b) Rs. 37,000

(a) The amount of Rs. 64,700 was required during the financial year 1971-72 for maintenance works in Raj Bhavan, like Paintings, Electric Installation and other repair works. These works were taken up at the request of the Secretary to the Governor. This being an

unforseen expenditure had to be met by taking advance from the Contingency Fund during the financial year 1971-72.

(b) The amount of Rs.37,000 is required to meet the expenditure for maintenace of Raj Bhavan during the current year. The Budget provision of Rs. 18.000 is quite inadequate to meet the various expenditure including pay, rent of Muster Roll labourers under the above head. The additional expenditure of Rs. 37,000 was met by taking advantage from Cotingency Fund.

Hence the Supplementary Demand to regularise the advances."

অধ্যক্ষ মহোদয় আমি যোৱাবাৰ বাজেট আলোচনাৰ সময়ত এই কথা চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছিলো যে ৰাজভৱনৰ মেৰামতিৰ কাৰণে, ৰাজভৱনৰ ভৰণ-পোষণৰ কাৰণে যিমান খিনি টকা খৰচ কৰা হয় সেইটো খৰচ কৰাৰ প্ৰয়োজনীয়তা আছে নে নাই ? আৰু বৰ্ত্তমান অৱস্থাত ৰজা-মহাৰজা বিলাকৰ বিশেষ সুবিধা উঠাই দি দিয়া হ'ল, এই অৱস্থাত ভাৰতৰ ৰাজ্যপাল বিলাকৰ কিবা প্ৰয়োজনীয়তা আছে নে নাই ! আৰু সেই প্ৰয়োজনীয়তা নাই। কাৰণ যি সকল নিৰ্বাচিত প্ৰতিনিধি, সেই প্ৰতিনিধি সকলে কেন্দ্ৰত বা ৰাজ্যত পৰিচালনা কৰে আৰু তাৰো-পৰি তাহানিখন ইংৰাজ বিলাকে সৃষ্টি কৰি যোৱা এজন ৰাজ্যপাল থকাৰ কোনো প্ৰয়োজনীয়তা নাই। সেই সময়ত কোৱা হৈছিল যে ৰজা-মহাৰজা বিলাকৰ প্ৰিভি পাচত খৰচ কৰা হৈছিল ৪ কোটি টকা আৰু ৰাজ্যপাল সকলৰ ভৰণ-পোষণ আৰু মেৰামতিৰ কাৰণে ৫ কোটিৰো বেচি খৰচ হয়। এই ৰাজ্যপাল জন অকল অসমৰ নহয়, তেখেত অসম, মেঘালয়, মিজোৰাম, অৰুণাচল নগালেণ্ডৰো ৰাজ্যপাল। গতিকে ৰাজ্য-পালৰ ৰাজভৱনৰ মেৰামতিৰ কাৰণে কেৱল মাত্ৰ অসমৰ বাজেটৰ পৰা প্ৰত্যেক বাৰেই ইমান খিনি টকা খৰচ কৰি থকাৰ কোনো প্ৰয়োজনীয়তা

নাই। গতিকে বহু ৰাজ্যৰ ৰাজ্যপাল হিচাবে থকা ৰাজভবনত যি খৰচ হয় সেই খৰচ খিনি বিভিন্ন ৰাজ্যৰ মাজত সমানে বিতৰণ হব লাগে। এটা ডাঙৰ কথা হৈছে ৰাজ্যপালৰ ৰাজভবনৰ মেৰামতিৰ কাৰণে যি ১,৩০,৭০০ টকা ধৰা হৈছে তাৰ ভিতৰত ৭৪ হাজাৰ টকা খৰছ কৰা হৈছে কেৱল পেইনটিং আৰু ইলেকট্ৰিক ইন্সষ্টলেচনত। আজি যেতিয়া চৰকাৰৰ অন্যায় হতাও, গৰীবি হতাও শ্লোগান হৈছে তেনে স্থলত অসমৰ নিচিনা এখন দুখীয়া ৰাজ্যত ৰাজ্যপালৰ ভবনৰ পেইনটিং আৰু ইলেকট্ৰিক ইন্সষ্টলেচনৰ বাবদ ৭৪ হাজাৰ টকা খৰচ কৰাৰ কি প্ৰয়োজনীয়তা আছে? গতিকে চৰকাৰৰ ঘোষিত নীতিৰ পৰা এই কাৰ্য্য ফালৰি কাটি গৈছে। আৰু ঠিক তেনেকৈয়ে এতিয়া এই বিলাক মেৰামতি কৰিবলৈ যাওঁতে মাষ্টাৰ ৰোলৰ লেবাৰৰ দৰ্মহা যিটো মাত্ৰ ৩৭ হাজাৰ টকা হব সেইটোও দিব পৰা নাই। অথচ ৰাজভবনৰ মেৰামতিৰ কাৰণে ১,৩০,৭০০ টকা খৰচ হৈছে। এইটো ৩১ পৃষ্ঠাৰ এক্সপ্লেনেটৰী নোটত কোৱা হৈছে যে—

"The amount was required to meet the pay and allowances of the Malis and Sweepers in the Raj Bhavan during the year 1971-72. As the provision of Rs. 45,100 in the P. W. D. Budget ( 1971-72 ) was inadequate, an advance was taken from the Contingency Fund. Hence the Supplementary appropriation to regularise the advance".

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ—অধ্যক্ষ ডাঙৰীয়া এই কথা আপুনি জানে যে যদিও এইটো ৰেগুলেলাইজ কৰা হৈছে এই খৰচটো কৰা হৈছে ১৯৭১-৭২ চনতহে। তাৰ কাৰণে ইয়াৰ আগতে আৰু বাজেটত ৰাজভবনৰ মালি, জাকুৱালা এই বিলাকৰ কাৰণে ব্যৱস্থা কৰা হৈছিল। আৰু অতিৰিক্ততাৰ কাৰণে এতিয়া দিব লগা হৈছে ৪ হেজাৰ ৬ শ টকা। গতিকে ভাৰতবৰ্ষত যি বৰ্ত্তমান অৱস্থাত যেতিয়া গণতান্ত্ৰিক ব্যৱস্থা গ্ৰহণ কৰিছে, যেতিয়া ৰজা-মহাৰজাবিলাক উঠাই দিয়া হৈছে সেই সময়ত আমাৰ দেশত ৰাজ্যপালৰ কোনো প্ৰয়োজন নাই আৰু অসমৰ ৰাজহৰ পৰা প্ৰত্যেক

বছৰে ইমান টকা খৰচ কৰাৰ কোনো প্ৰয়োজন নাই। আমি দেখিছো আৰু যিবিলাক টকা খৰচ কৰা হৈছে সেই বিলাক প্ৰায় বিলাক কেচতে খৰচ হৈছে। যি বিলাক কেচত চৰকাৰে অধিক ক্ষতি-পূৰণ দিব লগা হৈছে। ইয়াৰ আগতে কেবাবাৰো কৈছো যে যি বিলাক কেচত অধিক ক্ষতিপূৰণ দিব লগা হয় তাত দুটা কথাই প্ৰমাণিত হয়। এটা হ'ল চৰকাৰৰ যি বিলাক বিষয়াই ক্ষতিপূৰণৰ হিচাব কৰে, সেই হিচাব ঠিক নহয় আৰু অন্য এটা হব পাৰে যে তেওঁলোকে অতি-ৰিক্ত ক্ষতিপূৰণ পোৱাৰ কাৰণে নানা ধৰণৰ প্ৰচেষ্টা কৰিব পাৰে। কেৱল অতিৰিক্ত ক্ষতিপূৰণৰ টকা দিব লগা হোৱাটোৱেই নহয় আৰু কেচ বিলাক পৰিচালনা কৰাটো চৰকাৰৰ বিভিন্ন বিষয়া নিয়োগ কৰোতে যথেষ্ট টকা খৰচ কৰা হয়। আৰু প্ৰত্যেকটো হাইকোৰ্টৰ কেচতে অসম চৰকাৰে অধিক ক্ষতিপূৰণ দিব লগা হোৱাৰ মাজেদি এই কথাটো প্ৰমা-ণিত হয় যে ৰাজহ বিভাগৰ কাম-কাজ সন্তোষজনক নহয় বা ৰাজহ বিভাগে যি ভাগে ক্ষতিপূৰণৰ হিচাব কৰে সেই হিচাবটো প্ৰকৃত পক্ষে এটা বাস্তব নীতিত নিৰ্দ্ধাৰণ কৰা নাই আৰু আমি প্ৰত্যেক বাৰেই বহু টকা কোৰ্টৰ ৰায়ৰ কাৰণে দিব লগা হৈছে। ৩৫ পৃষ্ঠাত কেচৰ ৰায়ৰ কাৰণে অতিৰিক্ত ৩৯ হেজাৰ ২৮৩ টকা দিব লগা হৈছে। এক্সপ্লেনেটৰী নোটত কোৱা হৈছে—

"The amount of Rs. 38,285 was required to be paid by the State Government as per Hon'ble High Court of Assam and Nagaland's Order in F. A. Case No. 28/65 arising out of acquisition of land for the Industrial Estate, Gauhati, the land measuring 2 bighas, 3 khathas, 5 lessas. This amount could not be foreseen and so an advance from the Contingency Fund was taken. This Supplementary Appropriation is for regularisation of the advance taken from the Contingency Fund."

সেই কাৰণে কৈছো এই কেচ বিলাকৰ ক্ষেত্ৰত আৰু যিমান বিলাক টকা খৰচ কৰা হৈছে তাৰ প্ৰায় বিলাক হ'ল কোৰ্টৰ ৰায়ৰ সংক্ৰান্তত। সেই কাৰণে আগতে বাৰে বাৰে কৈছে যে মাটি অধিগ্ৰহণ কৰাৰ ক্ষেত্ৰত যি বিলাক কেচ আদালতত চৰকাৰে দিয়ে বা চৰকাৰৰ বিৰুদ্ধে আদালতত যি বিলাক কেচ যায় সেই কথাটোত বহুবাৰ অভিযোগ হৈছে যে যি বিলাক বিষয়াক চৰকাৰে চৰকাৰী পক্ষক সমৰ্থন কৰাৰ কাৰণে নিয়োগ কৰে সেই বিলাকে উপযুক্ত ভাবে আদালতত চৰকাৰৰ পক্ষ সমৰ্থন নকৰে বা কৰিব নোৱাৰে। সেই কাৰণে এই ভাবে আমাৰ ৰাজহুৱা ধন যথেষ্ট খিনি অপচয় হয়। সেই কাৰণে মই চৰকাৰক অনুৰোধ কৰিব বিচাৰিছো যাতে ভৱিষ্যতে এনেকুৱা ধৰণে কোৰ্টৰ ৰায়ৰ ক্ষেত্ৰত বহু অতিৰিক্ত টকা খৰচ কৰিব লগা নহয় আৰু এই কেচ বিলাক পৰিচালনা কৰাত যাতে অযথা খৰচ নহয়। সেই কাৰণে এই বিষয় বোৰৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী—অধ্যক্ষ মহোদয়, গগৈ ডাঙৰীয়াই কোৱা মতে মই কব বিচাৰিছো যে আমাৰ দেশত এই চৰকাৰে দায়িত্ব লোৱাৰ পিচত এটা অৰ্থনৈতিক সংকট অবস্থা সৃষ্টি হোৱা বুলি অনুভৱ কৰাইছিল আৰু ৰাজহুৱা ধন নাই বুলি কৈছিল। আজি ৬ মাহৰ ভিতৰত উন্নয়ন মূলক কাম আটাইবিলাক বন্ধ হৈ আছে। সেই ক্ষেত্ৰত বিত্তীয় প্ৰতিবেদন লৈ আহোতে তেওঁলোকে প্ৰতিটো ক্ষেত্ৰত প্ৰতিটো বিভাগত কম টকা ধৰিছিল। মিজো টিলা অসমৰ পৰা বাহিৰলৈ যোৱাৰ কাৰণে আৰু মেঘালয়, অসমৰ ভিতৰত নাই কাৰণে খৰচ বিলাক কম ধৰিছিল। এতিয়া ১২ টা বিভাগত পৰিপূৰক বাজেট আহিছে। চৰকাৰে নিজে ঘোষণা কৰিছে যে চৰকাৰৰ ধনৰ বৰ অভাৱ আৰু কম টকাৰে সৈতে চলাবলৈ চেষ্টা কৰিছে। সেই ক্ষেত্ৰত গগৈ ডাঙৰীয়াই ৰাজভৱনৰ কথা উল্লেখ কৰিছে। ৰাজ্যপালৰ টকা বেচি হৈছে সেই কথা চাবৰ কাৰণে বিধান সভাৰ ভিতৰত ক্ষমতা নাই। ৰাজভৱন বেলেগ ধৰণৰ শাসনৰ তলত। ৰাজভৱনৰ খৰচটো, ৰাজ্যপালৰ খৰচটো বাহিৰৰ অন্য কোনোৱে সেই হিচাব দিব নোৱাৰে। ৰাজ্যপালক ইমানখিনি ক্ষমতা দিয়াটো ভুল হৈছে। ৰাজ্যপালৰ খৰচৰ হিচাবটো সদনক নিয়াৰিকৈ যদি নিদিয়ে তেন্তে গণতন্ত্ৰ,

সমাজবাদৰ বিৰুদ্ধে কাম কৰা হব। প্ৰধান মন্ত্ৰী অসমলৈ অহা খৰচটো এই গ্ৰাণ্টৰ ভিতৰত আহিছে। প্ৰধানমন্ত্ৰী অসমত ভ্ৰমণ কৰোতে বহুত টকা খৰচ কৰিছে। সাধাৰণ বিত্তীয় বাজেট দাঙি ধৰা সময়ত কৈছিলো যে এই খৰচ বেচি হৈছে, অসমৰ নিচিনা দুখীয়া ৰাজ্য এখনত প্ৰধান-মন্ত্ৰীক আনিবৰ কাৰণে ইমান খৰচ নকৰিলেও হয়। যদি এইদৰে কাম কৰা হয় তেন্তে সমাজ বাদৰ বিৰুদ্ধে কাম কৰা হব। যোৱা বিত্তীয় বাজেট দাঙি ধৰা সময়ত কৈছিলো যে অনাৱশ্যকীয় খৰচটো কমাব লাগে। ৰাজভৱনৰ মালি আদিৰ বাবে ৪৪ হাজাৰ টকা ধৰা হৈছে। পৰ্দা, কাৰ্পেট আদিৰ খৰচ কমাব লাগে। যদি প্ৰকৃততে সমাজবাদ প্ৰতিষ্ঠা কৰিব বিচাৰিছে তেন্তে খৰচ কমাব লাগিব। আৰু সেই কাৰণেই ৰাজ্যপালৰ শিতানকে আৰম্ভ কৰি অন্যান্য শিতানত কৰা খৰচৰ বাবে প্ৰতিবাদ কৰিছো।

শ্ৰীকবীৰ ৰায় প্ৰধানী - মাননীয় অধ্যক্ষ মহোদয়, পৰিপূৰক বাজেট খনৰ যিটো দৃষ্টিভঙ্গী সেইটো সমাজবাদৰ দৃষ্টিভঙ্গী নহয়। আজি আমাৰ ৰাজহুৱা ধন বিলাক প্ৰকৃত পক্ষে ৰাইজৰ উচিত কামত খৰচ হৈছে নে নাই সেইটো চোৱা দৰকাৰ।

আজি ৰাজহুৱা ধন মন্ত্ৰীৰ পৰা আৰম্ভ কৰি বিভিন্ন বিভাগলৈ কোনেও এই বিলাক কথালৈ কাণষাৰ দিয়া নাই। আজি চৰকাৰ কিয় দেউলীয়া হৈছে, তাৰ অৰ্থ হ'ল কিছুমান টকা খৰছ কৰা হৈছে চৰকাৰৰ ফালৰ পৰা, তাৰে কিছুমান তুলিব পৰা বিধৰ কৈ খৰছ কৰিছে আৰু কিছুমান এনেভাৱে খৰছ কৰিছে যে তাক তুলিবলৈ কোনো ব্যৱস্থা নাই। এই ঘূৰি আহিব নোৱাৰা ধন খিনিৰ বাবে Audit আদি কৰা হলেও বিভিন্ন বিভাগ তথা বিভিন্ন সংশ্লিষ্ট মন্ত্ৰীয়ে সেইফালে চকু দিয়া নাই। যেনেকৈ Industry Wearing অথবা Economic Development ৰ কাৰণে ৰাইজৰ মাজত দিয়া টকা বিলাক ঘূৰি অহাৰ কোনো ব্যৱস্থা ৰখা নাই। অৰ্থাৎ এই টকা তুলিবলৈ যি ব্যৱস্থা সি যথোপযুক্ত নহয়। ইয়াৰ ফলত ৰাইজৰ মাজত হতাশাৰ সৃষ্টি হৈছে। গতিকে মই কব খোজো যে কেৱল নতুন চৰকাৰৰ চিএঁৰ বাখৰেই কাম নিদিব যেতিয়া-

লৈকে কোনো কাৰ্য্যকৰী ব্যৱস্থা অৱলম্বন কৰা নহয়। গৰীৱি হতাও কৰিবলৈ কাৰ্যাকৰী ব্যৱস্থা লব লাগিব। লাখ লাখ কৌটি কৌটি টকা দিয়া হৈছে যদিও সেইবিলাক টকা ব্যক্তিগত কামত। কিন্তু কাগজে কলমে খৰছ কৰাকে দেখুৱাই থৈছে, তালৈ কোনেও চকু দিয়া নাই। যদি চৰকাৰে এই দৃষ্টিভঙ্গী সলনি নকৰে তেনেহলে চৰকাৰে যি আৱাজ তুলিছে সেই আৱাজ অথলে যাব।

অধ্যক্ষ মহোদয়, ৰাজভৱনৰ কথা আহিছে, ৰাজভৱনৰ কাৰণে টকাৰ মঞ্জুৰী বিচাৰিছে কিন্তু এই টকাৰ Audit নহয়। বাকী সকলো টকা Audit হয় কিন্তু ৰাজভৱনৰ টকা Audit কৰাৰ কোনো ব্যৱস্থা নাই। আচৰিত কথা। এজন মানুহৰ কাৰণে লাখ লাখ টকা খৰছ হয় অথচ আজি দেশত হাজাৰ হাজাৰ লোকে খাবলৈ এমুঠি ভাত নাপায়, পিন্ধিবলৈ এডোখৰ কাপোৰ নাপায়; বেমাৰত ঔষধ খাবলৈ সুবিধা নাপায় কিন্তু এজন মানুহৰ কাৰণে ৩৫ কৌটি টকাৰ মঞ্জুৰী বিচাৰিছে। Economic Cut কৰাৰ কাৰণে নিম্ন শ্ৰেণীৰ লোক কিছুমানক চাকৰিৰ পৰা বৰ্খাস্ত কৰিছে। আকৌ কৰ্ম্মচাৰী সকলক বছৰেকত ৬৮ কোটি টকা দৰমহা দিব লাগে কিন্তু স্বজন তোষণৰ কাৰণে য'ত ৫ জন কৰ্মচাৰী লাগে তাৰ ঠাইত ১০ জন আৰু যি ঠাইত ১০ জন লোক লাগে তাত ২৫ জন লোক নিয়োগ কৰি ৰাখিছে। এই দৃষ্টিভঙ্গীৰে কাম নহব।

আজি পিচপৰা অঞ্চল বিলাকত ১০/২০ হাজাৰ মানুহৰ মাজত এখন স্কুল গঢ়ি উঠিলেও তাক মঞ্জুৰী দিয়া নাই, গাওঁ অঞ্চলৰ স্কুল কলেজৰ কাৰণে কোনো চকু দিয়া নাই, অথচ চহৰ অঞ্চলক আকৌ চহৰমুখী হে কৰিবলৈ ধৰিছে। গাওঁ অঞ্চলৰ ডাক্তৰখানাও ভঙা ছিঙা, তাতো ডাক্তৰ নাই, চহৰৰ পৰা এঘণ্টাৰ কাৰণে এজন ডাক্তৰ গৈ বেমাৰী চাই আহেগৈ কিন্তু সেই বিলাকলৈ কোনেও চকু দিয়া নাই। তাকে নকৰিলে এনেকুৱা বৈষম্য মূলক আচৰণেৰে কেনেকৈ জনপ্ৰিয় চৰকাৰে ধ্বনি দিব পাৰে বুজি নাপাওঁ। মানুহৰ চিন্তাধাৰা কালৰ লগত বদলি হে যাব বুলি এনে বৈষম্যৰ কাৰণে সজাগ হৈ উঠিব বুলি সোঁৱৰাই মোৰ বক্তব্য সামৰিলো।

শ্ৰীনগেন বৰুৱা—মাননীয় অধ্যক্ষ ডাঙৰীয়া আমাৰ চৰকাৰে দুমাহৰ আগতে

সমাজবাদৰ বিৰুদ্ধে কাম কৰা হব। প্ৰধান মন্ত্ৰী অসমলৈ অহা খৰচটো এই গ্ৰাণ্টৰ ভিতৰত আহিছে। প্ৰধানমন্ত্ৰী অসমত ভ্ৰমণ কৰোতে বহুত টকা খৰচ কৰিছে। সাধাৰণ বিত্তীয় বাজেট দাঙি ধৰা সময়ত কৈছিলো যে এই খৰচ বেচি হৈছে, অসমৰ নিচিনা দুখীয়া ৰাজ্য এখনত প্ৰধান-মন্ত্ৰীক আনিবৰ কাৰণে ইমান খৰচ নকৰিলেও হয়। যদি এইদৰে কাম কৰা হয় তেন্তে সমাজ বাদৰ বিৰুদ্ধে কাম কৰা হব। মোৰা বিত্তীয় বাজেট দাঙি ধৰা সময়ত কৈছিলো যে অনাৱশ্যকীয় খৰচটো কমাব লাগে। ৰাজভৱনৰ মালি আদিৰ বাবে ৪৪ হাজাৰ টকা ধৰা হৈছে। পৰ্দা, কাৰ্পেট আদিৰ খৰচ কমাব লাগে। যদি প্ৰকৃততে সমাজবাদ প্ৰতিষ্ঠা কৰিব বিচাৰিছে তেন্তে খৰচ কমাব লাগিব। আৰু সেই কাৰণেই ৰাজ্যপালৰ শিতানকে আৰম্ভ কৰি অন্যান্য শিতানত কৰা খৰচৰ বাবে প্ৰতিবাদ কৰিছো।

শ্ৰীকবীৰ ৰায় প্ৰধানী - মাননীয় অধ্যক্ষ মহোদয়, পৰিপূৰক বাজেট খনৰ যিটো দৃষ্টিভঙ্গী সেইটো সমাজবাদৰ দৃষ্টিভঙ্গী নহয়। আজি আমাৰ ৰাজহুৱা ধন বিলাক প্ৰকৃত পক্ষে ৰাইজৰ উচিত কামত খৰচ হৈছে নে নাই সেইটো চোৱা দৰকাৰ।

আজি ৰাজহুৱা ধন মন্ত্ৰীৰ পৰা আৰম্ভ কৰি বিভিন্ন বিভাগলৈ কোনেও এই বিলাক কথালৈ কাণষাৰ দিয়া নাই। আজি চৰকাৰ কিয় দেউলীয়া হৈছে, তাৰ অৰ্থ হ'ল কিছুমান টকা খৰছ কৰা হৈছে চৰকাৰৰ ফালৰ পৰা, তাৰে কিছুমান তুলিব পৰা বিধৰ কৈ খৰছ কৰিছে আৰু কিছুমান এনেভাৱে খৰছ কৰিছে যে তাক তুলিবলৈ কোনো ব্যৱস্থা নাই। এই ঘূৰি আহিব নোৱাৰা ধন খিনিৰ বাবে Audit আদি কৰা হলেও বিভিন্ন বিভাগ তথা বিভিন্ন সংশ্লিষ্ট মন্ত্ৰীয়ে সেইফালে চকু দিয়া নাই। যেনেকৈ Industry Wearing অথবা Economic Development ৰ কাৰণে ৰাইজৰ মাজত দিয়া টকা বিলাক ঘূৰি অহাৰ কোনো ব্যৱস্থা ৰখা নাই। অৰ্থাৎ এই টকা তুলিবলৈ যি ব্যৱস্থা সি যথোপযুক্ত নহয়। ইয়াৰ ফলত ৰাইজৰ মাজত হতাশাৰ সৃষ্টি হৈছে। গতিকে মই কব খোজো যে কেৱল নতুন চৰকাৰৰ চিঞঁৰ ৰাখৰেই কাম নিদিব যেতিয়া-

লৈকে কোনো কাৰ্য্যকৰী ব্যৱস্থা অৱলম্বন কৰা নহয়। গৰীৱি হতাও কৰিবলৈ কাৰ্যাকৰী ব্যৱস্থা লব লাগিব। লাখ লাখ কৌটি কৌটি টকা দিয়া হৈছে যদিও সেইবিলাক টকা ব্যক্তিগত কামত। কিন্তু কাগজে কলমে খৰছ কৰাকে দেখুৱাই থৈছে, তালৈ কোনেও চকু দিয়া নাই। যদি চৰকাৰে এই দৃষ্টিভঙ্গী সলনি নকৰে তেনেহলে চৰকাৰে যি আৱাজ তুলিছে সেই আৱাজ অথলে যাব।

অধ্যক্ষ মহোদয়, ৰাজভৱনৰ কথা আহিছে, ৰাজভৱনৰ কাৰণে টকাৰ মঞ্জুৰী বিচাৰিছে কিন্তু এই টকাৰ Audit নহয়। বাকী সকলো টকা Audit হয় কিন্তু ৰাজভৱনৰ টকা Audit কৰাৰ কোনো ব্যৱস্থা নাই। আচৰিত কথা। এজন মানুহৰ কাৰণে লাখ লাখ টকা খৰছ হয় অথচ আজি দেশত হাজাৰ হাজাৰ লোকে খাবলৈ এমুঠি ভাত নাপায়, পিন্ধিবলৈ এডোখৰ কাপোৰ নাপায়; বেমাৰত ঔষধ খাবলৈ সুবিধা নাপায় কিন্তু এজন মানুহৰ কাৰণে ৩৫ কৌটি টকাৰ মঞ্জুৰী বিচাৰিছে। Economic Cut কৰাৰ কাৰণে নিম্ন শ্ৰেণীৰ লোক কিছুমানক চাকৰিৰ পৰা বৰ্খাস্ত কৰিছে। আকৌ কৰ্ম্মচাৰী সকলক বছৰেকত ৩৮ কোটি টকা দৰমহা দিব লাগে কিন্তু স্বজন তোষণৰ কাৰণে য'ত ৫ জন কৰ্মচাৰী লাগে তাৰ ঠাইত ১০ জন আৰু যি ঠাইত ১০ জন লোক লাগে তাত ২৫ জন লোক নিয়োগ কৰি ৰাখিছে। এই দৃষ্টিভঙ্গীৰে কাম নহব।

আজি পিচপৰা অঞ্চল বিলাকত ১০/২০ হাজাৰ মানুহৰ মাজত এখন স্কুল গঢ়ি উঠিলেও তাক মঞ্জুৰী দিয়া নাই, গাওঁ অঞ্চলৰ স্কুল কলেজৰ কাৰণে কোনো চকু দিয়া নাই, অথচ চহৰ অঞ্চলক আকৌ চহৰমুখী হে কৰিবলৈ ধৰিছে। গাওঁ অঞ্চলৰ ডাক্তৰখানাও ভঙা ছিঙা, তাতো ডাক্তৰ নাই, চহৰৰ পৰা এঘণ্টাৰ কাৰণে এজন ডাক্তৰ গৈ বেমাৰী চাই আহেগৈ কিন্তু সেই বিলাকলৈ কোনেও চকু দিয়া নাই। তাকে নকৰিলে এনেকুৱা বৈষম্য মূলক আচৰণেৰে কেনেকৈ জনপ্ৰিয় চৰকাৰে ধ্বনি দিব পাৰে বুজি নাপাওঁ। মানুহৰ চিন্তাধাৰা কালৰ লগত বদলি হে যাব বুলি এনে বৈষম্যৰ কাৰণে সজাগ হৈ উঠিব বুলি সোঁৱৰাই মোৰ বক্তব্য সামৰিলো।

শ্ৰীনগেন বৰুৱা—মাননীয় অধ্যক্ষ ডাঙৰীয়া আমাৰ চৰকাৰে তুমাহৰ আগতে

ৰাজভৱনৰ কাৰণে যি Grant বিচাৰিছিল সেইটো সেই সময়ত দিয়া হৈছিল যদিও এতিয়া আকৌ তুমাহৰ পিচতে ৰাজভৱনৰ কাৰণে খৰছৰ বাবদ এক লাখ টকাৰ মঞ্জুৰী লৈ এখেতসকল সদনলৈ আহিছে। আমাৰ মাননীয় সদস্য কেইগৰাকীমানে ইতিমধ্যে এই কথা কৈছে যে আজি পৰিবৰ্ত্তিত অৱস্থাত বিশেষকৈ আমাৰ ভাৰতত সমাজবাদী সমাজ এখন গণতন্ত্ৰৰ মাধ্যমত গঠন কৰিবলৈ আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত যি আঁচনি কৰা হৈছে সেই আঁচনিৰ সময়ত আকৌ ইমানবোৰ টকা এনে ধৰণে খৰছ কৰাতো নিশ্চয় অন্যায় হোৱা নাইনে ? এহাতে নিবনুৱা সমস্যা দিনে দিনে বাঢ়ি গৈছে আনহাতে আকৌ অৰ্থনৈতিক সংকটৰ কাৰণে নিম্ন বেতনভোগী কৰ্ম্মচাৰী সকলক চাকৰিৰ পৰা আঁতৰাই দিছে; আনকি ৰাজহুৱা বিভিন্ন অনুষ্ঠানলৈ অনুদান আদি দিব নোৱাৰা বাবে ৰাইজ বৰ অসন্তুষ্ট হৈছে। অত্যাৱশ্যকীয় অনুষ্ঠানৰ নামত ৰাজহুৱা ধন এই অৱস্থাত খৰছ কৰাটো নিশ্চয় অন্যায় কথা হৈছে।

আজি সমাজবাদৰ যিটো "ধ্বনি সেই ধ্বনি সঁচাকৈয়ে ঐকান্তিকতাৰে সৈতে যদি পালন কৰিবলৈ বিচাৰিছে তেতিয়া হ'লে ইয়াৰ যিটো উদ্দেশ্য সেই উদ্দেশ্যৰ এটা সীমা ৰাখি সেই সীমা নিৰ্দ্ধাৰণ কৰিব লাগিব। নহলে এই টকা খৰচ কৰাৰ ক্ষেত্ৰত আগৰ পৰা যি ব্যৱস্থা চলি আছে সেই ব্যৱস্থা উঠাই সমাজৰ প্ৰগতিৰ লগত খাপ খুৱাই সেই অনুষ্ঠান উঠাই দিয়াৰ কাৰণে আইন প্ৰনয়ণ কৰি ৰাইজৰ আগত তেখেতে নিজৰ "শ্লগানৰ" পৰিচয় দিব লাগিব। এই ক্ষেত্ৰত আৰু এটা কথা উল্লেখ কৰা হৈছে যে, আমাৰ অসমৰ ক্ষেত্ৰত যিজন ৰাজ্যপাল ৰখা হৈছে আৰু যিটো ৰাজভৱন ৰখা হৈছে এই অনুষ্ঠানটো কেৱল আমাৰ অসমৰে নহয়, আৰু যোৱাবাৰো এই কথাটো সদনত আলোচনা কৰা হৈছে যে ৰাজ্যপালৰ খৰচ আমি অকল অসমৰ বাজেটৰ পৰা, অসমৰ ৰাজহৰ পৰা নিদি সেই খৰচ অন্যান্য যিবিলাক ৰাজ্যৰ মুৰব্বী হৈ আছে সেইসকল ৰাজ্যৰ পৰাও খৰচ আনিব লাগে। আৰু এই কথা কেন্দ্ৰীয় চৰকাৰক জনাব লাগে। গতিকে এই শিতানত খৰচ কৰি বা ইয়াৰ কাৰণে চাপলিমেণ্টৰি ডিমাণ্ড দি আমাৰ ৰাজহৰ টকা খৰচ কৰাটো অন্যায় কথা হৈছে। গতিকে এই সম্পৰ্কে আমি আশা কৰিছো যাতে চৰকাৰে চিন্তা কৰে। গতিকে যি কেইখন ৰাজ্যৰ

লগত ৰাজ্যপালে কাম কৰি আছে সেই কেইখন ৰাজ্যই সমভাবে খৰচ যোগান দিব লাগে। উত্তৰ-পূব পৰিষদ গঠন হৈছে আইনৰ ভিতৰত সেই কথা নাথাকিবও পাৰে যিহেতু এই অঞ্চলৰ এই পৰিষদৰ সভাপতি ৰাজ্যপাল। গতিকে ৰাজ্যপালৰ খৰচ সম্পৰ্কে আলোচনা কৰিবলৈ নিশ্চয় থল আছে গতিকে এই কথা অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰক জনাব লাগে।

অধ্যক্ষ ডাঙৰীয়া, এইখিনিতে মই এটা কথা কবলৈ বিচাৰিছো যে আমাৰ চৰকাৰে যিমান কেচ কৰিছে সেই সকলো কেচতে চৰকাৰ হাৰিছে আৰু বহুত পৰিমাণে টকা ব্যয় কৰা হৈছে। আজি বিভাগীয় কৰ্ম্মচাৰী সকলে ঠিক মতে কাম নকৰাৰ ফলতেই কেচ আদালতলৈ গৈছে। ফলত চৰকাৰ হাৰিছে আৰু ৰাজহুৱা ধনৰ অপব্যয় হৈছে।

গতিকে এই বিলাক ক্ষেত্ৰত যাতে টকাৰ অপব্যয় নহয় তাৰ কাৰণে চৰকাৰে চকু দিব লাগে। এইখিনিকে কৈ মই চাপলিমেণ্টৰি ডিমাণ্ডৰ যি পৰিপূৰক দাবী আনিছে তাক সমৰ্থন কৰিছো।

( At this stage Mr. Speaker vacated the Chair and the Deputy Speaker occupied it )

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী )—উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে চাপলিমেণ্টৰি ডিমাণ্ড নং-১ ওপৰত যিখিনি মন্তব্য কৰিছে মই তাৰ তাৎপৰ্য্য অনুধাৱন কৰিছো। এই সম্পৰ্কে তেখেঁতসকলৰ লগত মোৰ চিন্তাৰ মত বিৰোধ নাই। এই গণতান্ত্ৰিক শাসন ব্যৱস্থা সংবিধান অনুযায়ী চলাবলৈ হলে, সংবিধানৰ মৰ্য্যদা ৰক্ষা কৰিব লাগিব। আমাৰ গভৰ্ণৰ সেই সংবিধানৰ অন্তৰ্ভুক্ত। গতিকেই গভৰ্ণৰৰ ৰাজভৱনৰ সন্মান মৰ্য্যদা ৰক্ষণা-বেক্ষণ কৰিব লাগিব। এইবাৰ আমাৰ বাজেট তৈয়াৰ কৰোতে আমি এটা অৰ্থনৈতিক পৰিস্থিতিৰ সন্মুখীন হৈছিলো। আৰু তাৰ কাৰণে বাজেটত যি পৰিমাণে টকা লাগে সেই পৰিমাণে ব্যৱস্থা কৰিব পৰা হোৱা নাছিল। গতিকে, পৰিপূৰক দাবী লৈ সদনলৈ অহাতো অস্বাভাৱিক নহয়। ৰাজভৱনৰ ক্ষেত্ৰত আজি সেইটোৱেই হৈছে। ৰাজভৱনৰ যি প্ৰয়োজনীয় খৰচ সেই খৰচ কমোৱা কেতিয়াবা কেতিয়াবা সম্ভৱ নহয়। যদিও ইয়াত কোৱা হৈছে যে, দেকৰেচন, পেইনটিং আদিত

টকা খৰচ কৰা হৈছে। আজি দেশৰ দৰিদ্ৰতা দূৰ কৰাৰ ক্ষেত্ৰত ৰাজ-ভৱনৰ সাজ-সজ্জা পুনৰ সংস্কাৰ, নতুনকৈ বং লগোৱা কথাবিলাক একেবাৰে খাপ নাখায়। কিন্তু আজি সংবিধানৰ মৰ্য্যদা ৰক্ষা কৰিবলৈ গৈ আৰু আনুসঙ্গিক বিষয়বোৰৰ লগত সংগতি ৰক্ষা কৰিবলৈ গৈ এই টকা খৰচ কৰিব লগা হৈছে। এই খৰচ হোৱা টকা অন্যান্য ৰাজ্য বিলাকে কি পৰিমাণে বহন কৰিব সেইটো আলোচনা কৰা হৈছে। অন্যান্য ৰাজ্যৰ লগত এই খৰচ অনুপাত হাবে ভাগ হব। নগালেণ্ডৰ লগত এই ব্যৱস্থা মীমাংসা কৰা হৈছে। অন্য ৰাজ্যবোৰৰ লগত মীমাংসা হোৱা নাই। গতিকেই এই খৰচখিনি এতিয়া আমাৰ বাজেটৰ পৰা দেখুৱাব লগা হৈছো। পিচত এই কথাৰ মীমাংসা হলে আমি বিভিন্ন চৰকাৰৰ পৰা এই টকা আদায় কৰিব পৰা হব।

উপাধ্যক্ষ মহোদয়, আইন আদালতত আমি কিছু টকা খৰচ কৰিব লগা হৈছে। আইন আদালতত খৰচ কৰা টকাখিনি যাতে ভালমতে খৰচ কৰা হয় তাক মাননীয় সদস্য সকলে উল্লেখ কৰিছে। আদালতত যি বিলাক কেচ আজি চৰকাৰৰ ফালৰ পৰা কৰা হয় সেই বিলাকত আমি টকা ভৰিব লগা হয়। গতিকে যাতে এই কেচ বিলাকত টকা কম খৰচ হয় তাৰ বাবে কটকটীয়া ব্যৱস্থা অৱলম্বন কৰা হব। আজি সাধাৰণ ভাবে মন্তব্য কৰা হৈছে যে ব্যয় সংকোচ কৰিব লাগে, কিন্তু এই ব্যয় সংকোচ কৰিবলৈ কেইটিমান নতুন ব্যৱস্থাৰ প্ৰবৰ্ত্তন কৰিব লগা হৈছে। সেই ব্যৱস্থা প্ৰবৰ্ত্তন কৰোতে চলি থকা নীতি-নিয়ম ব্যতিক্ৰম কৰিব লগা হৈছো। সেই নীতি-নিয়ম বিলাক ব্যতিক্ৰম নকৰিলে আমাৰ ৰাজ্যখনৰ বিত্তীয় অনুশাসনহীনতা নিয়ন্ত্ৰণ কৰা সম্ভৱ নহয়। সেই কাৰণে কিছু নতুন নিয়ম প্ৰবৰ্ত্তন কৰা হৈছে। সেই নিয়ম প্ৰবৰ্ত্তন কৰাৰ ফলত কোনো বিভাগত অসুবিধাৰ সৃষ্টি হোৱাটো স্বাভাৱিক। গতিকে এই অনুশাসন প্ৰবৰ্ত্তন কৰাৰ পাছতো কেনেকৈ আমাৰ সকলো বিভাগৰে সকলো অসুবিধা দূৰ কৰিব পাৰি তাৰ বাবে বিবেচনা কৰা হৈছে।

কোনো ক্ষেত্ৰত চৰকাৰে দিব লগা টকা পোৱাত কিছু অসুবিধা আমাৰ দৃষ্টিগোচৰ হৈছে। এই বিলাক নতুন নিয়ম প্ৰবৰ্ত্তন কৰাৰ ফলত অসুবিধা হলেও নতুন নিয়ম প্ৰবৰ্ত্তন কৰাটো এটা অপৰিহাৰ্য্য হৈ

পৰিছে। চৰকাৰী বিভাগত যি ধৰণে ব্যয় প্ৰথা চলি আছে সেইটো অব্যাহত হৈ থকাৰ ফলত বিত্তীয় শৃঙ্খলাৰ কথাটো সম্ভৱ হৈ উঠা নাই। আমি বিত্তীয় নীতি পৰিবৰ্ত্তন কৰিবলগীয়া হোৱাৰ কাৰণে যথেষ্ট অসুবিধাৰ সন্মুখীন হবলগীয়া হৈছো তাৰ কাৰণে আমি দুখীত। কিন্তু এই বিত্তীয় নীতি শৃঙ্খলা দৃঢ়ভাবে প্ৰবৰ্ত্তন কৰাৰ কাৰণে আমি চেষ্টা কৰি আছো। এই কথাটোত আমাৰ মাননীয় সদস্য সকলে নিশ্চয় সমৰ্থন কৰিব। লগে লগে এইটো কথাও দৃঢ় ভাবে কও যে বিত্তীয় নীতি পৰিবৰ্ত্তন কৰাৰ ফলত ৰাইজৰ তথা সাধাৰণ লোকৰ অসুবিধাৰ প্ৰতিও বিশেষ দৃষ্টি ৰখা হৈছে। এইখিনি কৈ মই মাননীয় সদস্য সকলৰ ওচৰত নিবেদন কৰিছো যিখিনি কথা কোৱা হ'ল, তাত তেখেতসকলৰ বৰ বিশেষ আপত্তি নাথাকিব।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড—মই মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো যে নীতি-নিয়মৰ ক্ষেত্ৰত তেখেতে বহুত কথাই ক'লে, কিন্তু আমাৰ ৰাজভৱনৰ খৰচৰ ক্ষেত্ৰত ১৯৫০ চনৰ পৰা কেন্দ্ৰীয় চৰকাৰে দুটা চিডিউলত 'এ' আৰু 'বি' চিলিং বান্ধি দিছে। ১৯৫০ চনৰ পৰা আজিলৈ চিডিউল 'বি'ত আমাৰ চিলিঙৰ সীমা চেৰাই গৈছে। মটৰ-গাড়ী আদিকে আৰম্ভ কৰি মাষ্টাৰ ৰোল ইত্যাদি বিলাকত চিলিঙৰ সীমা চেৰাই খৰচ কৰা হৈছে। যোৱা বাজেট অধিবেশনত মই তাৰে কিছুমান ফিগাৰ দাঙি ধৰিছিলোঁ। আমাৰ বাজেটত খৰচ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে সীমা বান্ধি দিছে। কিন্তু এতিয়া চিলিঙৰ সীমা পাৰ হৈ গৈছে আৰু নতুন ধাৰাত বহুখিনি চিলিং ভায়লেট কৰা হৈছে।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—উপাধ্যক্ষ মহোদয়, আমি চিলিঙত সমৰ্থন কৰোঁ; আৰু চিলিং মানি চলিবলৈ যত্ন কৰিছো।

শ্ৰীগিয়াছুদ্দিন আহমেদ—উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ খৰচৰ সম্বন্ধে এতিয়া বহুত কথাই উল্লেখিত হৈছে। আমাৰ ৰাজ্যৰ স্বাৰ্থ জড়িত সাধাৰণ বিষয়বোৰ নৰ্থ-ইষ্টাৰ্ণ-কাউন্সিল এক্ট মতেহে কৰা হয়। এই ক্ষেত্ৰত আমি দেখিছো যে—ৰাজ্যপালজন অকল অসমৰহে ৰাজ্যপাল নহয়, এই অঞ্চলৰ কেইবাখনো ৰাজ্যৰ ৰাজ্যপাল। গতিকে ৰাজ্যপালৰ যিটো খৰচ সেইটো

পোনপতীয়াভাবে নৰ্থ-ইষ্ট কাউন্সিলৰ ব্যৱস্থা মতে হব নে আমাৰ ৰাজ্য চৰকাৰৰ মতে হব ? এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ মতামত কি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—উপাধ্যক্ষ মহোদয়, এই সম্বন্ধে মই আগতেই উত্তৰ দিছো যে যদিও ৰাজ্যপাল অকল অসমৰেই ৰাজ্যপাল নহয় অন্যান্য ৰাজ্যৰো ৰাজ্যপাল। সেই কাৰণে ৰাজ্যৰ যিখিনি খৰচ হয় সেইবিলাক অনুপাত হিচাবে অন্য ৰাজ্যৰ পৰা পাব পৰা হব। এতিয়া যিমান লাগে তাকেই আমাৰ বাজেটত ধৰা হৈছে।

শ্ৰীগিয়াচুদ্দিন আহমদ—কিন্তু অনুপাত হিচাবে টকা খৰচ নকৰিলে বা অনুপাততকৈ বেছি হোৱা খিনি পাছত দিম বুলি ক'লে অসম চৰকাৰেই খৰচ কৰি থাকিব নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—কি অনুপাতে খৰচ ভৰিব লাগিব সেইটো কেন্দ্ৰীয় চৰকাৰে ঠিক কৰি দিয়ে।

## Voting on Supplementary Demands for Grants

Mr. Deputy Speaker – Item No. 3 ; Voting on Supplementary Demands for Grants.

Shri Sarat Chandra Sinha – Sir, I move demand No. 1.

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী– উপাধ্যক্ষ মহোদয়, এই পৰিপূৰক দাবীৰ সংক্ৰান্তত মই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰি দুযাৰ কথা কব বিচাৰিছো। বৰ্তমান আমাৰ চৰকাৰে এতিয়ালৈকে অসম ৰাজ্যৰ কাৰণে কোনো উন্নয়নমূলক আঁচনি লব পৰা নাই আৰু তেনেকুৱা উন্নতিমূলক কামো কৰিব পৰা নাই। আজি দুই-এক দিনৰ আগতে অসমৰ বিভিন্ন ঠাইৰ শিক্ষক সকল আহি আপোনাৰ সদনৰ সন্মুখত অনশন কৰিলে—তেওঁলোকৰ দাবী পূৰণ নকৰাৰ কাৰণে আৰু এতিয়ালৈকে গড়কাপ্তানি বিভাগৰ কৰ্মচাৰী সকলে আপোনাৰ সদনৰ সন্মুখত অনশন কৰি আছে—তেওঁলোকৰ খাবলৈ ভাত নোহোৱাৰ কাৰণে। আনহাতে অসম দেশত পি. ডব্লিউ. ডি. বিভাগে কৰা ৰাস্তাবিলাকত এতিয়ালৈ ৰোড ক্লজ বুলি ক'তো লিখা নাই আৰু কিছুমান ঠাইত এনে ধৰণৰ চাইনবোৰ্ড দি গাড়ী চলাচল বন্ধ কৰি দিয়া হৈছেনে, কিন্তু তাৰ উত্তৰত চৰকাৰে কয় সকলো ব্যৱস্থা কৰা

হ'ব। বানপানীত ক্ষতিগ্ৰস্ত হোৱা কৃষক সকলৰ বাবে টকা বন্দবস্ত কৰি দিম বুলি কৈছিল, কিন্তু আজি ছয় মাহেও তাৰ বাবে কোনো এখন আঁচনি তৈয়াৰ কৰি দিব পৰা নাই। আজি পৰিপূৰক দাবীৰ সংক্ৰান্তত উন্নয়ণৰ বাবে তিনি লাখ টকা দিছিল আৰু ডিষ্ট্ৰিক্ট এডমিনিষ্ট্ৰেচনৰ বাবে ৮৯ লাখ টকা দিছিল, কিন্তু এইটো ১৯৭১-৭২ চনৰ তুলনাত কম কৰি দেখুৱাইছে। ইয়াৰ কাৰণ কি?

তাৰোপৰি প্ৰধান মন্ত্ৰী আহিবৰ সময়ত বহুত টকা খৰচ কৰা হয়। প্ৰধান মন্ত্ৰীয়ে যদি কোনো প্ৰদেশলৈ প্ৰধান মন্ত্ৰী হিচাবে যায় তেতিয়া-হ'লে তেখেতৰ থকা-মেলা, খোৱাৰ ব্যৱস্থা, তেখেতৰ চিকিউৰিটি আটাই-বিলাক খৰচ চৰকাৰে বহন কৰিব লাগে। কিন্তু নিৰ্বাচনৰ আগতে যেতিয়া প্ৰধান মন্ত্ৰী এটা ৰাজনৈতিক দলৰ প্ৰতিনিধি হিচাবে আহে আৰু সেই ৰাজনৈতিক দলৰ প্ৰচাৰকৰ কাৰণে আহে—সেই ক্ষেত্ৰত মোৰ লগত সকলো সদস্যৰে একমত হ'ব যে নিৰ্বাচনত যিটো দলৰ কাৰণে তেখেতে কাম কৰিবলৈ আহে সেইখিনি খৰচ সেইদলে বহন কৰিব লাগে। সেই সময়ত খৰচ কৰা টকা বিলাক যদি বাজেটৰ হিচাবত উত্থাপন হয় তেতিয়াহ'লে ই বৰ দুখৰ কথা। প্ৰধান মন্ত্ৰীয়ে যেতিয়া কোনো এখন ৰাজ্যলৈ প্ৰধান মন্ত্ৰী হিচাবে যায় দলৰ প্ৰতিনিধি হিচাবে নাযায়, তেতিয়া কিছুমান টকা প্ৰধান মন্ত্ৰী হিচাবে খৰচ কৰিব লাগে। এই প্ৰস্তাৱটো মই আগতেও বিৰোধীতা কৰিছিলো আৰু এতিয়াও বিৰোধীতা কৰিম। কিন্তু প্ৰধান মন্ত্ৰীয়ে যেতিয়া কোনো এখন সভাত বাইজৰ নানান সমস্যাৰ বাবে বক্তৃতা দিয়ে তেতিয়া তাৰ খৰচ ৰাজ্য চৰকাৰে বহন কৰিব লাগে। কিন্তু যদি কোনো এটা বিশেষ দলৰ বাবে ৰাজ্যত ভ্ৰমণ কৰিবলৈ যায় তেতিয়া সকলোবিলাক টকা ৰাজ্য চৰকাৰে খৰচ কৰা উচিত নহয়। এই ক্ষেত্ৰত ১ লাখ ৫৭ হেজাৰ ৬৪২ টকা প্ৰধান মন্ত্ৰীৰ বিভিন্ন সভাত বক্তৃতা দিয়াত দেখুৱাইছে। সেই বিলাকৰ ওপৰিও ফেনচিং, লাইটিং আদিৰ খৰচ বিলাক ৰাজ্য চৰকাৰে খৰচ কৰা দেখা গৈছে। আৰু চিকিউৰিটি ফেনচিং, ইলেকট্ৰিক ফেন আদিৰ কাৰণে আঢ়ৈ হাজাৰ টকা খৰচ কৰা হৈছে। ইয়াৰ উপৰিও প্ৰধান মন্ত্ৰীৰ

লগত অহা পুলিচ, তাৰোপৰি থকা-মেলাৰ, চৰ্কিট-হাউচত আহি পোৱাৰ আগতে সাজ-সজ্জা আদিৰ কৰাত কিমান টকা খৰচ কৰা হৈছে ? যি বিলাক অফিচাৰ প্ৰধানমন্ত্ৰীৰ লগত অফিচিয়েল ডিউটিত আছিল তেওঁলোকৰ টি, এ, ডি. এ দিয়া আদিত কিমান টকা খৰচ হৈছিল ? প্ৰধান মন্ত্ৰী আহিল বা আহিলে আমি ভাল পাওঁ কিন্তু অনৰ্থক, অযথা টকা খৰচ কৰাত আমাৰ নিশ্চয় আপত্তি থাকিব লাগিব। কিন্তু যদি আমাৰ দেশতেই হওক বা উত্তৰ-পূব অঞ্চলত প্ৰশাসনৰ বিশৃঙ্খল হলে সেই উদ্দেশ্য লৈ আহিলে আমাৰ আপত্তি নাই। কিন্তু যদি ৰাইজৰ প্ৰতিনিধি হৈ আগে-পিচে গাড়ী লৈ ৰাজ্যবোৰ পৰিভ্ৰমণ কৰে আৰু নিৰ্বাচনৰ কামত ঘূৰি তুখীয়া ৰাইজৰ টকা খৰচ কৰে সেই ক্ষেত্ৰত মই কংগ্ৰেছ দলৰ হলেও আপত্তি কৰিলোহেতেন। মই ভাবো এই বিলাকৰ খৰচ সেই সেই ৰাজনৈতিক দল সমূহে বহন কৰাতো উচিত হব। ইয়াৰ আগতে আমি মুখ্যমন্ত্ৰী ডাঙৰীয়াক সুধিছিলো যে যোৱা নিৰ্বাচনৰ সময়ত নিৰ্বাচন প্ৰচাৰ কৰিবলৈ আমাৰ কেন্দ্ৰৰ পৰা কেইগৰাকীমান মন্ত্ৰী আৰু প্ৰধানমন্ত্ৰী আহোতে এয়াৰ ক্ৰেফট ব্যৱহাৰ কৰিছিল, অসম চৰকাৰে ইয়াৰ খৰচ কিমান দূৰ বহন কৰিছে আৰু কিমান খৰচ কৰিছে তেওঁলোকৰ ৰাজনৈতিক দলে ? কিন্তু আজিলৈকে মুখ্যমন্ত্ৰীয়ে সেই হিচাব দেখুৱাব পৰা নাই। এই গোটেই খিনি খৰচ লগ হৈ মুঠ ১,৫৭,৬৪২ টকা। ইয়াৰ থুল-মূল হিচাব এটা ৰাইজক দিব লাগে। যিহেতুকে প্ৰধানমন্ত্ৰী ৰাইজৰ প্ৰতিনিধি, তেনেস্থলত প্ৰধানমন্ত্ৰীৰ থকা-মেলা, সা-সুবিধা, তেখেতৰ নিৰাপত্তাৰ অৰ্থে যি খৰচ কৰা হয়, তাত আমি কাৰ্পিন কৰা উচিত নহয়। অৱশ্যে যদি আননেচেচাৰী বা এক্সচেচিচ খৰচ বহন কৰা হয় তাক কমোৱাৰ ব্যৱস্থা কৰিব লাগে। মই দীঘলীয়াকৈ কব খোজা নাই। গতিকে যিখিনি নকলে নহয় তাকে কৈ মই কৰ্তন প্ৰস্তাবটো উত্থাপন কৰিলো।

শ্ৰীপ্ৰেমধৰ বৰা—মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া সদস্যা গৰাকীয়ে যিটো প্ৰস্তাৱ উত্থাপন কৰিলে, মই সেইটো সমৰ্থন কৰিছো। আজি চৰকাৰৰ যিটো শাসন যন্ত্ৰ আছে, তাত বহুতো আসোৱাহ আছে। আমাৰ চৰকাৰৰ কথা আৰু কামৰ মাজত কোনো সামঞ্জস্য নাই। চৰকাৰে ভ্ৰমণ

কমাবলৈ হৈছে, অথচ তেওঁলোকে ভ্ৰমণ কৰিয়েই আছে। বৰং ভ্ৰমণৰ সংখ্য বেচিহে হৈছে। কিন্তু ডিচট্ৰিক অফিচৰ অফিচাব এজনক যদি কোৱা হয়, এক্সজেক্সিকিউটিভ ইনঞ্জিনিয়াৰ, ডিচি, ইত্যাদিৰ যদি ভ্ৰমণ সীমিত কৰি দিয়া হয় তেতিয়াহলে, তাৰ ফলত যি বিলাক প্ৰশাসনীয় কাম তাত অনেক দোষ-ত্ৰুটি হৈ যাব আৰু নানা ধৰণৰ অসুবিধাই দেখা দিব পাৰে। আজি আমাৰ মুখ্যমন্ত্ৰীৰ পৰা আৰম্ভ কৰি গাওঁপঞ্চায়তৰ সদস্যলৈকে আৰু ৰাজ্যপালৰ পৰা আৰম্ভ কৰি মহকুমা পৰিষদৰ সম্পাদকলৈকে এই গোটেইটো এটা প্ৰশাসনীয় যন্ত্ৰ। যদি এই গোটেই যন্ত্ৰটো আৰ্থিক সংকটৰ সন্মুখীন হোৱা বুলি, মিতব্যয়ীতাৰ নামত ব্যয় সংকোচন কৰা হয়, তেতিয়াহ'লে, চৰকাৰৰ কাৰ্যবাহী ব্যৱস্থা বহন কৰোতে বহুগুণে বাধাগ্ৰস্ত হব এই ধৰণৰ বিসঙ্গতিয়ে দেখা দিছে। আজি আমাৰ অফিচাৰ সকলে তিনি-চাৰি মাহ হৈ গ'ল ট্ৰেভেলিং এলাউৱেঞ্চৰ টকা পোৱা নাই। মই লক্ষীমপুৰৰ কথাকে কওঁ যে, যেতিয়া মথাউৰি ভাঙিল তেতিয়া এই বিলাক পৰিদৰ্শন কৰি ইয়াক যথোচিত ব্যৱস্থা লবলৈ বিষয়াৰ অভাৱ হ'ল। যিহেতুকে তেওঁলোকক ভ্ৰমণ কৰিবলৈ সীমিত কৰি দিয়া হৈছে। কাৰণ তেওঁলোক গ'লে নিজৰ অৰ্থতেই যাব লাগিব। ফলত "শাকত নাযায় লোণ সনাই, পিতিকাই তিনি গুণ"। মথাউৰি সম্পূৰ্ণ ভাঙি যোৱাৰ পাচত যিমান খৰচ হব, তাৰ আগতে এই বিলাক ভাল কৰিলে বেচি খৰচ নহলহেতেন। কেৱল ভ্ৰমণ বানচৰ অভাৱতেই খৰচৰ বাট মুকলি হৈছে। চাপ্লিমেণ্টৰী ডিমাণ্ডৰ ক্ষেত্ৰত মই কব খোজো যে, চাপ্লিমেণ্টৰী ডিমাণ্ড পূৰণ কৰিব লাগে, যদিহে সেইবিলাক টকা সম্পূৰ্ণ ৰাইজৰ কামত খটুৱাব পাৰে।

গণতন্ত্ৰৰ প্ৰতীক সকলো আশা আকাংখাৰ স্থল প্ৰধানমন্ত্ৰী যদি আহে তেন্তে কোনো বেয়া কথা নহয়। কিন্তু দলীয় কথাত আহিলে আমাৰ ৰাজহুৱা ধন খৰচ কৰাটো ভুল নীতিত পৰে। দলীয় কামত আহিলে সেই টকাটো দলে বহন কৰিব লাগে। তেনে ধৰণে কৰিলে ভাল হয়।

Mr. Dy. Speaker—We are discussing now about certain

expenditure incurred in connection with the Prime Minister's visit. So your discussion should be confined within that point.

শ্ৰীবদন তালুকদাৰ—উপাধ্যক্ষ মহোদয়, এই পৰিপূৰক দাবীৰ টকাটো প্ৰধান-মন্ত্ৰীৰ যোৱা বাৰ অসম ভ্ৰমণ কৰোতে বক্তৃতা মঞ্চৰ বাবে যি খৰচ হৈছিল তাৰ বাবে বিচৰা হৈছে। প্ৰধানমন্ত্ৰী সেই সময়ত ভ্ৰমণ কৰিছিল নিৰ্বাচনী প্ৰচাৰ কাৰ্য্যৰ বাবে। গতিকে সেই টকাটো মঞ্চ আদিৰ বাবে খৰচ কৰাটো উচিত হোৱা নাই। দলীয় প্ৰচাৰ কামৰ কাৰণে আহিলে সেই টকাটো দলে বহন কৰিব লাগে। প্ৰধানমন্ত্ৰী হিচাবে আহিলে তেওঁৰ ৰক্ষণা-বেক্ষণা দিয়াটো ৰাজ্যিক চৰকাৰৰ দায়িত্ব। যোৱা বাজেট অধিবেশনত এই কথাটো উত্থাপিত হওতে মুখ্যমন্ত্ৰীয়ে কৈছিল যে এই খৰচটো দলৰ ফালৰ পৰা বহন কৰা হব। তেনেস্থলত এই পৰিপূৰক দাবীটো অনাৰ কোনো যুক্তি নাই। মই ভাবো এই ধৰণে ৰাজহুৱা ধন ব্যৱহাৰ কৰাটো অন্যায়। সেই কাৰণে নিৰ্বাচনৰ এমাহ আগতে চৰকাৰে পদত্যাগ কৰি এখন তদৰ্থভাবে চৰকাৰ চলাব লাগে। সেইটো নোহোৱাৰ ফলত এই ধৰণে ৰাজহুৱা ধন ৰাজনৈতিক উদ্দেশ্যত খৰচ কৰা হৈছে। এইখিনিকে কৈ মই কৰ্তন প্ৰস্তাৱটোৰ বিৰোধিতা কৰিছো।

শ্ৰীকবীৰ ৰায় প্ৰধানী—মাননীয় অধ্যক্ষ মহোদয়, মই মাত্ৰ এটা পইণ্টত কব বিচাৰিছো। ইলেকচনৰ আগতে মন্ত্ৰী সভাই ৰিজাইন দিব লাগে। প্ৰধানমন্ত্ৰী আহিছিল নিৰ্বাচনৰ কাৰণে। গতিকে এই ৰাজহুৱা ধন খৰচ কৰাটো উচিত হোৱা নাই। গতিকে নিৰ্বাচনৰ ৬ মাহ আগতে মন্ত্ৰী সভাই ৰিজাইন দিব লাগে। যোৱা নিৰ্বাচনত শ্ৰীৰাজেন্দ্ৰ বসুমতাৰী আৰু বিশ্বদেৱ শৰ্মা দুজন মন্ত্ৰী হাৰিছে। গতিকে সেই অঞ্চলৰ ৰাইজক তাৰিফ কৰিব লাগে। মন্ত্ৰী সকলে ভোটৰ সময়ত গৈ অমোক দিব, স্কুল দিম আদি কয়। মন্ত্ৰী হিচাবে এই কথা ক'লে ৰাইজে সঁচা বুলিয়েই ভাবি লয়। যোৱা এম, পি ইলেকচনত আমি দেখিছো মন্ত্ৰী সকলে গাড়ী লৈ নিৰ্বাচনী কাৰ্য্য চলাইছে। আমি চাইকেল লৈ নিৰ্বাচনী কাম

কৰো। অৱশেষ্য ৰাবণে ৰথ লৈ যুদ্ধ কৰিছিল আৰু ৰাম মাটিত আছিল তথাপিতো ৰামৰ জয় হৈছিল। ঠিক সেই ধৰণে আমাৰো এদিন জয় হব সেইটো সঁচা। এইখিনিকে কৈ সামৰণি মাৰিলো।

Shri Giasuddin Ahmed—Mr. Deputy Speaker Sir, I am raising a point of order. This Supplementary demand has come under the head of 19-General Administration (III-Commissioners and District Administration)—that is the major head and the supplementary demand has been made under this head. Now, Sir, there is a budget provision and there are detailed estimates and demands for grants for the year 1972-73.

Here, the Head of expenditure that will have to be incurred has been given in the Budget. It has been given in details. At page 60 of the Detailed Estimate, at D, it is given as— " Commissioner—(a) Pay of officers, 2 Pay of establishment, 3 Allowances and honoraria, 4, Contingencies, (b) Expenditure in connection with Mizo Disturbances: E—District Administration, E—1—General Administration—1. Pay of Officers, 2. Pay of establishment, 3. Allowances and honoraria, 4. Contingencies, 5. Expenditure in connection with Naga Hills Operation" and so on so forth. These are the Heads of expenditure. Nowhere we find that any item is included as expenditure for the Prime Minister's visit. In the original budget, there was no provision for expenditure in connection with construction of rostrum, harricades, lighting arrangements in connection with the Prime Minister's visit or any other dignitaries. There is no such provision in the original budget. That is why,

I would like to submit that although this amount has been drawn from the Contingency Fund, it does not come under Head ; it may come under some other Head. So, this Demand is not in order ; this is my submission.

Shri Sarat Chandra Sinha ( Chief Minister )—Sir, it has been clearly stated that this amount has been sought from the Head-District Administration E-1 (a), that is, General Establishment. The expenditure that has been incurred in connection with Prime Minster's visit, that has come under the Head-District Administration in the General Establisment.

Shri Giasuddin Ahmed—Sir, the detailed estimate has been given in the budget. There should have been a Head like Expenditure on dignitaries, say, for the President, Prime Minister or some other dignitories ; there is no such Head in the original budget. In the original budget, the total amount voted is Rs. 88.71,700/-, and the additional amount now required is Rs. 1,57,642. Now if there is no provision in the original budget, the question is—whether a new item can be included by means of a Supplementary Demand in the Original budget. That is the question. In this regard, I think, the Budget, Manual is quite clear. In the Budget Manual, it is stated—'no expenditure under any particular Head, major, minor or sub-head against which no provision exists in the budget as passed by the Assembly can be incurred". This expenditure has

to be made under this particular Head, i. e., 19 General Administration. Now, it appears that this amount was taken from the Contingency Fund spent under this very Head. No provision was made in the original budget; this is my point; that is why, this Demand is absolutely out of order.

Mr. Deputy Speaker—It is an explanatory note; it is only explaining the nature of the expenditure; this is not the item of the Head-District Administration. It is legally permissible; only the explanatory note is given showing the nature of the expenditure. This is only an item of expenditure; but the head is—District Administration (General Establishment); this is a permissible Head.

Shri Giasuddin Ahmed—In the original budget, detailed estimate has been given under this detailed estimate, we do not find any item like this. This is absolutely a new item. With regard to this Supplementary Demand, the Budget manual is quite clear. It States—"No expenditure under any particular Head, major, minor or subhead against which no provision exists in the budget as passed by the Assembly can be incurred". My submission is under this Head, no such provision exists for expenditure in connection with the visit of any dignitories, not to speak of the Prime Minister; it might come under some other Head; but it does not come under this head; that is my submission; that is why this Demend is out of order.

Shri Sarat Chandra Sinha (Chief Minister)—It cannot

come under other head; it is the only head under which it should come. Please refer to Head at page-60 of the Budget; the e the Head mentioned is District Administration, General Establishment, Contingency etc.

Mr. Deputy Speaker—The Head is O. K. That is why there is no ground for point of order; it is simply an explanatory note.

Shri Giasuddin Ahmed—Sir, do you rule out my point of order ?

Mr. Deputy Speaker—Yes.

Moulana Abdul Jalil Choudhury—উপাধ্যক্ষ মহোদয়, আমি বিশেষ ভাবে প্রধানমন্ত্রী শ্রীমতী ইন্দিরা গান্ধীর পরিভ্রমণের উপর দোষারূপ করা হয়েছে। সেই সম্পর্কে কয়েকটি কথা বলতে চাই। প্রধানমন্ত্রী শ্রীমতী ইন্দিরা গান্ধী কেবল যে একটা দলের নেত্রী তা নয়, তিনি সমগ্র ভারতবর্ষের প্রধানমন্ত্রী। তিনি সমগ্র ভারতের জনগণের মঙ্গল চিন্তা করে থাকেন। তিনি শুধু একজন সামান্য মহিলা নয়। তাই এই সদনের একজন মহিলা সদস্যর দ্বারা তিনির সমালোচনা হইবে বলিয়া আমি আকৌ আশাকরি নাই। প্রধানমন্ত্রী মহোদয়া একজন স্বনামখ্যাতা, বিশ্ব বিখ্যাত দেশনেত্রী। তিনির দ্বারা সমগ্র মানব জাতি আজ উপকৃত এবং বিশেষ করে ভারতের জনগণ আজ তিনির কাছে চির-কৃতজ্ঞ। সেই বিশিষ্টা মহিলার বাসস্থান যদি জনগণের কাছ থেকে কিছু দূরে হয়, তাহলে জনগণের হিতের কাজের জন্য তাঁকে ভ্রমণ করতেই হবে। সেই ভ্রমণের জন্য যদি আসামের জনসাধারণ বা আসাম সরকার কিছু অতিরিক্ত খরছ বরেই থাকেন তবে তাহাতে অপব্যয়ের কিছু নেই। আর আমি বিশ্বাস করি না ইহাতে কোন সদস্য দ্বিমত হইবেন। তাই এই যে খরছ হলো যে টাকা তার চেয়ে যদি আরোও বেশী খরচ হতো তাহলেও আমাদের জনসাধারণ অখুশী হতো না। এই মহিলার সৎসাহসের ও আদর্শ দ্বারাই বাংলাদেশের কোটি কোটি মানুষ আজ নতুন

ভাবে জীবন যাপন করতে পারছেন। নিজের নীতির প্রচার করা এবং রক্ষা করার প্রত্যেক দলেরই ধর্ম। তিনি Election সময়ে কিংবা অন্য যে কোন সময়ে সুযোগ বুঝো তাঁর নীতি প্রচার করেন এটা তাঁর কর্ত্তব্য। কারণ সময় এবং সুযোগ গ্রহণ করা নীতিবিদ্দেরই কর্ত্তব্য। গতিকেই তাঁর এই নীতি প্রচার শুধু আসামের জন্যে নয় সমগ্র পৃথিবীর জনগণের হিতের জন্য। এবং আমাদের প্রধানমন্ত্রীর নীতিকে সমর্থন করা, তিনির নীতি প্রচারের জন্য সকল প্রকার সুবিধা, অর্থব্যয় ইত্যাদি করা হয়েছে। কংগ্রেস প্রতিষ্ঠানের সৌভাগ্য যে ভারতে যখনই কংগ্রেসের নেতা নির্বাচিত হয়েছেন এমন সব লোক নির্বাচিত হইতে পেরেছেন যাহারা বহিভারতেও মহামানব হিসাবে পরিচিত। তাই তাদের ভ্রমণে যে কোন ভারতীয় রাজ্যের আর্থিক ব্যয় অসঙ্গত বলিয়া আমি আকৌ মনে করি না। আমার এই শেষ।

Shri Giasuddin Ahmed—Mr. Deputy Speaker, Sir, he has gone beyond his scope. ( interruptions )

Mr. Deputy Speaker—Yes, yes.

শ্রীশৰৎ চন্দ্ৰ সিংহ—উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীকবিৰ চন্দ্ৰ ৰয় প্ৰধানী ডাঙৰীয়াই এটা বৰ তাৎপৰ্য্যপূৰ্ণ কথা কৈছে। সেই কথাটো হৈছে জনতাৰ যুক্তি থকাৰ কাৰণে, জনতাৰ বিচাৰ বুদ্ধি থকাৰ কাৰণে, জনতাক ভুৰুকিয়াব নোৱাৰো। জনতাৰ যি বিচাৰ বুদ্ধি আছে, সেই বিচাৰ বুদ্ধিৰে জনতাই সকলো খিনি বিচাৰ কৰে। তেখেতে ৰামায়নৰ ৰাম ৰাবনৰ যুদ্ধৰ কথা উল্লেখ কৰিছে। মেঘনাথে আকাশৰ পৰা যুদ্ধ কৰিও জিকিব নোৱাৰিলে। আচলতে কথাটো মেঘনাথে আকাশত থাকি যুদ্ধ কৰাৰ কথা নহয়. কথাটো হল তেখেতে যুদ্ধ কৰাৰ নীতিটো। তেখেতে যি নীতিৰ ওপৰত ভিত্তি কৰি যুদ্ধ কৰিছিল সেই নীতিৰ কাৰণেই জিকিব পৰা নাছিল। মইনুল হক চৌধুৰী নিৰ্ব্বাচনী প্ৰচাৰ কাৰ্য্যৰ কাৰণে হেলিকপ্টাৰেৰে আহিছিল। আৰু এওঁ জিকাৰ মূলতে কথা হ'ল তেখেতৰ নীতি। তেখেতে আৰু এটা কথা কৈছে যে এসময়ৰ শক্তিশালী মন্ত্ৰী শ্ৰীবৰেন বসুমতাৰী আৰু শ্ৰীবিশ্বদেৱ শৰ্মাই নিৰ্বাচনত পৰাজয় বৰণ কৰিলে। এই প্ৰশ্নটোৰ উত্তৰ তেখেতেই দি গৈছে। এসময়ৰ শক্তিশালী মন্ত্ৰী বৰেন বসুমতাৰী আৰু বিশ্বদেৱ শৰ্মাই নিৰ্বাচনত পৰাজয় বৰণ

কৰাৰ দৰে শ্ৰীশৰৎ চন্দ্ৰ সিংহয়ো পৰাজয় বৰণ কৰিব পাৰে, যদি ৰাইজৰ তেখেতৰ নীতিৰ ওপৰত আস্থা নাথাকে। আমি মন্ত্ৰী সভা নিৰ্বাচনৰ আগতে ভাঙি দি তদৰ্থ মন্ত্ৰী সভা গঠন কৰিলে জনতাৰ বিচাৰ বুদ্ধিত আঘাট হনা হয়। আৰু জনতাৰ বিচাৰ বুদ্ধিক আওকান কৰি যি কোনো চৰকাৰ নহওক তেওঁলোকে যদি জনতাক বিভ্ৰান্ত কৰে। চৰকাৰৰ ক্ষমতা প্ৰয়োগ কৰিবলৈ বিচাৰে তেনেহলে তেওঁলোক কেতিয়াও কৃতকাৰ্য্য হব নোৱাৰে। কাৰণ আমাৰ সংবিধান আছে, আমাৰ সংসদ আছে আৰু ভাৰতবৰ্ষৰ সমূহ ৰাইজ আছে। সেই কাৰণে এই প্ৰশ্নটো ইয়াত নাহে।

প্ৰধান মন্ত্ৰীৰ খৰচৰ সম্পৰ্কত যোৱাবাৰৰ বিধান সভাতো আলোচনা হৈ গৈছে। আৰু মৌলানা জেলিল চাহাবেও এই বিষয়ে কৈ গৈছে। প্ৰধান মন্ত্ৰীৰ ভ্ৰমণৰ আৱশ্যকীয় খৰচ চৰকাৰে কৰিব লাগে। তাক নকৰাৰ কোনো উপায় নাই। প্ৰধান মন্ত্ৰী আজি কংগ্ৰেছৰ নেতৃত্বত আছে বুলি নহয়, যি কোনো প্ৰধান মন্ত্ৰী নহওক ভাৰতবৰ্ষৰ জনতাৰ নেতা হিচাবে সকলো প্ৰকাৰৰ আৱশ্যকীয় ব্যৱস্থা কৰা চৰকাৰৰ দায়িত্ব আৰু ৰাইজৰো দায়িত্ব। সেই ফালৰ পৰা যি খিনি ভ্ৰমন উদ্দেশ্যে খৰচ কৰিব লগীয়া হৈছিল সেই খিনি কৰা হৈছিল। এই খৰচ কিছু ৰাজনৈতিক দলৰ পৰাও বহন কৰাৰ ব্যৱস্থা আছে। যিটো ৰাজনৈতিক দলৰ প্ৰচাৰ কাৰ্য্য চলাবলৈ আহিছিল সেইটো দলেও কিছু পৰিমাণৰ টকা বহন কৰিব লাগিব। আৰু যি খিনি চৰকাৰে বহন কৰিব লাগে সেই খিনি চৰকাৰে কৰিব। এই খিনি খৰচৰ লগত যোৱা বাৰ বিধান সভাত যি খৰচ উথাপন কৰা হৈছিল তাত ডিব্ৰুগড়, নগাওঁ, যোৰহাট, গুৱাহাটী আৰু গোলাঘাট, লগতে তেজপুৰ, চিলচৰ আদি জিলাৰ কথা অহা নাছিল। এই বিলাক খৰচৰ হিচাব এতিয়া আহিব ধৰিছে। এই খিনি মঞ্জুৰি কৰিবলৈ মই সদনক নিবেদন জনাইছো। শ্ৰীমইনুল হক চৌধুৰী হেলিকপ্টাৰে অহাৰ কোনো খৰচ চৰকাৰে বহন কৰিব নালাগে আৰু কৰাও নাই। এইটো ৰাজনৈতিক দলৰ পৰা খৰচ কৰিছে আৰু কিমান টকা খৰছ কৰিছে সেইটো সেই দলটোৱেহে জানে। আমাৰ ফালৰ পৰা সেইটো কোৱা সম্ভৱ নহয়। এই খিনি কথা কৈয়ে মই

মাননীয় সদস্য সকলক অনুৰোধ কৰো যেন তেখেত সকলে এই দাবীটো গ্ৰহণ কৰে।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী—আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ কথাৰ পৰা আমি এইটো জানিব পাৰিছো যে প্ৰধান মন্ত্ৰীৰ ভ্ৰমণৰ বাবদ হোৱা খৰচৰ কিছু অংশ দলে বহন কৰিছিল আৰু গোটেই খিনি হিচাব বিভিন্ন জিলাৰ পৰা পোৱা হৈছে যেতিয়া চৰকাৰে কংগ্ৰেছ দলক কিমান দিছে সেইটো কথা আমি জানিব বিচাৰিছো।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—এই টকা দলৰ পৰা আমি আদায় কৰাৰ ব্যৱস্থা কৰিছো।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী—আজি যিটো টকাৰ মঞ্জুৰি দাবী ধৰা হৈছে। সেই টকাটো দলৰ পৰা পাবলগীয়া টকাটো বাদ দি ধৰা হৈছেনেকি?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—হয়।

Govt. expenditure on public address system and any decorative arrangements should he met by the political party concerned. In regard to the construction of rostrums in view of the security considerations only 25% of the cost of construction or Rs. 2500.00 whichever is less may be recovered from the political party concerned.

আৰু যদি ৰোষ্টামৰ বাবদ শতকৰা ২৫ ভাগ কম অৰ্থাৎ আঢ়ৈ হাজাৰ টকাৰ বেচি হয় তেনেহলে এই কম টকাটো ৰাজনৈতিক দলৰ পৰা আদায় কৰা হয়।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ—প্ৰধান মন্ত্ৰীৰ ভ্ৰমণত কিমান টকা খৰচ হৈছিল আৰু তাৰ কিমান টকা কংগ্ৰেছ দলে বহন কৰিবলৈ বিল দিয়া হৈছে।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ—সেইটো হিচাৰ মোৰ হাতত নাই। পিচত দিব পৰা হব।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ এই হিচাবটো যেন পিচত আমাক দিয়ে।

Mr. Deputy Speaker—Now, I put the Cut Motion.

( after a pause )

The Cut-motion is lost.

Now, I put the main Motion. The Motion is

that "an additional amount of Rs. 1,57,642 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1973, for the administration of the head "19.-General Administration ( III-Commissioners and District Administration )".

( The Motion was adopted )

Adjournment

The House then adjourned for Lunch till 2 p. m.

The Assembly re-assembled in the Assembly Chamber at 2.05 P. M. with the Deputy Speaker in the Chair.

The Deputy Speaker—Now grant No. 2.

Shri Sarat Chandra Sinha ( Chief Minister )—On the recommendation of the Governor of Assam, Sir, I beg to move that an additional amount of Rs. 1,00,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1973 for the administration of the Head "19—General Administration ( V- Local Fund Audit Establishment and Accounts offices )".

শ্ৰীসোনেশ্বৰ বৰা—মাননীয় উপাধ্যক্ষ মহোদয়, মই গ্ৰাণ্ট নং- ২ৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰি কব বিচাৰিছো যে যি সময়ত আমাৰ চৰকাৰে ব্যয় সংকোচন নীতি হিচাবে গ্ৰহণ কৰিছিল সেই সময়ত কেনেকৈ এনেকুৱা ধৰণৰ উপৰঞ্চি ভাট্টা আদি দিবলগীয়া হৈছে। সেই সংক্ৰান্তত আমি আজি আচৰিত আৰু স্তম্ভীত হৈছো। আগৰ বিধান সভাৰ অধিবেশনত যেতিয়া মূল বাজেটখন পাচ কৰা হৈছিল সেই সময়ত আৰু পিচৰ সময়চোৱাত চৰকাৰৰ ফালৰ পৰা কোৱা হৈছিল যে ভৱিষ্যতলৈ

চৰকাৰে ভ্ৰমণ আদি কমাব বা বাতিল কৰিব। কিন্তু এতিয়া সেই ক্ষেত্ৰত দেখা গৈছে চৰকাৰৰ সেই নীতি অবমাননা কৰিছে। আৰু ইয়াৰ ভিতৰত বহুতো দুৰ্নীতি বা অভিসন্ধি চলিছে যাৰ ফলত এই কেই-মাহৰ ভিতৰত উপৰঞ্চি মঞ্জুৰি বিচাৰিছে। ইয়াৰ উপৰিও আৰু এটা কথা আছে যিটো বাখ্যামূলক টোকাৰ উপনিৰ্মিত্ত ৬ ত কোৱা সদৰ আৰু চাৰ্কোল কাৰ্য্যালয় সমূহৰ ঘৰ ভাৰা বিষয়টো।

আজি ঘৰ ভাৰা কথাটো চৰকাৰৰ এটা ব্যাধিব দৰে হৈছে। এই বিষয়ে আগেও আলোচনা কৰা হৈছে। চৰকাৰে অফিচ ঘৰৰ কাৰণে ঘৰ ভাৰা লওতে আৰু ভাৰা ধাৰ্য্য কৰোতে দুৰ্নীতিক প্ৰশ্ৰয় দিয়ে। এইটো পৰিলক্ষিত হৈছে যে বহুতো চৰকাৰী কৰ্মচাৰীয়ে নিজৰ নামত ঘৰ নকৰি বেইমানি কৰি ঘৰ কৰে আৰু সেই ঘৰকে ভাৰাত দিয়ে। হাতত ব্লেক মনি থকা সকলে এনেকৈয়ো ক'লা ধন বগা কৰে। তাৰোপৰি বিচাৰ বিভাগৰ মুনচিফ বা ই, এ, চি আদিৰ নিচিনা যি সকল উচ্চ বিচাৰক বা বিষয়াই যি বিলাক মালিকৰ পৰা ভাৰা লয় সেই মালিক সকল সাধাৰণতে মহাজন আৰু তেওঁলোকৰ ঘৰ লোৱাৰ কাৰণেই স্বভাৱতে তেওঁলোকৰ প্ৰতি এটা দুৰ্বলতা থাকে আৰু বিচাৰৰ ৰায়ৰ ক্ষেত্ৰত সেই দুৰ্বলতাই ঠাই পায়।

চৰকাৰে এটা ঘৰ যদি ১০ বছৰ ভাৰা দিছে তেন্তে তাৰ সলনি সেই ধনেৰে এটা ঘৰেই সাজিব পৰা হয়। পি, ডব্লিউ, ডি, বিভাগে ঘৰৰ ভাৰা নিৰ্ণয় কৰি দিয়ে যদিও সেই ভাৰা নিৰ্ণয়ত সোঁহাতে-বাওঁহাতে কিবা-কিবি কৰি গোটেই বিলাকতে এটা দুৰ্নীতিৰ মাজত চলি থকাৰ উপায় হৈ পৰিছে। গতিকে এনেকুৱা ধৰণেৰে ভাৰা দিয়াৰ ব্যৱস্থা যদি চলি থাকে আৰু পিচ দুৱাৰে কৰা ব্যৱস্থা চলি থাকে তেন্তে কোনো ধন বেহাই কৰিব নোৱাৰে আৰু দুৰ্নীতি আতঁৰাব নোৱাৰে। তুমাহৰ আগতে মূল বাজেট আমি পাচ কৰিছো। মূল বাজেটত এই খৰচৰ বাজেট নদাৰ ৰহস্য আছে। এইখিনি হব পৰা খৰচ মূল বাজেট উত্থাপন কৰোতেই জানিব লাগিছিল। আগ দুৱাৰে অনা বাজেটত মঞ্জুৰিত দুৰ্নীতি বা আত্মীয় স্বজনৰ সুবিধা থকাতকৈ পিচ দুৱাৰে অনা বাজেটত বেচি দুৰ্নীতিৰ

সুবিধা হয়।

গতিকে মই কৰ্তন প্ৰস্তাৱটো উত্থাপিত কৰি এই দাবীৰ মঞ্জুৰিৰ বিৰোধীতা কৰিছো।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী—উপাধ্যক্ষ মহোদয়, এইধৰণৰ শাসন সম্পৰ্কে চাপ্লিমেণ্টৰী ডিমাণ্ডত টকা ধৰাত আমাৰ আপত্তি নাই। কিন্তু আপত্তি হৈছে কিছুমান পুৰণি কলীয়া প্ৰশাসন ব্যৱস্থা যি বৃটিছৰ আমোলত একোখন জিলাত প্ৰায় ১৬ লাখ. ২০ লাখ, ২৫ লাখ, ২৮ লাখ আৰু এনেকি ৩০ লাখ জনসংখ্যা থকা একোখন জিলাৰ সম্পূৰ্ণ দায়িত্ব জিলাধিপতিৰ ওপৰত নিৰ্ভৰ কৰিছিল। এনে ধৰণৰ জনসংখ্যা বহুল একোখন জিলাৰ সম্পূৰ্ণ দায়িত্ব একোজন জিলাধিপতিৰ ওপৰত প্ৰযোজ্য নহয়। জনসংখ্যা ক্ৰমান্বয়ে বাঢ়ি গৈছে, ৩০ লাখৰ ওপৰ একেখন জিলাৰ সম্পূৰ্ণ ভাৰ একেজন জিলাধিপতিৰ ওপৰত নিয়োগ কৰাটো উচিত হোৱা নাই। এই ক্ষেত্ৰত চাব-ডিভিজন বিলাক জিলাত পৰিণত কৰাৰ কথা চলিছে। গতিকে মহকুমাবোৰ জিলাত পৰিণত কৰি একোজন ক্লাচ ওৱান অফিচাৰৰ অধীনত দিলে আমাৰ জিলাত থকা এ চি এচৰ যিটো জামালা সেইটো ততকালে কমি যাব। মহকুমাৰ পৰা কোনো এটা কথা পোনে পোনে ৰাজধানীলৈ নাহে। কোনো এটা কথা ৰাজধানীলৈ আহিবলৈ হলে পোনতে জিলালৈ আহিব লাগে, তাৰ পিচত জিলাধিপতিয়ে ৰাজধানীলৈ পঠিয়ায়। এই ব্যৱস্থা অনতি পলমে আতঁৰাই দিব লাগে। মহকুমাবিলাক জিলাত পৰিণত কৰি নিয়োগ আয়ৰ যিটো ৰাস্তা সেইটো পোনপতীয়া কৰিব লাগে। ঘৰ ভাৰা দিছে, অফিচাৰ নিয়োগ কৰিছে তাৰ পৰা আমাৰ জনসাধাৰণৰ কিমানখিনি উপকাৰ হৈছে? আমি দেখিছো চাৰ্কোল বিলাকত বহুত টকাৰ অপচয় হৈছে যদিও তেওঁলোকে ভ্ৰমণ বানচ নাই বুলি কৈছে। এই সম্পৰ্কে কোনো প্ৰপাৰ ভিজিলেন্স হোৱা নাই। গোলকগঞ্জ চাৰ্কোলত প্ৰায় ২ লাখ টকা আত্মস্যাৎ কৰিছে। তাৰ অনুসন্ধান কৰিবলৈ কোৱাত এচ ডি চিয়ে কৈছে তেওঁৰ গাড়ী নাই।

এইটোৱেই হৈছে আমাৰ জেনেৰেল-এড্‌মিনিষ্ট্ৰেশ্যন। ইয়াৰ লগত সংশ্লিষ্ট সকলো দোষ ত্ৰুটি দূৰীকৰণ কৰিবলৈ চেষ্টা কৰিব লাগে। আজি ডি, চি, এচ, ডি, চি আদি বিষয়া সকলৰ হাততনো কি ক্ষমতা আছে?

প্ৰকৃত পক্ষে তেওঁবিলাকৰ হাতত একোৱেই ক্ষমতা নাইকিয়া। যিবিলাক টকা খৰচ হয় সেইবিলাক যাতে 'প্ৰডাক্টিভ স্কীমত' খৰচ হয় সেইটোহে চাব লাগে। আঁচনিৰ টকা বিলাক খৰচ কৰোতে এইটো চাব লাগে যে, প্ৰশাসনীয় যন্ত্ৰটো পৰিষ্কাৰ হয় যাব দ্বাৰা প্ৰত্যক্ষ ভাৱে ৰাইজৰ উপকাৰ হয় আৰু চৰকাৰৰো ভাল হয়। সেই কাৰণেই কৈছোঁ যে কেৱল এজন ডেপুটি-এক্‌জামিনাৰ ৰাখিলেই তাৰ দ্বাৰা কি হব? জিলাৰ পৰ্য্যায়ত 'ৰিলিফ' আদিৰ সংক্ৰান্তত যিটো চলি আছে সেইটো কোৱা নচলে। টিপ-চহীৰ কোৰ ক্ৰমান্বয়ে বাঢ়িছে যায়। ৰাজধানীলৈ আহিলেটো আৰু হাজাৰ গুণে বাঢ়িব। এইটো সদায়েই হৈ আছে। জিলা পৰ্য্যায়ৰ গোটেই বিলাক কাম পৰিদৰ্শন কৰিব লাগে ডি, চি-এ। প্ৰকৃতপক্ষে প্ৰত্যক্ষভাৱে এইবিলাক পৰিদৰ্শন কৰা হয় নে নহয়? সেই-টোৰ প্ৰতি শ্বিলঙৰ পৰা গৈ আমাৰ 'কেবিনেট' পৰ্য্যায়ৰ মন্ত্ৰীকে আদি কৰি চৰকাৰৰ উৰ্দ্ধতন কৰ্তৃপক্ষই প্ৰত্যক্ষভাৱে দৃষ্টিপাত কৰাটো নিতান্তই উচিত। এইটোকে গৈ নকৰাৰ কাৰণে যি সকল লোক আমাৰ পিছ-পৰা সাধাৰণ মানুহৰ ওপৰত প্ৰশাসক হৈ বহি আছে, তেওঁলোকৰ ভিতৰত সহজে দুৰ্নীতি সোমোৱাটো স্বাভাৱিক। দুৰ্নীতিৰ ক্ষেত্ৰত আমি দেখিছোঁ যে বিষয়া সকল যাবলগীয়া জেগালৈ নোযোৱাকৈয়ে কাগজে-পত্ৰে তাৰ প্ৰমাণ দেখুৱাই টি, এ আদি লৈ থাকে। আজিৰ দৰে বৈজ্ঞানিক দিশত অগ্ৰগতিৰ দিনত শ্বিলঙত বহি টেলিফোন কৰিয়েই সকলো বিলাক গাওঁ আৰু অঞ্চলৰ সকলো খবৰ-বাতৰি লব পৰা যায়, যি যুগত পাঁচ মিনিটৰ ভিতৰতে ভাৰতবৰ্ষৰ ইমূৰ-সিমূৰ অহা-যোৱা কৰিব পাৰি, যি যুগত শ্বিলঙত বহি বহিয়েই এখন গাৱঁত বা জিলাতেই হওঁক বা মহকুমা পৰ্য্যায়তেই হওঁক, কি ধৰণৰ প্ৰশাসন চলিছে তৎকালেই সেইটো বুজি-শুনি তাৰ বিহীত উপায়ৰ ব্যৱস্থা কৰিব লাগিছিল বা সেইটো কৰা উচিত আছিল। এইটো কৰা কিবা এটা বৰ বিৰাট কথা বুলি মই কেতিয়াও ভাৱিব নোৱাৰো। এতিয়াতো আৰু আগৰ নিচিনা মোগল বাদছাহ আদিৰ যুগ নহয় যে, বিশেষ কোনো সমস্যাৰ কাৰণে হঠাৎ কোনো এখন ঠাইলৈ যাবলগীয়া হলে ঘোৰা চেকুৰাই যাব লাগিব বা হয়তো গৈ পাওঁতেও সাতদিন, সাতৰাতি লাগিব। তথাপিও সেই

যুগৰ তেনেকৈয়ে আজিতকৈ ভাল প্ৰশাসনেই চলিছিল। আজি ৰাজধানীৰ পৰাই মন্ত্ৰীসকলে বিভাগৰ কৰ্ত্তৃপক্ষক সুধিব। উত্তৰত সংশ্লিষ্ট-বিভাগৰ কৰ্ত্তৃপক্ষই আচল স্বৰূপটো নজনাকৈয়ে কৈ থব যে, সকলো থিকেই আছে, কাম-কাজ সকলো ভালদৰেই চলিছে, বস্তু-বাহানীৰ বজাৰ দামো থিকেই আছে ইত্যাদি। বচ্, তাতেই সকলো খতম। বাহিৰতো ওলাব—প্ৰশাসনো থিকেই চলি আছে। কিন্তু ইপিনে যে, অন্ন-বস্ত্ৰহীন হৈ দুখীয়া নিচলা, নিষ্পেষিত ৰাইজ, গাৱঁত কি অৱস্থাত পৰি আছে সেইটোৰ গম কোনেও নেপায়। প্ৰশাসনীয় যন্ত্ৰৰ উপযুক্ত 'ভিজিলেন্সৰ' অভাৱতে সেইলোক সকলে তেনেকৈয়ে দুৰ্যোগ ভোগ কৰি আছে। এইবিলাক কথা কাউন্সিল পৰ্য্যায়ৰ মন্ত্ৰীৰ পৰা আৰম্ভ যি নতুন পোহৰৰ ধাৰণা দিছে- সি জীয়াই থাকিব বুলি আশা কৰিব নোৱাৰি। ইতিমধ্যেই ৰাইজৰ মনত তেনেকুৱা এটা বাতাবৰণৰ সৃষ্টি হৈছেই। গতিকেই মই প্ৰশাসনীয় প্ৰয়োগ ব্যৱস্থা যাতে মন্ত্ৰী সকলে ভালদৰে নিৰীক্ষণ কৰে যাৰ দ্বাৰা এই অৰ্থব্যয় যাতে ৰাইজৰ কামত আহিব পাৰে—তাকে আমি আশা কৰোঁ। এই কৰ্ত্তন প্ৰস্তাৱটো মই সমৰ্থন কৰিছোঁ। সমৰ্থন কৰিছোঁ উপায়ান্তৰ হৈহে, কিয়নো ভোট ললেতো আমি হাৰিমেই। গতিকে সমৰ্থন নকৰি আৰু উপায় নাই। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰি বহিলোঁ।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী —মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে চৰকাৰৰ অৱস্থিতিৰ সম্পৰ্কে যি কেইটা উত্থাপন কৰিছে, সেইকেইটা দাবীটোৰ লগত কোনো সম্পৰ্ক নোহোৱা কথা। সেই কাৰণেই মোৰ বোধেৰে, তাৰ উত্তৰ নিদিলেও হব। ইয়াত যিটো দাবী উত্থাপন কৰা হৈছে সেইটো হৈছে লোকেল ফাণ্ড, অডিট-এষ্টাব্লিছমেণ্ট আৰু একাউণ্টছ-অফিচেছৰ সম্পৰ্কতহে। মাননীয় সদস্য শ্ৰীবৰাদেৱে যিখিনি কথা উত্থাপন কৰিছে, নীতিগত ভাৱে সেইখিনি ময়ো সমৰ্থন কৰিছোঁ। কিন্তু কাৰ্য্য পৰিচালনা কৰিবলৈ যাওঁতে আমি কিছুমান বিশেষ পৰিস্থিতিৰ সন্মুখীন হবলগীয়া হৈছোঁ। ইয়াৰ ভিতৰত আছিল—এজন ফানেন্সিয়েল-এড্ভাইজাৰৰ কাৰ্য্যকাল শেষ হোৱাত তেখেতক তাত আৰু সেই হিচাবে ৰাখিব

খোজা নাই। সেই কামটো যাতে দক্ষতাৰে পালন কৰিব পাৰে তাৰ কাৰণে এজন ডেপুটি একজামিনাৰৰ কথা চিন্তা কৰা হৈছে। সেই ডেপুটি-একজামিনাৰজন আগতকৈ অলপ ওখ খাপৰ হব। এই ডেপুটি-একজামিনাৰৰ কাৰণে আমি ইয়াৰ আগতে বাজেট উত্থাপন কৰোতে ধৰা হোৱা নাছিল। এতিয়া সেইটো সন্নিবিষ্ট হোৱাৰ কাৰণেই ওপৰঞ্চি আৰু টকাৰ দৰ্কাৰ হৈছে। থাকিবৰ কাৰণে ঘৰো দিয়া হৈছে। ঘৰ ভাৰাৰ কথাটো ভাল কথা নহয় চৰকাৰৰ তৰফৰ পৰাটো ঘৰ দিব পৰা হলে ভালেই আছিল। কিন্তু পৰিস্থিতিত পৰি সেইটো কৰিব পৰা হোৱা নাইকিয়া। সেই কাৰণেই আজি ঘৰ ভাৰাৰ কথাটো উঠিছে, এলাউৰেন্স, অনাৰেৰিয়াম আদিৰ কথাবোৰ উঠিছে। সেই কাৰণেই প্ৰশাসনীয় ক্ষেত্ৰত ওপৰঞ্চি টকাৰ প্ৰয়োজন হৈ পৰিছে। সেই কাৰণেই এই দাবী উত্থাপন কৰা হৈছে। তেনেকুৱা বিশেষ কথাবোৰ অৱশ্যে ইয়াত নাই। প্ৰয়োজনীয় কথাবোৰ বিবেচনা কৰি মাননীয় সদস্য সকলক সেইবোৰ গ্ৰহণ কৰিবলৈ মই মাননীয় সদস্য সকলক অনুৰোধ জনাইছোঁ। ইয়াকে কৈ মই উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱটো উঠাই লবলৈ অনুৰোধ জনাইছোঁ।

Mr. Deputy Speaker—I put the cut motion to vote. I need not read the cut motion because it is already with you.

( The cut motion was lost )

Now, I put the main demand. The question is that an additional amount of Rs. 1,00,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1973 for the administration of the head "19.- General Administration ( V-Local Fund Audit Establishment and Accounts Offices )".

( The motion was adopted )

Now demand No. 3.

Shri Syed Ahmed Ali—Sir, I move demand No. 3.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ—উপাধ্যক্ষ মহোদয়, এইটো এটা প্ৰশাসনিক আৰু মৌলিক কথা আৰু এইটো মৌলিক সত্য যদিও এই ব্যয় সংকোচনৰ নামত বিচাৰ-পতি সকলক বা ন্যায়ধীশ পদ বিলাক খালি ৰখা হয় তেতিয়াহলে জনসাধাৰণৰ প্ৰতি মোৰ অন্যায় কৰা হব কাৰণ তেওঁলোকে প্ৰকৃত বিচাৰ পোৱাত যথেষ্ট পলম হয় আৰু পলম হোৱাৰ অজুহাত লৈ কেতিয়াবা বিচাৰেই পোৱা নাযায়। এই বিচাৰপতি বা দণ্ডাধীশ সকল বহু দিন পদত নথকাৰ ফলত আদালতৰ কামত যিসকল মানুহে বিচাৰ পাম বুলি আদালতলৈ বাৰ বাৰ আহ-যাহ কৰি থাকে সেই সকলে নান ধৰণৰ জীয়াতু ভুগিব লগিয়া হয় তেওঁলোকে উকীল, মহৰীক ফিজ দিওঁতে দিওঁতে হায়বাণ হবলগিয়া হয়। সেই কাৰণে বিচাৰপতি সকলক সোনকালে পদত নিয়োগ কৰিব লাগে। অকল এই নহয় কোনো কোনো ঠাইত কিয় ১।২ মাহ আনকি বছৰ দুবছৰ ধৰি মহকুমা আৰু জিলা পৰ্য্যায়ত বিচাৰপতি নোলোৱাকৈ পদ খালি ৰখা হৈছে। উদাহৰণ স্বৰূপে নলবাৰীতেই বৰপেটা মহকুমাৰ এজন সহকাৰী চেচণ্ড জাজক চাৰকুইট কৰিবলৈ দিয়া হৈছে ফলত দুয়োটা মহকুমাতেই খেলিমেলি লাগিছে। যেতিয়া বৰপেটাৰ মানুহে তেওঁক বিচাৰে তেতিয়া তেওঁ হয়তো নলবাৰীত থাকে, আকৌ নলবাৰীৰ মানুহে বিচাৰিলে তেওঁক নল-বাৰীত নাপায়, গতিকে এইটো এটা অবিচাৰ কৰা হৈছে। সেই কাৰণে প্ৰতিটো মহকুমাতে সহকাৰী বা চেচণ্ড জাজ্জ ৰখাৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত মই এটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰো সেইটো আমাৰ চৰকাৰে অলপতে পঞ্চায়ত আইন তৈয়াৰ কৰিলে, এই পঞ্চায়ত আইনৰ আদালতত বিচাৰ কৰাৰ কাৰণে ব্যৱস্থা কৰা হৈছে। তাত যি ব্যৱস্থা কৰা হৈছে সেই মতে তাত দেখা যায় যে তাত এপিয়েলৰ কোনো ব্যৱস্থা নাই। কিন্তু সহকাৰী বিচাৰপতি আৰু চেচণ্ড জাজ্জয়ে ৰিভিউ কৰাৰ ব্যৱস্থা আছে। গতিকে প্ৰতিটো মহকুমাতে যদি সহকাৰী বা চেচণ্ড জাজ্জ ৰখা নহয় তেতিয়াহলে অনেক ৰকমৰ অসুবিধাৰ সৃষ্টি হব পাৰে। আন এটা দৰকাৰী কথা হ'ল হাইকোৰ্টৰ পৰা আমাৰ ন্যায়ধীশ বা দণ্ডাধীশ সকললৈ একোটা নিৰ্দেশ দিয়া আছে যাতে তেওঁলোকে সৰ্ব-

সাধাৰণ লোকৰ লগত বেচিকৈ মিলা-মিচা কৰিব নোৱাৰে। অথচ চৰকাৰে সেই সকলক থকা ঘৰ দিব নোৱাৰাৰ ফলত সেই দণ্ডাধীশ বা মুন্সিফ সকলে ভাড়া ঘৰ বিচাৰি য'তে ত'তে থাকিবলগিয়া হয় আৰু তেওঁলোকে সেই ক্ষেত্ৰত সৰ্বসাধাৰণ লোকৰ লগত মিলা-মিচা কৰিবলৈ বাধ্য হয়। তেনে ধৰণৰ এলেকাত বাস কৰিবলৈ যোৱাৰ কাৰণে তেওঁলোকে মিলা-মিচা কৰাটো স্বাভাৱিক। মই আন এটা লৈ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। আমাৰ নলবাৰী মহকুমাতে এটা কোৰ্টবিল্ডিং নিৰ্মান কৰা হৈছিল তাত কিন্তু কোনো ধৰণৰ বিটাযাৰিং ৰুমৰ ব্যৱস্থা নাই। চাহপানী খাবলৈ কোনো কেন্টিনৰ ব্যৱস্থা নাই অথচ ৰাতিপুৱাৰ পৰা কাম কৰাৰ পাচত মাজতে আধা ঘণ্টামানহে আজৰি পোৱা যায় সেই খিনি সময়তো চাহ এটোপা খাবলৈ ওচৰত কেন্টিন ৰুমৰ সুবিধা নাই। বাৰ লাইব্ৰেৰী লৈ যাবলগিয়া হয়। কোনো কমফোৰ্ট ৰুমৰ ব্যৱস্থা নাই। এনে এটা অৱস্থাত নলবাৰী কোৰ্ট বিল্ডিংটো পৰি আছে। য'ত নেকি আমাৰ চৰকাৰৰ ফালৰ পৰা বা কোনো মন্ত্ৰী তালৈ পদাৰ্পন কৰা নাই। এবাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী চৌধুৰী ডাঙৰীয়া তালৈ গৈছিল আৰু সেই কোৰ্ট বিল্ডিঙৰে বাৰ লাইব্ৰেৰীত ভাষণ দিছিল। তেতিয়াই উকীল সন্থাই তেখেতৰ ওচৰত আবেদন পত্ৰ দিছিল আৰু তেওঁ-লোকৰ ঘৰ-বাৰি ইত্যাদি সা-সুবিধা দিবৰ কাৰণে চৰকাৰৰ ওচৰত অনুৰোধ জনাইছিল। কিন্তু আজিকোপতি তেনেধৰণৰ সুবিধা তেওঁলোকক দিয়া হোৱা নাই। তাৰোপৰি চৰকাৰৰ যিখন ৰাজপত্ৰ সেইখন যাতে প্ৰতি উকীল সন্থালৈ বিনামূলিয়াকৈ যোগান ধৰাৰ অনুৰোধ জনাইছিল। মই আৰু এটা কথাৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো সেইটো হ'ল আমাৰ আদালত বিলাকত আইন বিষয়ৰ কিতাপ পোৱাটো বৰ অসুবিধা হৈ পৰিছে ফলত ইখন আদালতে সিখন আদালতৰ পৰা কিতাপ টনা-টনি কৰিব লগিয়া হয়। কাৰণ আদালত বিলাকত প্ৰয়োজনীয় আইন বিষয়ৰ কিতাপৰ অভাৱ দেখা যায়। গতিকে এই আইন আদালত বিলাকৰ কাৰণে চৰকাৰে সুকীয়াকৈ আইন বিষয়ৰ পুষ্টক ক্ৰয় কৰিব লাগে তেতি-য়াহে সেই অসুবিধাবোৰ দুৰ কৰিব পৰা হব। আনহাতে বাৰ লাইব্ৰেৰীত ভাল ধৰণে কিতাপ পত্ৰ বিলাক ৰাখিব লাগে।

Shri Syed Ahmed Ali, ( Minister )—Sir, May I draw your attention, not in the form of a point of order, but for information of the hon'ble member through you I like to quote Rule 152 because I have been compelled to quote the rules as, so long I have been hearing the member, I donot think his speech is relevant.

Rule 152 The debate on the supplementary grants shall be confined to the items constituting the same and no discussion may be raised on the original grants nor policy underlying them save in so far as it may be necessary to explain or illustrate the particular items under discussion.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ—মই ন্যায় প্ৰশাসনৰ ক্ষেত্ৰত যিখিনি কথা কৈছো সেই খিনি মন্ত্ৰী মহোদয়ে বোধহয় শুনাই নাই। এই ক্ষেত্ৰত যি অসুবিধা হৈ আছে আৰু যি পৰিপূৰক দাবী উত্থাপন কৰিব লগা হৈছে। তাত কৈছে যে, কিছুমান খালি পদত পূৰণ কৰিবৰ সম্পৰ্কত এই কথা কোৱা হৈছে। মই দীঘলীয়াকৈ কব বিচৰা নাই। যিবিলাক পদ খালি থাকে সেই বিলাক পাছত পূৰণ কৰাৰ সমীচীন নহয়। আনহাতে আমি জনাত ল' চেক্ৰেটেৰিয়ে অৱসৰ পাইছে। আমাৰ অসমত এনে এজন মানুহ নাই যাক অৱসৰ পোৱাৰ পাচত পুনৰ নিযুক্তি দিয়া হৈছে। এইটো আমাৰ চৰকাৰৰ ঘোষিত নীতি আছে যে আমাৰ অবসৰ পোৱা লোক সকলক যাতে পুনৰ নিযুক্তি দিয়া নহয়। অসমত বহুতো উপযুক্ত লোক আছে তেনেস্থলত তেখেতক কাৰ্য্যকাল বঢ়াই দিয়াৰ কোনো কাৰণ নাই। ইয়াৰ বাহিৰেও আমাৰ ইয়াত যি বিলাক চৰকাৰৰ ফালৰ পৰা কেচ হৈছে, সেই বিলাকত চৰকাৰৰ পৰাজয় হৈছে অথচ টকা পইচাও বহুত খৰচ হৈছে। গতিকে মই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰি আৰু পৰিপূৰক মঞ্জুৰিটো ৰিৰোধিতা কৰিছো।

শ্ৰীপিটসিং কোঁৱৰ—মাননীয় উপাধ্যক্ষ মহোদয়, এই পৰিপূৰক মঞ্জুৰিৰ শিতানত

১ লাখ ২৪ হাজাৰ ৫ শ টকা ধৰা হৈছে। ইয়াৰ ভিতৰত আৰু কেইটামান আইটেম আছে। ফৌজদাৰী আদালতত ৪৩ হাজাৰ ৭ শ ধৰা হৈছে। ইয়াত বিভিন্ন শিতান দিয়া হৈছে। আমাৰ মন্ত্ৰী মহোদয়ে এই বিলাক খবৰ ৰাখিছেনে নাই কব নোৱাৰো। ইয়াৰ বাহিৰেও আমাৰ ইয়াত যিবিলাক মহকুমা গঠন কৰা হৈছে সেই বিলাকৰ প্ৰতিও বিশেষ ৰকমে মনোযোগ দিয়া নাই। মৰিগাওঁ ২৬ জানুৱাৰী তাৰিখেই মহকুমা লৈ উদ্বোধন কৰা হ'ল কিন্তু তাত মহকুমাধিপতিৰ বাহিৰে কোনো অফিচাৰ নাই। তাৰ ৰাইজক যে সুবিধা দিব লাগে বা তাৰ প্ৰতি চৰকাৰে লক্ষ্য কৰা নাই। গতিকে মৰিগাওঁত এখন ফৌজদাৰী আদালত সোনকালে স্থাপন কৰিব লাগে। তালৈ যিজন ই এ, চি পঠাইছিল সেই জনো আজি পৰ্য্যন্ত নগল। নিজৰ ইচ্ছা নহলে তালৈ কোনো অফিচাৰ নাযায়। এইটোৰ প্ৰতি চৰকাৰে চকু দিব লাগে। এইটোৰ বাহিৰেও ইয়াত কোৱা হৈছে যে বিষয়াৰ বেতনৰ কথা। কিন্তু বিষয়াৰ কি বেতনৰ কথা কৈছে সেইটো মই বুজি পোৱা নাই। কোনধৰণৰ বিষয়াৰ বেতনৰ কথা কৈছে মই বুজি পোৱা নাই। গতিকে এই বিষয়া বিলাকক এঠাইত নি বহুৱাই দিব লাগে। মহকুমা কৰিলেই নহয় সেই বিলাকৰ সা-সুবিধাৰ প্ৰতি চৰকাৰে দৃষ্টি ৰাখিব লাগে। আমি দেখিছো অসমতে ১৭ খন জিলা হবগৈ। কিন্তু স্কেলেৰে জুখিলে দেখা যাব যে আয়মৰ আয়তন খুব কম হৈ গৈছে। হাকিম এজন হোৱাৰ কাৰণে মেল-মোকৰ্দ্দমাত পুনৰ দিন দিব লগা হৈছে। উকিলৰ সুবিধা নাই। অৱশ্যে আমি দেখিছো আমাৰ বিধান সভাতে বহুতো উকিলে দেশসেৱা কৰিবলৈ ওলাইছে।

গতিকে উপাধ্যক্ষ মহোদয়, চৰকাৰে এনে এটা উকিল গোট বা কমিটি কৰি দিব লাগে যাতে তেওঁলোকে দুখীয়া লোকসকলৰ স্বাৰ্থৰ কাৰণে টকা-পইচা দিব লাগে। ৰাইজৰ সেৱা কৰিবলৈ মই জনাত বহুত উকিলেই আগ্ৰহান্বিত। কিন্তু হাকিম কম হোৱাৰ কাৰণে এটা তাৰিখ আদিৰ কাৰণে বহুত দিন বৈ থাকিব লাগে। যদি দৰকাৰ হয় তাৰ কাৰণে এক লাখ বা চল্লিশ হাজাৰ যিমান দৰকাৰ হয় টকা

আনিব লাগে দিল্লীৰ পৰা কাৰণ দিল্লীৰ পৰাটো টকা দিয়েই থাকে। এইবাৰ সেউজীয়া আন্দোলন ব বিপ্লৱৰ কাৰণে বহুত টকাই দিলে। দুই অক্টোবৰৰ পৰা আৰম্ভ হয় সেই আঁচনি। তাৰ দ্বাৰা অসমৰ য'ত যিমান মাটি আছে আটাইবিলাকেই ধান, ৰবিশস্য বা আনাৰস নতুবা মাটি কঠালেৰে ভৰাই দিব। কিন্তু লিগেল কমিটি এটা কি কাৰণে এতিয়াও কি অভাৱত হোৱা নাই কব নোৱাৰো। আমি কেতিয়াবাই শুনিলো তেনে এটা হব বুলি দুখীয়া মানুহক সহায় কৰাৰ কাৰণে। কাগজে-পত্ৰে শুনিছো যদিও এতিয়াও তাৰ কোনো যো-জা কৰা দেখা নাই। মীন মন্ত্ৰীৰ ওচৰলৈ এজনী বুঢ়ী আহিছে তেওঁৰ গিৰীয়েকৰ নামত হেনে। ১৯৫৩-৫৪ চনত এখন বিল আছিল কিন্তু বেনামী কৰি আনে চলাই আছিল। এতিয়া লোকে দখল কৰা কাৰণে বিলৰ টকাৰ বাবদ তেওঁৰ নিজা ভূসম্পত্তি এঘাৰ বিঘা মাটিও নীলামত দিছে। যদি সেই মাটি-খিনিও নীলামত যায় তেনেহলে বুঢ়ী গৰাকী সৰ্বহাৰা হব। আঠ হাজাৰকৈ দুবাৰ ৰেমিচনো আগেয়ে দিয়া হৈছিল সেই বিলখনৰ নামত, কিন্তু এতিয়া বুঢ়ীজনীৰ অৱস্থা বৰ বেয়া হবলগীয়া হৈছে।

উপাধ্যক্ষ মহোদয়, আমাৰ আইন মন্ত্ৰী ডাঙৰীয়া বৰ ভাল মানুহ। তেখেতে কাইলৈ দুপৰীয়া ভাত খাবলৈও মাতিছে। চিঠি পাইছো। বোধহয় আপোনালোকেও পাইছে। যাওঁ-নাযাওঁ সেইটো বেলেগ কথা কিন্তু চিঠি পাইছো। তেখেত বৰ ভাল মানুহ গতিকে তেখেতে এই দুখীয়া মানুহ খিনিক কিবা প্ৰকাৰে সহায় কৰিবলৈ ব্যৱস্থা কৰিব বুলি আশা কৰিছো। শেষত বিচাৰ আদি সোনকালে সমাধা কৰিবলৈ বুলি হাকিম পদৰ সংখ্যা বঢ়াই সুবিধা কৰিব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

Shri Syed Ahmed Ali ( Minister, Law )—Mr. Dy. Speaker, Sir, before I reply to the points made out in the observations made by the two Hon. Members on these schemes, I would like to explain why the Supplementary Demand has been placed before the House and on what items. Item No. (b) Legal Remembrancer – 4

Contingencies amounting to Rs. 7,500, this was for meeting the expenditure for purchase of law books and journals for the Legal Remembrancer. This was not included in the Annual Budget for 1972-73 due to the cuts imposed in view of State's financial difficulties. The second item is Civil and Sessions Judges, pay of officers, amounting to Rs. 12,000/-; Munsiff, permanent posts in Grade III for which provision in the annual budget was not made due to oversight on the part of the Hon'ble High Court. There were some permanent posts and this posts were subsequently filled up but due to oversight these were not included in the original budget by the Hon'ble High Court. The third item is Criminal Courts, Pay of Officers, etc. for 14 posts of Judicial Magistrates. Permanent, for which provision in the annual budget omitted by the Hon'ble High Court due to oversight. These are the only three items for which I have come forward with this Supplementary Demand. So, Sir, this amount was necessary and as due to oversight by the Hon'ble High Court that was not provided in the original budget, so, we have drawn this amount from the contingency fund and only for a formal regularisation I have come up which the supplementary demand. As regards the other observations made by 2 Hon. members, it has got no intimate relation at all with the present grant although the observations have been noted carefully and I shall look into this and try to implement as far as possible within the bound and limit of the fund

but at the same time I would like to inform the Hon. Members regarding the posting and appointment of the Judical officers, All these rest with the Hon. High Court and we have got nothing to do with these although there are many cases pending in Courts remaining undisposed but for this also we are helpless as all the Courts are controlled by the Hon'ble High Court and the supervision is also with H. C. With these few words, Sir, I request the hon. Members to withdraw the Cut Motion. As Mr. Konwar has said, if much fund is sanctioned by this House we may construct a very beautiful Court at Morigaon.

Mr. Deputy Speaker—I put the Cut Motion to vote.

( The Cut Motion was put and lost )

I put the main motion. The motion is that an additional sum of Rs. 1,24,500, be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1973 for the administration of the Head "21-Administration of Justice".

( The Motion was adopted )

Mr. Deputy Speaker—There is an amendment in Demand No. 4.

Shri Joy Bhadra Hagjer ( Minister )—Sir, on the recommendation of the Governor of Assam I beg to move Grant No. 4.

Mr. Deputy Speaker—The Motion is that an additional

amount of Rs. 36,365, be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1973, for the administration of the head "22.-Jails."

(The Demand was passed)

Shri Md. Idris—Sir, on the recommendation of the Governor of Assam I beg to move Demand No. 5.

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী—অধ্যক্ষ মহোদয়. ৫ নং পৰিপূৰক দাবীৰ কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰি মই দুষাৰ কথা কব বিচাৰিছো। প্ৰথম কথা হ'ল যে যিটো টকা জিয়লজী আৰু মাইনিং বিভাগক দিয়া হৈছে তাৰ উদ্দেশ্য হ'ল সেই ডিপাৰ্টমেণ্টে কামৰূপ আৰু দৰং জিলাত খোৱা পানীৰ ব্যৱস্থা কৰিব। লগতে অন্যান্য খেতিৰ কাৰণে বা ইৰিগেচনৰ কাৰণে যি পানীৰ দৰ্কাৰ সেই পানীৰ ব্যৱস্থা কৰিবৰ কাৰণে ড্ৰিলিং ইম্‌প্লিমেণ্টচৰ কাৰণে দুই লাখ টকা দিয়া হৈছিল।

"An additional amount of Rs. 2,00,000 was allocated by P&D Department at the fag end of the last financial year to meet expenditure for purchase of drilling implements in connection with drought condition of Kamrup and Darrang Districts as well as for further implementation of ground water and mineral development exploration by the Department of Geology and Mining."

উপাধ্যক্ষ মহোদয়, এই সংক্ৰান্তত ইয়াৰ আগতে পাব্লিক হেল্‌থ ইঞ্জিনিয়াৰিং ডিপাৰ্টমেণ্টৰ বাবে যেতিয়া মঞ্জুৰিৰ দাবী আহিছিল সেই সময়ত কৈছিল জিয়লজী আৰু মাইনিং আৰু পাব্লিক হেল্‌থ ইঞ্জিনিয়াৰিং এই দুটা বিভাগ একেলগ কৰিব লাগে। কাৰণ জিয়লজী আৰু মাইনিঙে চাৰ্ভে, ড্ৰিলিং আদি কৰিব আৰু পাব্লিক হেল্‌থ ইঞ্জি-

নিয়াৰিঙে খোৱা পানীৰ ব্যৱস্থা কৰিব। গতিকে এই বিভাগ দুটাৰ ক-অৰ্ডিনেচন নথকাৰ কাৰণে পানীৰ অভাৱ হৈছে। আমি জিয়লজী আৰু মাইনিং ডিপাৰ্টমেণ্টৰ কাম-কাজ সম্পৰ্কে বৰ্ত্তমান চাবলগীয়া হৈছে। অসমৰ মাটিৰ তলত খনিজ সম্পদ ইমান থকাৰ পিছতো কোনো এটা ক্ষেত্ৰত আমি আগবাঢ়িব পৰা নাই। জিয়লজী আৰু মাইনিং ডিপাৰ্ট-মেণ্টত ড্ৰিলিং ইমপ্লিমেণ্টচৰ দ্বাৰা কামৰূপ আৰু দৰং জিলাত কাম কৰিবলৈ দিয়া হৈছিল, কিন্তু কাম কৰিব পৰা নাই। এটাও ছৈটবৰিং চাক্‌চেচফুল হৈছে বুলি কব নোৱাৰো। আনহাতেদি পাব্লিক হেল্‌থ ইঞ্জিনিয়াৰিং ডিপাৰ্টমেণ্টে পানী উলিয়ালে—কিন্তু আইৰণ কনটেণ্টচ্‌ আছে বুলি সেই পানী খোৱাৰ অনুপযুক্ত বুলি ঘোষণা কৰিলে। জিয়লজী আৰু মাইনিং ডিপাৰ্টমেণ্ট বা চৰকাৰৰ ৱাটাৰ চাপ্লাই ডিপাৰ্টমেণ্টত বৈজ্ঞানিক ৰখাৰ পিচতো পানীৰ পৰা আইৰণ কণ্টেণ্টচ্‌ আঁতৰাই খোৱা পানী দিব পৰা নাই। সেই ক্ষেত্ৰত লৰা-লৰিকৈ ড্ৰট কণ্ডিচন ফেচ কৰিবৰ কাৰণে বা ৰাইজক ভুৱা দিবৰ কাৰণে দুই লাখ টকা চেংকচন কৰিছিল। এই টকাৰে কিনা ইমপ্লিমেণ্টচ্‌ৰ দ্বাৰা দৰং আৰু কামৰূপ জিলাত কেনে-ধৰণে কাম কৰিলে ? ছৈটবৰিং চাকচেচফুল হ'লনে ? কোনো ঠাইতে খোৱা পানী বা ইৰিগেচনৰ ব্যৱস্থা কৰি দিব পৰা নাই ? ছমাহ আগতে ইমপ্লিমেণ্টচ কিনাৰ কাৰণে দুই লাখ টকা দিয়া হয়। এই টকাবোৰ ড্ৰট কনডিচন ফেচ কৰিবৰ কাৰণে খৰচ কৰা হ'ল। যোৱা অধিবেশনত বিত্তমন্ত্ৰী তথা মুখ্যমন্ত্ৰীয়ে কৈছিল যে এই টকাটো কেন্দ্ৰীয় চৰকাৰৰ পৰা আহিব, কাৰণ আমাৰ ওচৰতে থকা পশ্চিমবঙ্গক খৰাং অৱস্থাৰ সন্মুখীন হবৰ কাৰণে সাত লাখ টকা এক ৰাতিৰ ভিতৰতে কেন্দ্ৰীয় চৰকাৰে চেংকচন কৰিছিল। মই এতিয়া বিত্তমন্ত্ৰী আৰু উদ্যোগ মন্ত্ৰীক সুধিব খুজিছো—খৰাং অৱস্থাৰ বাবে এই দুই লাখ টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা আনিব পাৰিলেনে ? তাৰোপৰি পানী যোগান ধৰিবৰ বাবে যিবিলাক বস্তু কিনা হৈছিল সেই বিলাক কেনে ধৰণে ব্যৱহাৰ কৰা হ'ল ? মই কব পাৰো এই বিভাগে চাৰ্ভে কৰাতেই হওক বা ড্ৰিলিং কৰাতেই হওক চকুত দেখা কোনো ব্যৱস্থা লোৱা নাই। যোৱা বানপানীৰ সময়ত মুখ্য-মন্ত্ৰী ডাঙৰীয়াই কৈছিল ৰোৰেল ৱাটাৰ চাপ্লাইৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ

পৰা এক-দুই কোটি টকা আনি দমকল দিয়া হব, কিন্তু এতিয়ালৈকে সেই প্ৰতিশ্ৰুতিৰ কোনো কথাই ৰক্ষা কৰা হোৱা নাই। এইক্ষেত্ৰত আকৌ সদনৰ মজিয়াত দুই লাখ টকা বিচৰা হৈছে। সেই টকাটো কাম-কাজ নজনাকৈ, কেনে ধৰণে ব্যৱহাৰ হৈছে সেইটো নজনাকৈ টকা দিয়াত আপত্তি আছে। সেইকাৰণে কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিলোঁ।

শ্ৰীমহম্মদ ইদ্ৰিছ—মাননীয় উপাধ্যক্ষ মহোদয়, এই ডিমাণ্ডটোত খাটাংভাবে কোৱা হৈছে এই দুই লাখ টকা ড্ৰিলিং ইমপ্লিমেণ্টচ কিনিবৰ কাৰণে দিয়া হৈছে। মাননীয় সদস্য গৰাকীয়ে যি আলোচনাৰ পাতনি মেলিছে সেই আলোচনাৰ মাধ্যমত গোটেই বিভাগটোৰ একটিভিটিজৰ কথা উল্লেখ কৰিছে।

For purchase of drilling implements in connection with the drought condition of the Kamrup and Darrang district.

এইবিলাক কিনাৰ পাছত কাম কৰা হৈছে। ইয়াৰ লগতে আৰু ৫ লাখ টকা ফেমিৰিলিফৰ কাৰণে ৰেভিনিউ বিভাগে দিছে। এই টকা খিনি ড্ৰিলিং মেচিন সম্পৰ্কত দিয়া হৈছে। ড্ৰিলিং মেচিনৰ যোগেদি বৰপেটাত কিছু পৰীক্ষা কৰা হৈছে আৰু বঙাইগাওঁ বিফাইনেৰিত ইয়াৰ কাম কৰা হৈছে। মাননীয় সদস্য গৰাকীৰ ধাৰণা হৈছে যে এই ড্ৰিলিং মেচিনটোৰ দায়িত্ব মাইনচ আৰু মিনাৰেল বিভাগক দিয়া হৈছে। আচলতে সেইটো নহয়। এওঁলোকে এক্সপ্লৰেচন, ড্ৰিলিং ইমপ্লিমেণ্টচৰ সম্ভাৱনা আছেনে নাই সেইটো চাই দিয়ে।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী—মন্ত্ৰী ডাঙৰীয়াই কৈছে যে জিয়লজী আৰু মাইনি; ডিপাৰ্টমেণ্টে এক্সপ্লৰেচনৰ কাম কৰে, কিন্তু যোৱা বাজেট অধিবেশনত স্বাস্থ্য মন্ত্ৰীয়ে কৈছিল যে বোৰেল ৱাটাৰ চাপ্লাই বিভাগে ড্ৰিলিং আৰু চাৰ্ভেৰ কাম নকৰে। জিয়লজী আৰু মাইনিঙক সেই দায়িত্ব দিয়া হৈছে।

শ্ৰীমহম্মদ ইদ্ৰিছ—মাননীয় সদস্য গৰাকীয়ে জানিব বিচাৰিছে যে টকাটোৰ দ্বাৰা কি কি কাম কৰা হৈছে। Exploration, Geo-hydrophysical investigation এই গোটেইখিনি তেওঁলোকে কৰিছে। মেচিনেৰীজ কিনিবৰ কাৰণে দুই লাখ টকা দিছে। তেওঁলোকে যিখিনি কাম কৰিছে

সেইখিনি তেনেই নগণ্য নহয়। এইবিভাগ আমাৰ দুইলাখ টকাৰ সদ্ব্যৱহাৰ হৈছে। সেই কাৰণে ইয়াত মঞ্জুৰী দিয়াটো বাঞ্চনীয় হব।

( At this stage, Mr. Speaker occupied the chair )

Mr. Speaker—Now, I put the Cut Motion. Are you going to withdraw it ?

Smti. Renuka Devi Barkataki—No, Sir.

Shri Md. Idris ( Minister )—In view of the fact that I have stated that this amount was well-spent and the machineries are in good condition, I would request the hon. Members to withdraw the Cut Motion.

Smti. Renuka Devi Barkataki—All right, withdrawn.

Mr. Speaker—Now, I put the main Grant: The motion that an additional amount of Rs. 2,00,000/- be granted to the Minisier-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1973 for the administration of the head "27-Scientific Department".

( The Grant was passed ).

Shri Harendra Nath Talukdar ( Minister )—Sir, on the recommendation of the Governor of Assam. I beg to move that an additional amount of Rs. 7,00,000/- be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during year ending the 31st March, 1973, for the administration of the head. "28.-Education".

Shri Charan Narzary—Sir, I beg to move a cut motion on this Supplementary Demand for the grant amounting to Rs. 7 lakhs. While moving my cut motion,

I want to make a few observations. In fact, grants under Art-275 of the Constitution of India are meant for the welfare of the scheduled castes and scheduled tribes to ensure rapid educational development among these backward people. Grants under Art-275 of the Constitution are available to the State Government. Mr. Speaker, Sir, although these grants have been made available to the people belonging to the scheduled caste and scheduled tribes in respect of education, money has never been utilised properly. There is a scheme for establishing residential educational institutions for these people, and from time to time, we have heard that the State Government have also been trying to set up hostels in certain places of the State. But as far as the utilisation of the money under Art-275 for this purpose is concerned, there has been misuse because in reality we have seen that actually money for the purpose does not reach the people who actually deserve, As for instance, at Gauhati, to ensure accommodation of the students belonging to the Sched uled Tribe, some hostels have been established. As for instance, there is a double-storied hostel of Cotton College. The building was constructed with the money provided under Art-275; but in reality, later on it has been found that although the students' hostel is primarily meant for the students belonging to the scheduled tribe, the hostel has been made a General one with the provision that the students

belonging to the scheduled tribes will be entitled to reside there. In practice, because of the increasing number of students belonging to different communities, the students belonging the backward scheduled tribes are being deprived of the facilities to stay there. Some small number of students might be there in the said hostel. I do not say, Sir, that the students belonging to other communities other than Scheduled Tribes are not entitled to stay there. I do not say like that. But justice should be done in giving equitable facilities or privileges to the students belonging to the Scheduled Castes and Scheduled Tribes and other backward classes of people. This is only one example.

Sir, in the name of ensuring Tribal welfare or the welfare of the backward classes of people grants under this head have been made available to many educational institutions which are not located in the predominantly tribal inhabited areas. We do not have any grudge or prejudice or hatred towards this step of the Government provided the students belonging to the Scheduled Castes and Scheduled Tribes and other backward communities are given proper opportunities or facilities to prosecute their studies in those institutions. As for instance, I want to cite one example, Sir. In my constituency there is a High school near Fakiragram, that is, Sakti Ashram High School. In the past a very small number, say, a few students from the neighbouring villages used to study in that

institution and in the name of welfare of the backward classes people huge amounts of money under 275 article had been sanctioned in favour of that particular institution. Out of these amounts hostels were constructed ; it was the impression that since the hostels have been constructed by the money sanctioned under article 275 the students belonging to the Scheduled Tribes be entitled to enjoy the privileges. But later on it was found that although much has been done for the all round development of that educational institution out of the money under article 275, the students belonging to Scheduled Tribes could not enjoy the privileges or the facilities which they deserved. I do not know, so far how much money under article 275 has been granted to Sakti Ashram High School. I do not say that I bear any grudge or ill feeling or hatred or prejudice towards that particular institution. My point is, Sir, that since the institution has been receiving good amount of money under article 275 the students belonging to these backward classes—Scheduled Castes and Scheduled Tribes must be allowed to enjoy reasonable amount of facilities or privileges in that institutions. There are also other examples, Sir—examples of such institutions. I will not name the number of such institutions. I can simply say that to-day money under article 275 for the promotion of education of the backward Scheduled Castes and Scheduled Tribes people has been misused, misutilised. Supposing, Sir,

I set up an educational institution in a non-tribal area, say at Gauhati, it is not difficult to bring money under article 275. I need only one or two or some students from NEFA and in the name of welfare of these people—the few students—I can bring money under article 275. This is happening everywhere. Actually money under article 275 for promotion of education has not properly reached the people who actually deserve it. That is why, in the rural areas Sir, you will find that almost all these educational institutions are in a miserable condition. The condition of the School and the Hostel Buildings is a matter of grave anxiety or concern. There are Schools and Hostels without any roof or wall, and, Sir, the Constitution has allowed the students belonging to the Scheduled Castes or Scheduled Tribes to receive free education atleast at Primary School level. Particularly what we have seen is that Tribal Students in Schools need not pay tuition fees and the Fee-Income-Loan is made available by the Fee-compensatory-grants. Now, Sir, the problem is that the Fee-compensatory-grants are not made available to the Educational Institutions in those backward scheduled castes and scheduled tribes areas in time and as a result of this the authorities of the Schools concerned are not at all in a position to make payment of salaries to the teachers. For this obvious reason the wretched teachers working in the Educational Institutions of the backward areas

of Scheduled Castes and Scheduled Tribes have to starve for months together because the authorities cannot make payment to their salaries as the Fee-compensatory-grants are not made available to the Educational Institution in time. So, Sir, this is my humble request to the Govt. that in order to ensure the promotion of education to them grants should be made available to them in time.

As far as the distribution of the scholarships to the students belonging to the Scheduled Castes and Scheduled Tribes is concerned, these students never receive those scholarships in time. They receive scholarships at the end of the academic session and from the beginning to the end of the academic session these students on account of non-receipt of scholarships have to suffer a lot of hardship. If it be the genuine intention of the Government to impart proper education to them and if it be the genuine interest of the Government to ensure quick promotion of education among them so as to bring them at par with other advanced section of the people, then the Government should take effective steps so that the scholarships are available to them in time. Otherwise the scholarships for those students will have no meaning at all, if they do not get the opportunity to spend the scholarship money in time for which the money has been sanctioned.

So, Sir, as far as the disbursement of grants under Art. 275 for buildings etc., is concerned, we have

seen that almost in all areas officers indulge themselves in corrupt practices. As for instance, Sir, supposing my Institution has been given a grant for building purpose and I, being the Headmaster or the Secretary or Head Pandit of the Institution, go to the D. I. or to the Inspector, who is the disbursing authority. But in the office the Head Asstts. or other officials will say "unless and until you give me something, I cannot disburse the money. Presently we do not have the cheque-book or there is this and that difficulty. So, it will not be possible for me to hand over the money." They will say, "you can come some-other day or meet me at my residence" at such and such hour and "if you do not give me some benefit I cannot give the money." Now, Sir, supposing the total amount of money is only Rs. 500/- for building purpose, i. e., for the construction of the building of L. P. School. Now, if I am to give the disbursing authority, say Rs. 250/- out of Rs. 500/-, then I will get Rs. 250/- and for this I have to come to the disbursing authority several times. Sir, you just imagine what may be the expenditure in coming and going only to receive the small amount of Rs. 250/-. This is also happening in respect of disbursing money for the payment of teachers' salaries. The same thing is also happening in the matter of appointment of teachers also. Unless and until a candidate can pay a good amount, he will not get the appointment. Even

an underqualified candidate can get appointment if he can satisfy the officer. As for instance, I want to cite an example in Bijni area. There is a L. P. School in that area. I do not like to name the School. The Circle Sub-Inspector of Schcols for L. P. schools there received Rs. 600/- for giving appointment to a candidate. I will not mention the name. It will not be proper for me to mention the name. The said S. I. previously gave assurance to another candidate that he would be appointed but later on he was not appointed. The boy who had been appointed had to pay Rs. 600/- to the S. I. Then the Second Boy who had been appointed as teacher of the L. P. School admitted that he paid Rs. 600/- to the S. I. of Schools. Then both the boys went to the S. I. who got afraid. Then he told the boy who got the appointment, "Have you got anybody in the Regional Board to speak for you ? You take back your money". Then the S. I. gave back the whole amount of Rs. 600/- and took the appointment letter from the boy and tore it out. This is what is happening. They ( boys ) then approached me and narrated the matter. I told them, "why did you not tell me earlier. We could have got that officer sacked off straightway as he would have been cought red-handed."

So, Sir, in the rural tribal areas, the officers find very fertile ground to exploit our people in any manner they like by adopting all sorts of unfair means; Sir,

here in the Supplementary Demand, Grants have been sought for the welfare of the untouchables. I want to ask the Government what they could do for the Harijans and among other classes of people such as Scheduled Castes and Scheduled Tribes so far ? If you go to the Harijan Bastis and to the areas of the untouchables, you do not find any educational institutions which have been properly and efficiently managed. money is continuously being mis-used although money under Article 275 is purely meant for all round welfare of the people belonging to Scheduled Caste, Scheduled Tribes and Other Backward Classes. That is why, I want to say that this Supplementary Demand for such a huge amount cannot be allowed and it should not be allowed. So, Sir, the Supplementary Demand for Rs. 7 lakhs ( Rupees Seven Lakhs ) for the promotion of education among these backward classes of people be reduced to Rs. 1/- and beyond that we cannot increase the grant. With these few observations. I conclude,

শ্ৰীপিটসিং কোঁৱৰ—অধ্যক্ষ মহোদয়, মোৰ বন্ধু নাৰ্জাৰি ডাওবীয়াই যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে সেইটো সমৰ্থন কৰি দুষাৰমান কব খুজিছো। বিনা-মূলীয়া শিক্ষাৰ কথা কওঁতে এটা কথা ভাবি মোৰ দুখ লাগিছে—ট্ৰাইবেল স্কুলৰ মঞ্জুৰি বিলাক এনে এটা বস্তু হৈ পৰিছে যে তাক ভগাই লবলৈ সকলোৱে থপা-আজোৰা কৰিব লগা হৈছে। প্ৰত্যেক এৰিয়াতে এটা ট্ৰাইবেল স্কুল আছে বা ভৱিষ্যতলৈ হব এই আশাতে সকলোৱে মঞ্জুৰি বিচাৰিছে। কেবেল এৰিয়াত শতকৰা ১৫ ভাগ ট্ৰাইবেল ছাত্ৰ-ছাত্ৰী থাকিলেই গ্ৰাণ্ট পায়। এই শতকৰা ১৫ জন ছাত্ৰ যেনে তেনে যি কোনো প্ৰকাৰে পাছেই হওক বা ফেলেই হওক গোটাই আৰু তলৰ

শ্ৰেণীৰ ছাত্ৰক ওপৰ শ্ৰেণীত প্ৰমোচন দিম বুলি এখন স্কুলৰ পৰা আন এখন স্কুললৈ আনি সংগ্ৰহ কৰে। এইদৰে গোটেই অসমৰ টকাখিনি ভগাই লোৱাতেই সকলো ব্যস্ত হৈ পৰিছে। এই মঞ্জুৰিৰ বাবে যোৱা বাৰ যিখন লিষ্ট বনালে আৰু সেই টকা যি যি স্কুলত ভগাই দিলে সেই স্কুলৰ প্ৰায় ভাগতেই ট্ৰাইবেল ল'ৰা নাই। আৰু এনে কিছুমান স্কুলত এই টকা দিলে যে সেই বিলাক স্কুলে পাৰমিচনেই পোৱা নাই, ফলত সেই টকা লবলৈ তেওঁলোক অপাৰগ হৈ পৰিছে। উদাহৰণ স্বৰূপে নগাওঁ জিলাৰ কোমোৰাকাটা হাইস্কুল খনকেই তিনি হাজাৰ টকা দিছে। এই স্কুল বিলাকত কেনেকৈ টকা দিছে কব নোৱাৰোঁ। মন্ত্ৰীৰ মুখৰ খাটিৰত টকা দিছে কিন্তু সেই টকা প্ৰেকটিকেলি লব নোৱাৰে। এই ধৰণে খেলিমেলি হোৱাৰ কাৰণে শতকৰা ৯০ ভাগ ছাত্ৰ-ছাত্ৰী থকা স্কুলে টকা পোৱা নাই। এই লিষ্টখন দেখিলে আপোনালোক আচৰিত হব। এই ধৰণে যাতে নহয় তেওঁলোকে তালৈ চাব লাগে বিশেষকৈ মন্ত্ৰী মহোদয়ে এই কথালৈ লক্ষ্য কৰিব লাগে।

তাৰ পিচত আৰু এটা কথা কওঁ—ট্ৰাইবেল ল'ৰা-ছোৱালীবিলাকক স্পেচিয়েল স্কলাৰচিপ দিয়া হয়। চতুৰ্থ শ্ৰেণীৰ পৰা দশম মান শ্ৰেণীলৈকে এই স্কলাৰচিপ পায়। স্কুলৰ পৰা এই ল'ৰা-ছোৱালীবিলাকক মাচুল ৰেহাই দিয়ে, যেতিয়া তেওঁলোকে স্কলাৰচিপ পায় তেতিয়া তেওঁলোকৰ পৰা মাচুলৰ টকাটো কাটি ৰাখে। এইদৰে কেনে ধৰণৰ বিনামূলীয়া শিক্ষা হয় মই কব নোৱাৰোঁ। এইদৰে এই ল'ৰা-ছোৱালীবিলাকে ১২ মাহত ১৩ টকামানহে ৰেহাই পায়। এই স্কুল বহুত বছৰৰ পৰা চলি আহিছে কিন্তু তাৰ প্ৰতি কাৰো লক্ষ্য নাই, কোনেও তাৰ সংশোধনী দিয়া নাই। আনহাতে ছাত্ৰৰ বৃত্তিৰ টকা স্কুলৰ হেডমাষ্টৰে ল'ৰা বিলাকক নিদিয়ে। আনৰ হতুৱাই চহী কৰাই সেই টকাটো ৰাখি থয়। কলেজৰ ক্ষেত্ৰতো সেই একেই কথা। আমাৰ নগাওঁৰ হোজাই কলেজতে প্ৰিন্সিপালে বহুত ছাত্ৰক টকা দিয়া নাই। এই বিসংগতিৰ বাবে চৰকাৰে মন কৰিব লাগে। খতকা ক'ত লাগি আছে তাক চাব লাগে। জনজাতি, অনুসূচিত জাতি আৰু পিছপৰা জাতিৰ

ছাত্র-ছাত্ৰী সকলক আগুৱাই নিবৰ কাৰণে সৰল অন্তৰেৰে হৈতে আগবাঢ়িব লাগে। আৰু আমাৰ অন্যান্য যি সকল সদস্য আছে সেই সকলেও এই কথা চিন্তা কৰি চাব লাগে। কিন্তু দুখৰ কথা ট্ৰাইবেল ছাত্ৰ-ছাত্ৰীৰ নামত যিবিলাক সা-সুবিধা চৰকাৰে আগবঢ়াইছে সেইবিলাক প্ৰকৃত পক্ষে তেওঁলোকে ভোগ কৰিবলৈ পোৱা নাই। মাননীয় সদস্য নাৰ্জাৰি ডাঙৰীয়াই কোৱাৰ নিচিনালৈ যদি এখন স্কুলক বিল্ডিং গ্ৰাণ্ট ৫০০ টকা দিয়া হয় তেনেকৈ সেইখন স্কুল কেনেকৈ ভাল হব পাৰে?

এইখিনি কথা কৈ মই কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰিছোঁ আৰু এই বছৰৰ পৰা যাতে এনে ধৰণৰ ভুলবিলাক নহয় তাৰ বাবে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী—অধ্যক্ষ মহোদয়, ৬নং দাবীৰ কৰ্তন প্ৰস্তাৱটো সমৰ্থন কৰি দুআষাৰ চমুকৈ কম। যিটো টকা আজি কন্সষ্টিটিউচন ২ (৭৫) ত অসম চৰকাৰে পাইছে। ভাৰতবৰ্ষৰ ভিতৰত কেইখনমান ৰাজ্যৰ লগতে অসমেও কেন্দ্ৰীয় চৰকাৰৰ পৰা এই টকা পাইছে। যি উদ্দেশ্যৰে এই টকাটো আমাক দিছে সেই উদ্দেশ্যেৰে এই টকাটো খৰছ হৈছে নে নাই সেইটোহে আচল কথা। মই নিজে অনুসূচীত জনজাতি বা পিচপৰা জাতিৰ লোক নহওঁ, কিন্তু মোৰ আগৰ সদস্য দুগৰাকীয়ে কৈ গৈছে তেখেতসকল নিজে অনুসূচীত জাতি আৰু পিচপৰা সম্প্ৰদায়ৰ মানুহ, তেখেত সকল নিজে ভুক্ত-ভোগী। এই সংক্ৰান্তত মই শিক্ষামন্ত্ৰী মহোদয়ৰ এটা দৃষ্টি আকৰ্ষণ কৰিব খুজিছোঁ যে তেখেত সকলে ইতিমধ্যে ঘোষণা কৰিছে যে শিক্ষা বিষয়টো নেচনেলাইজ কৰিবৰ কাৰণে অসম চৰকাৰে চিন্তা কৰিছে অৰ্থাৎ মানুহৰ জনসংখ্যা আৰু এৰিয়া লৈ স্কুলবিলাক সংগঠন কৰাৰ চিন্তা কৰিছে। ইতিমধ্যে পিচপৰা এৰিয়া বুলি যিবিলাক স্কুলে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা পাইছে সেই টকা ভালভাবে খৰচ কৰিব লাগে। দ্বিতীয়তে এই পিচপৰা সম্প্ৰদায় বা জনজাতীয় শিক্ষাৰ মাধ্যম বিলাক বা এই জনজাতীয় লোকৰ কাৰণে যিবিলাক স্কুল আছে সেই বিলাক অতি সোনকালে নেচনেলাইজ কৰিব লাগে। আজি টি, এ, দি বিভাগৰ মন্ত্ৰী মহোদয়ও ইয়াত উপস্থিত আছে। মই তেখেতক কবলৈ বিচাৰিছোঁ যে, টি, এ, দিৰ শিতানত যিবিলাক দান-অনুদান দিয়া হয় সেইসকলো বিলাক দিয়া হয় 'ফেভাৰেটিজম'-

'নেপটিজিম'ৰ ওপৰত হে। মাননীয় সদস্য শ্ৰীকোঁৱৰ ডাঙৰীয়াইও এইটো কৈ গৈছে। যিবিলাক স্কুলত 'চিডিউল-কাষ্ট' আৰু 'চিডিউল-ট্ৰাইবৰ' ল'ৰা-ছোৱালী আছে সেই বিলাকত পঢ়িবৰ কাৰণে যি টকা দিয়াৰ প্ৰতিশ্ৰুতি চৰকাৰৰ ফালৰ পৰা দিয়া হৈছিল, সেই টকাতো নানান আবেদন-নিবেদন কৰি অহা স্বত্বেও আদায় কৰিব পৰা নাইকীয়া। সেই বিলাক মই এতিয়া দ'ঙি ধৰিব নোখোজোঁ। চৰকাৰে বিচাৰিলে সেইবিলাক স্কুলৰ নাম মই এখন এখনকৈ দিব পাৰোঁ। সকলো বিলাক আবেদন-নিবেদন ডি, পি, আই, অফিচতে পৰি আছে। দ্বিতীয় কথা হ'ল 'অস্পৃশ্যতা' বৰ্জনৰ নামত সংবিধানৰ ২৭৫ ধাৰাৰ পৰা কিছুমান টকা আনি চৰকাৰে সেই টকাতো খৰচ কৰি আছে। আমি জানিব বিচাৰিছোঁ এই টকাতো চৰকাৰে কি ধৰণে খৰচ কৰিছে বা কি ধৰণে খৰচ কৰিবলৈ চৰকাৰে আঁচনি কৰিছে আৰু ইয়াৰ দ্বাৰা আচলতে অস্পৃশ্যতা দূৰ কৰিব পাৰিছে নে নাই? এই বিলাক নজনাকৈয়ে আমি টকা কেন্দ্ৰীয় চৰকাৰৰ পৰা আনিলেই নহব। এই বিলাক কথা নজনাকৈয়ে আমি টকা দিয়াত মান্তি হব নোৱাৰোঁ। আমি জনাত এই বিলাক টকা থিক মতে খৰচ হোৱা নাইকীয়া।

এইটো ক্ষেত্ৰত মই শিক্ষামন্ত্ৰীৰ পৰা জানিব বিচাৰোঁ যে, ১৯৭১-৭২ চনৰ কাৰণে এই ২৭৫ ধাৰামতে যি টকা চৰকাৰে পাইছিল সেই টকাটো অক্টোবৰ মাহলৈকে ৰাখি থোৱাটো সঁচানে? বিতৰণ কৰিব নোৱাৰা কথাটো সঁচানে? সেই কথাটো মই শিক্ষামন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ। আমি জনামতে এই টকা বিলাক ডি, পি, আই অফিচত পৰি আছেহি। যদি সেইটোৱেই হয় তেতিয়াহলে, মই এই পৰিপূৰক দাবীটো কেতিয়াও সমৰ্থন নকৰো। মই এই কথাটো শিক্ষামন্ত্ৰী মহোদয়ক কেইবাবাৰো সুধিছোঁ কিন্তু তাৰ যথাযথ উত্তৰ দিয়া নাইকীয়া। মই দৃষ্টি আকৰ্ষণৰ জৰিয়তে এই কথাটো চৰকাৰৰ পৰা জানিব বিচাৰোঁ। কি যুক্তিত আজি ৩১ মাৰ্চ্চৰ পিচতো ছমাহ পাৰ হৈ যোৱা স্বত্তেও এই টকাটো চৰকাৰে খৰচ নকৰি এনেকৈ নিজৰ লগত ৰাখিছে? আগৰ টকা বিলাক শেষ কৰিব পাৰিছেনে নাই, মই জানিবলৈ বিচাৰিছোঁ। কিমান যোৱা বছৰৰ টকা তেখেতৰ হাতত আছে? এইবিলাক কথাত

আমি সন্তুষ্ট নোহোৱাকৈ যি সাত লাখ টকা পৰিপূৰক মঞ্জুৰিৰ শিতানত বিচাৰিছে সেইটো আমি কেনেকৈ দিব পাৰোঁ ? সেই কাৰণেই আমাৰ মাননীয় সদস্য শ্ৰীনাৰ্জাৰী ডাঙৰীয়াই উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱটো মই সমৰ্থন কৰিছোঁ।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী)—মহোদয়, মাননীয় সদস্য সকলে কোৱা কথা খিনি মই ভালদৰেই শুনিলোঁ। তেখেত সকলে আজি যিটো উপলব্ধি কৰিছে, সেইটো ময়ো উপলব্ধি কৰিছোঁ। তেখেত সকলে যি ধৰণে কৈছে বা ভাবিছে সেইটো আমি কোৱাৰ পিছত তেখেত সকলৰ ভাৱধাৰাটোৰ কিছুমান পৰিবৰ্তন নিশ্চয় হব। অধ্যক্ষ মহোদয়, এই টকাটো আমি কেন্দ্ৰীয় চৰকাৰৰ প্লেনিঙে ধৰি দিয়া মতে। আচলতে কেন্দ্ৰীয় চৰকাৰৰ যি বিলাক নিয়ম আছে সেই নিয়ম অনুসৰিয়েই সেই টকা বিলাক খৰচ হয়। সেই হিচাব মতেই আমি হাইস্কুল, কলেজৰ হোষ্টেল আদি নিৰ্মাণ আদি যাৱতীয় কাম বিলাক কৰোঁ। মই শ্ৰীনাৰ্জাৰী ডাঙৰীয়াই কোঁৱাৰ পৰিপ্ৰেক্ষিতত কওঁ যে, কোনো স্কুল বা কলেজত যদি ১৫ জন বা তাতকৈ বেছি 'চিডিউল-কাষ্ট' বা 'চিডিউল-ট্ৰাইব'ৰ ছাত্ৰ-ছাত্ৰী থাকে তেতিয়া হ'লে, তেনেকুৱা হাইস্কুল বা কলেজত আঁচনি-মতে ঘৰ, হোষ্টেল আদি সাজিবৰ কাৰণে টকা দিয়া হয় কিন্তু বাকী ৩১½ (শতকৰা) সেই স্কুল বা কলেজে বহন কৰিব লাগিব। বাকী টকাখিনিহে চৰকাৰে দিব। হাইস্কুল আদিৰ ক্ষেত্ৰত ঘৰ আদি সাজি-বলৈ কাৰণে টকা আদি দিয়ে। ভাৰত চৰকাৰে এই বিলাক নিয়মমতে টকা দিয়াৰ কাৰণ এইটোৱেই হৈছে যে, বিভিন্ন ঠাইত সিঁচৰিত হৈ থাকিলেও যাতে আমাৰ এই 'চিডিউল' আৰু 'চিডিউল' ট্ৰাইবৰ ল'ৰা-ছোৱালী বিলাক সেই ২৭৫ ধাৰামতে দিয়া টকাৰ পৰা বঞ্চিত হব লগা নহয়। সেই কাৰণেই ভাৰত চৰকাৰৰ নিয়ম মতেই এই টকা বিলাক দিয়া হয়। ময়ো ভাবোঁ যে, সেইভাৱে টকা দিয়াৰ ফলত হয়তো এনে কিছুমান শিক্ষা অনুষ্ঠানেও টকা পাব পাৰে যি বিলাকত এই ধৰণৰ ল'ৰা-ছোৱালী নাই।

শ্ৰীপিটসিং কোঁৱৰ—এনে কিছুমান স্কুলেও এই সুবিধা বিলাক পাইছে য'ত হয়তো একেবাৰেই এনেকুৱা 'ট্ৰাইবেল' বা চিডিউল কাষ্ট আৰু চিডিউল

ট্ৰাইবৰ ল'ৰা-ছোৱালী নাই।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী)—তেনে ধৰণৰ কথা বিলাক আমাক জনালে তাৰ বিহীত ব্যৱস্থা লম আৰু ভৱিষ্যতে যাতে হব নোৱাৰে তাৰ কাৰণে চাম। কিন্তু এইটোও থিক যে, ট্ৰাইবেল এৰিয়া নোহোৱা স্বত্তেও যদি কোনো স্কুল বা কলেজত ২০ জন বা তাৰ ওপৰৰ এনেকুৱা ছাত্ৰ-ছাত্ৰী থাকে তাতো এই শিতানৰ পৰা গ্ৰাণ্ট আদি দিয়া হয়।

Shri Charan Narzary—We do not say that educational institutions located in non-tribal areas should not get tribal grants. Our point is that when any educational institution located in the non-tribal area receives tribal grant and makes some permanent structures like hostels and buildings, tribal students should be given full opportunity to prosecute their studies in such institution. But it has been observed in reality that there are certain institutions which have received large amount of tribal grants and after constructing permanent structures like hostels and buildings, but later on they do not agree to accommodate tribal students. This is our complaint.

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মন্ত্ৰী)—অধ্যক্ষ মহোদয়, তেনে ধৰণৰ আপত্তি থাকিলে আমি অনুসন্ধান কৰিম আৰু যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰিম। আনহাতেদি, বৃত্তি আৰু মাচুল মাফ দিয়াৰ ক্ষেত্ৰত কওঁ যে, যি সকল ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ বছেৰেকীয়া উপাৰ্জ্জন তিনিহেজাৰ, ছয় শতকৈ বেছি তেনেকুৱা বিলাক ছাত্ৰ-ছাত্ৰীক এই সুবিধা দিয়া নহয়। তাৰ তলৰ বিলাকক দিয়াৰ নিয়ম চৰকাৰৰ আছে। এইটোত চাৰিলাখ টকা আছে? তাৰে দুইলাখ 'চিডিউল্ড' আৰু বাকী দুইলাখ টকা 'চিডিউল-কাষ্ট'ৰ ল'ৰা-ছোৱালীৰ কাৰণে। মাননীয় সদস্য শ্ৰীনাৰ্জাৰী ডাঙৰীয়াই যিটো কৈছে, এইটো নেপায় কাৰণ নহলে শিক্ষকক দৰমহা দিব নোৱাৰি। এই টকাটো ১৯৭১-৭২ চনৰ আগেয়েই বিচৰা হৈছিল।

কিন্তু বাজেটত সেইটোৰ প্ৰভিজন নাছিল আৰু ইতিমধ্যেই চাপ্লিমেণ্টৰী ডিমাণ্ড দিও সেই টকাটো অনাব সময় পাৰ হৈ গ'ল। তেতিয়া প্লেনিং এণ্ড ডেভেলপমেণ্ট'ৰ তৰফৰ পৰা সেই টকাটো এলোকেশ্বন দিলে। সেই কাৰণেই সেই টকাটো 'ফ্রি এলোকেশ্বনতে' ভগাই দিয়া হয়। থিক সেই ধৰণেই হোষ্টেল, ঘৰ আদি সাজিবৰ কাৰণে তিনিলাখ টকাও তৎক্ষণাত ভগাই দিয়া হৈছে। অৱশ্যে কিছু টকা এতিয়াও বাকী আছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—ঠিক তেনে ধৰণে ৩ লাখ টকা ঘৰ সজাৰ কাৰণে দিয়া হৈছিল সেই টকা ইন্সপেক্টৰ অব স্কুললৈ বেংক ড্ৰাফট্ হিচাবে পঠোৱা হৈছিল।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী—কেতিয়া দিয়া হৈছিল ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—কেতিয়াবাই দিয়া হ'ল। সেই কাৰণে মই ভাবো এতিয়া এই যিটো টকা বিচাৰিছো এই টকাটো অত্যন্ত প্ৰয়োজনীয় টকা। আগতে এই বোৰ টকা সদনত আমাৰ বাজেট অধিবেশনত বিচাৰি নোপোৱাৰ কাৰণে পিচত দিয়া হৈছে আৰু সেই হিচাবে আমাৰ ল'ৰা ছোৱালীৰ অভাৱ অভিযোগবোৰ কমপেনচেট কৰা হৈছে। ইয়াৰ লগতে মাননীয় সদস্য কেবাজনেও কিছুমান অভিযোগ আনিছে যে বৃত্তি সমূহ সময় মতে নাপায়। অধ্যক্ষ মহোদয়, বাজেট অধিবেশনতে কৈছিলো যে প্ৰত্যেক মাহতে বৃত্তিসমূহ দিবলৈ চেষ্টা কৰিম। কেন্দ্ৰীয় চৰকাৰৰ লগত আমি যোগা-যোগ কৰিছো আৰু এইটো বদলি কৰি দিবৰ কাৰণে, যাতে আমি প্ৰতি মাহে মাহে পাও আৰু সেইবোৰ প্ৰকৃত কামত আহে, যাতে দেৰি নহয় সেই বিষয়ে বিবেচনা কৰি আছে। কেন্দ্ৰীয় চৰকাৰে এতিয়াও ৰুল সংশোধন কৰা নাই এনে ক্ষেত্ৰত আমি তেওঁলোকৰ ৰুল বদলাব নোৱাৰো। আমি খবৰ পোৱা মতে বিভিন্ন স্কুল সমূহত গ্ৰাণ্ট বিতৰণ হৈছে। কিন্তু ট্ৰাইবেল ছাত্ৰ নোহোৱাকৈ এই বৃত্তিৰ টকা কেতিয়াও কোনো স্কুললৈ যোৱা নাই যদিও বা কেনেবাকৈ দুৰ্ভাগ্যবশতঃ গৈছে সেইটোৰ বাবে যথাযথ ব্যৱস্থা লম। আৰু যদি কোনোবাই ভুল তথ্য পাতিৰে সেইটো দিছে আমি তাৰ শাস্তি মূলক ব্যৱস্থা লম।

মই ভাবো কোনো অনুষ্ঠানতে বিশেষকৈ স্কলাৰচিপ, স্কুল টিচাৰৰ

ক্ষেত্রত বোলৰ ব্যতিক্রম হোৱা নাই আৰু ইবেগোলাৰ বা অপচ়া হোৱা নাই। কাৰণ আমি জানো তেওঁলোকৰ বেছি ভাগেই দুখীয়া ল'ৰা-ছোৱালী। তেওঁলোকৰ কোনো ধৰণৰ অভিযোগ যেতিয়াই আমাৰ ওচৰলৈ আহিছে তৎক্ষণাত আমি তেওঁলোকক সহায় কৰিছো। অৱশ্যে কেতিয়াবা পলম হয়, এইকাৰণে হয়তো দৰ্খাস্ত দিওঁতেই ভুল হয় বা অনুষ্ঠান সমূহৰ পৰা প্ৰগ্ৰেম আদিৰ অজুহাত লৈ অফিচলৈ আহোঁতে পলম হয়। তাৰোপৰি এই বিষয়ে সময়ে সময়ে আৰু আগবঢ়াবলৈ এখন ট্ৰাইবেল এদভাইজৰী বোৰ্ড আছে। তেখেত সকলে কি কি কৰিব লাগে বৃত্তিৰ বিষয়ে এদভাইছ দিব। সেই পৰামৰ্শ সমূহ কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা-বিলোচনা কৰি আমি কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰিব লাগিব।

শ্ৰীসুৰেণ দাস—আমাৰ যি ট্ৰাইবেল বা চিডুল কাষ্ট বা চিডুল ট্ৰাইবচৰ ল'ৰা-ছোৱালীক বৃত্তি দিয়া হয় তেওঁলোকৰ কাৰণে ফৰম আছে। কিন্তু যদি তেওঁলোকৰ উপযুক্ত হয় অইন Merit বৃত্তিৰ কাৰণে দৰ্খাস্ত দিব পাৰে নে নোৱাৰে? কিন্তু আজিলৈকে পোৱা নাই।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—সেইটো আমি চাম।

শ্ৰীপিটচিং কোঁৱৰ—চেকেণ্ডাৰী ষ্টেজৰ বিষয়ে নকলে দেখোন?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ—কেন্দ্ৰীয় চৰকাৰৰ পৰা এই বিষয়ে সোনকালে পৰামৰ্শ লম।

শ্ৰীজানকী সন্দিকৈ—মই এটা কথাৰ প্ৰতি স্পষ্টিকৰণ বিচাৰিছো, সেইটো বেক্‌ৱাৰ্ড বা আন আন কমিউনিটিৰে হওক এই ল'ৰা-ছোৱালী বিলাকৰ গাৰজেন বিলাক নিৰক্ষৰ মানুহ। সেই ল'ৰা ছোৱালীবোৰে বৃত্তি বহুত সময়ত নাপায়। কিছুমানে যে একেবাৰেই পোৱা নাই। মই বহু স্কুলৰ অডিত ৰিপোৰ্টত দেখিছো যে বহুত স্কুলত বৃত্তি সমূহৰ প্ৰপাৱলি বিতৰণ হোৱা নাই। মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো এই যি সকল ল'ৰা-ছোৱালীয়ে বৃত্তি পোৱা নাই তাৰ কিবা ব্যৱস্থা লব নে?

শ্ৰীহৰেন্দ্ৰ তালুকদাৰ—মই আগতে ক'লো যে আমি প্ৰতি মাহেই বৃত্তি দিবলৈ চেষ্টা কৰিম। কেন্দ্ৰীয় চৰকাৰলৈ এই বিষয়ে লিখিছো সেইটো হ'লেই চাম।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী— মই সুধিব খুজিছো এই যে ২৭৫ ত যিটো টকা দিয়া হৈছিল আৰু জেনেৰেল ফাণ্ডত যি টকা দিয়া হৈছিল সেই টকাৰ কিমান পৰিমান বিতৰণ কৰা হ'ল। আৰু কিমান টকা বিতৰণ নকৰাকৈ বাকী আছে ?

শ্ৰীহৰেণ তালুকদাৰ— পূৰণ হৈ গৈছে।

শ্ৰীকবীৰ ৰায় প্ৰধানী—ইন্সপেক্টৰ লেভেলত যি টকা বিতৰণ কৰিবৰ কাৰণ এখন কমিটি পাতি দিয়া হৈছিল সেই খন কাৰ্য্যকৰী হ'ল নে ?

শ্ৰীহৰেণ তালুকদাৰ—এতিয়াও বহুত সময় আছে। সেইটো চাম। বেচি দিনটো হোৱা নাই।

Mr. Speaker—Are you withdrawing the Cut Motion.

Shri Charan Narzary—Mr. Speaker, Sir, in the hope that Government will till take effective steps to utilise the Grants under Art. 275 in constructive and proper manner from now onwards, I withdraw my Cut Motion.

Mr. Speaker—Has the Hon. Member leave of the House to withdraw the Cut Motion ?

(after a pause)

The Cut Motion is withdrawn.

Now I put the main Motion.

The Motion moved is that an additional amount of Rs. 7,00,000 be granted to the Minister-incharge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1973, for the administration of the head "28.-Education"

(after a pause)

The Motion is adopted. The Grant is passed.

Grant No. 7

Shri Hiteswar Saikia (Minister of State)—On the recommen-

dation of the Governor of Assam, I beg, Sir, to move that an additional amount of Rs. 23,000 be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending the 31st March, 1973 for the administration of the head "30.-Public Health—1—Public Health".

Shri Giasuddin Ahmed—Sir, I beg to move my Cut Motion. মই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিছো। অধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱটোৰ উত্থাপন কৰিবলৈ গৈ মই এইটো কব বিচাৰিছো যে প্ৰতিবাৰে বাজেট পাচ হোৱাৰ পাচত গোটেই বছৰ ধৰি অকল গড়কাপ্তানি বিভাগতেই নহয়, সকলো বিভাগতে টকা হৰি লোট হয় আৰু বছৰৰ মাজভাগত চাপ্লিমেণ্টৰী ডিমাণ্ড অহা আমি প্ৰতিবাৰেই সদনত দেখি আহিছো। নতুন চৰকাৰ হোৱাৰ পাচত আমি আশা কৰিছিলো এই যে এটা ট্ৰেদিচন আৰু ঐতিহ্য চলি আহিছে সেইটো অন্তত বন্ধ হব কিন্তু দুখৰ কথা সেইটো এতিয়াও সমানে চলি আছে। তাৰ অকণো পৰিবৰ্তন হোৱা আমি নেদেখিলো।

অধ্যক্ষ মহোদয়, আমি দেখিবলৈ পাইছো যে চাপলিমেণ্টৰি ডিমাণ্ডত ৬৩ লাখ টকা উত্থাপিত কৰা হৈছে। পাব্লিক হেলথ ডিপাৰ্টমেণ্টত যে কিমান ৰোমাঞ্চকৰ কাহিনী আছে সেইটো সদনত বৰ বেছি আলোচনা হোৱা নাই। আৰু বাহিৰতো বৰ বেচি আলোচনা হোৱা নাই। এইটো বৰ ইনটাৰেষ্টিং কথা হৈছে। এই সম্পৰ্কে মই দুই এটা কথা উত্থাপন কৰিবলৈ বিচাৰিছো।

মহাশয়, সোণাৰীত পাব্লিক হেলথে এখন ওৱাটাৰ চাপ্লাইৰ আঁচনি ল'লে কেইবছৰমানৰ আগতে। প্ৰায় ১০ বছৰৰ আগতে। এই আঁচনিত ধৰা হ'ল প্ৰায় ২॥ লাখ টকা। এই আঁচনি লোৱা ৫ বছৰ অতিবাহিত হৈ গ'ল আৰু এই টকাৰ অলপ অচৰপ খৰচ কৰি থৈ দিছে। প্ৰায় ১॥ লাখ টকাৰ খৰচ কৰি বাকী টকাৰ অপব্যয় কৰা হ'ল। ৫ বছৰৰ

পাছত সেই আঁচনিৰ পুনৰ বিভাইজ কৰা হ'ল আৰু সংশোধন কৰি সেই আঁচনিত মুঠ ৭ লাখ টকা ধৰা হ'ল। নিৰ্দিষ্ট সময়ৰ ভিতৰত সেই কাম সম্পূৰ্ণ নকৰাৰ ফলত পলম হৈ গ'ল। তেওঁলোকে অজুহাত দেখুৱাইছে যে মেটেৰিয়েলৰ দাম বাঢ়িছে। পুনৰ সেই আঁচনি বিভাইছ কৰি ১১ লাখ কৰা হ'ল। একে আঁচনি একে কামতে ২। লাখ টকাৰ পৰা ১১ লাখ টকা হ'লগৈ। কিন্তু এতিয়াও একো কাম হোৱা নাই। আৰু ৫ বছৰৰ পাছত পুনৰ এই আঁচনিৰ টকা বাঢ়ি গৈ ১৫ লাখ টকা হবগৈ। এইবিলাকেই পাব্লিক হেলঠ্ বিভাগৰ নিদৰ্শন। ইয়াৰ বাহিৰেও গুৱাহাটীৰ কাষ্ট আইৰন পাইপৰ আমদানী ক'ৰিবৰ কাৰণে আঁচনি কৰিছে। ইয়াৰ ৰেট আছিল ৪.৬২ পইচা কিন্তু সেই ডিপাৰ্টমেণ্টৰ হাতত পৰি ফাৰ্মৰ লগত চুক্তি কৰি ষড়যন্ত্ৰ কৰি ৬.১৬ পইচা হিচাবে বস্তু আনিলে ১২ হাজাৰ ৭ শ ৯৩ টকাৰ। ফলত তেওঁলোকে অতিৰিক্ত টকা দিবলগা হ'ল। এই টকাৰ পৰিমাণ ২০ হাজাৰ টকা। সেই টকা ভাগ কৰি লোৱা হৈছে বুলি ক'লে যুক্তিহীন নহব। ইয়াৰ বাহিৰে সেই সময়ত গেলভেনাইজ আইৰণ পাইপৰ দাম সেই সময়ত আছিল ৭২০ টকাৰ পৰা আৰম্ভ কৰি ১ হাজাৰ ৬২১ টকালৈ। কিন্তু তেওঁলোকে ব্যৱসায়ী সকলৰ লগত ষড়যন্ত্ৰ কৰি ৯১০ টকাৰ পৰা ২৪৩৪ টকা দিলে। ইয়াৰ ফলত ৫১ হাজাৰ টকা অতিৰিক্ত দিবলগা হ'ল। গতিকে আজি দেখা গৈছে। যে, টকা আত্মসাৎ কৰা বিভাগ বিলাকৰ ভিতৰত পাব্লিক হেল্ঠ প্ৰথম নহলেও দ্বিতীয় হব। গতিকে চাপলিমেণ্টৰি ডিমাণ্ড অহাৰ আগতে চৰকাৰে যাতে ব্যয় বন্ধ কৰিব পাৰে তাৰ কাৰণে এটা কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। চৰকাৰে এই ব্যৱস্থা গ্ৰহণ কৰিলে চাপলিমেণ্টৰি ডিমাণ্ড নাহিব। গতিকে মই এই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্য সামৰিলো।

শ্ৰীতুলাল চন্দ্ৰ খাউন্দ—মাননীয় অধ্যক্ষ মহোদয়, মই এই কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি তুআষাৰ মান কথা কবলৈ বিচাৰিছো। জনস্বাস্থ্য বিভাগে যিটো গাওঁ অঞ্চলৰ পানী যোগানৰ ব্যৱস্থা কৰিছে সেইটোৰ কথা নকলেও হব। মই এটা কাহিনী কব খুজিছো আৰু যোৱা ৩০ আগষ্ট তাৰিখে নীলাচল কাগজত সেই কাহিনী ওলাইছে। আমাৰ চৰকাৰে বৰহাট আৰু শিমলুগুৰি তুয়ো ঠাইতে পানী যোগানৰ ব্যৱস্থা

কৰিছে। আৰু যোৰহাটৰ যি জন একজিকিউটিভ ইঞ্জিনীয়াৰে যদিও শিৱসাগৰত এচ, দি, অ আছে তথাপি সেই কামৰ দায়িত্ব যোৰহাটৰ এচ, দি, অক দিছে। ইতিমধ্যে দেখা গ'ল বৰহাটৰ পানী যোগানৰ আঁচনিত তাত ষ্টাফটয়ৰ বনোৱাৰ কথা আছিল। সেইটো নহল। তাত বহুতো পাইপ পৰি আছে। পানী যোগান ব্যৱস্থাৰ কাৰণে যি ২০ লাখ টকা ধৰা হৈছিল সেই টকা পানী যোগানৰ ক্ষেত্ৰত ব্যৱহাৰ নকৰি যোৰহাটত এটা ঘৰ বনোৱাৰ কামত ব্যৱহাৰ কৰা হৈছে। শিমলুগুৰিৰ পানী যোগানৰ বাবে যি লোহা আদি কিনা হৈছে সেই লোহা আনি যোৰহাটৰ ঘৰত ব্যৱহাৰ কৰা হৈছে। যি দুজন ঠিকাদাৰক এই কামৰ ভাৰ দিয়া হৈছে—এজন অশোক ইঞ্জিনিয়াৰিং আৰু এজন ষ্টিল হাউচক। এতিয়া যোৰহাটৰ একজিকিউটিভ ইঞ্জিনিয়াৰে এজন চকিদাৰ লগোৱাই ঘৰটো দখল কৰিছে। এই কথা বোধকৰো স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰীয়েও জানে। কাৰণ তেখেতে নিশ্চয় জানে শিমলুগুৰিত কিমান পানী যোগোৱা হৈছে।

প্ৰকৃততে কিন্তু পানী যোগান ধৰা হোৱা নাই। বৰহাটৰ পানী যোগান আঁচনিৰ টকা আনি যোৰহাটৰ একজিকিউটিভ ইঞ্জিনিয়াৰৰ ঘৰ সজা হৈছে। সেই টকাৰে সজা ঘৰত প্ৰায় ৬০-৭০ হাজাৰ টকা খৰচ কৰা হৈছে। কিন্তু কাৰ দূৰ্ভাগ্যৰ কথা নাজানো সেই ঘৰৰ চাঁদতো ফাট মেলিছে, ফলত একজিকিউটিভ ইঞ্জিনিয়াৰ জনেও ঘৰ লব নোৱাৰিলে। শিমলুগুৰিৰ পানী যোগানৰ আঁচনিৰ টকা আহি যদি যোৰহাটত একজিকিউটিভ ইঞ্জিনিয়াৰৰ ঘৰ সজা কামত লাগে আৰু তেতিয়া হলে চৰকাৰী আঁচনিৰ দ্বাৰা কি কাম আৰু কৰিব পাৰি? ফলত এতিয়া শিমলুগুৰি অঞ্চলৰ ৰাইজে খোৱা পানী পোৱা নাই।

সাপেখাটি অঞ্চলতো ডিপ টিউবওৱেল এটা চাৰিশ ফুট বহোৱা হৈছিল তাৰ পিচত কি হ'ল ৰাইজে নাজানে? আৰু বছৰাব নে সেই চাৰিশ ফুট উঠাই নিয়া হব, নে সেইখিনি মাটিৰ তলতে পৰি থাকিব ৰাইজে তাৰো কোনো ভু নাপায়। আনহাতে তেওঁলোকে খোৱা পানীও পোৱা নাই। কিন্তু আমি আচৰিত হৈছো যে বৰহাট বা শিমলুগুৰিৰ যি পানী

যোগানৰ আঁচনি গ্ৰহণ কৰা হ'ল সেই আঁচনি কিয় শিৱসাগৰৰ এচ-ডি-অ'ৰ হাতত দিয়া নহ'ল ? এইটো কাম দিব লাগিছিল আচলতে শিৱসাগৰৰ এচ-ডি-অ'ক হে। তাৰ সলনি যোৰহাটৰ এচ-ডি-অ'ক কিয় কি কাৰণত দিয়া হ'ল তাৰ কোনো উত্তৰদিহ আমি নাপাও।

এই বিষয়ত কিবা অনুসন্ধান কৰিব নে নাই মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, কিয়নো ইয়াৰ আগতে কাগজে পত্ৰে ওলোৱাত মই স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ক লগ ধৰিছিলো, এই বিষয়ক সকলো কাগজ পত্ৰ লৈ কিন্তু এতিয়া আজিলৈ তাৰ কোনো খা-খবৰ নাপালো। বোধকৰো মন্ত্ৰী ডাঙৰীয়াই সেই কাগজ পত্ৰ সোপাৰ ওপৰত শুই আছে নে তাৰ কিবা অনুসন্ধান কৰিছেই তাৰো একো গম নাপাও। এতিয়া সেই বিষয়ৰ কাগজ পত্ৰও মোৰ হাতত নাই। এনে ধৰণেৰে বহুত জন-সাধাৰণৰ আঁচনিৰ টকা আত্মসাৎ হৈ আছে অথচ তাৰ কোনো খবৰ চৰকাৰে ৰখা নাই। কাগজ পত্ৰ আদি চমজাই দিয়া স্বত্বেও কোনো অনুসন্ধান কৰা নাই।

অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰে বাৰ খন মিচিং গাওঁ আছে কিন্তু সেই গাওঁ কেইখনত খোৱা পানীৰ কোনো ব্যৱস্থা আজিলৈকে কৰা হোৱা নাই। ডিপ টিউবওৱেলটো নায়েই আনকি চাৰফেচ টিউবওৱেল বা আন কোনো পানী যোগানৰ ব্যৱস্থা নাই। মই মন্ত্ৰী মহোদয়ক উক্ত বিষয় সমূহলৈ চোকা দৃষ্টি দিবলৈ দাবী জনাই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ—মাননীয় অধ্যক্ষ মহোদয়, এই শিতানত মঞ্জুৰিৰ ওপৰত যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছো সেই সংক্ৰান্তত কওঁ যে আজি জনজাতীয় এলেকা বিলাকত খোৱা পানীৰ যথেষ্ট অভাৱ। এই কথা আমি সকলোৱে জানো আৰু চৰকাৰেও জানে।

অধ্যক্ষ মহোদয়, জনজাতীয় এলেকা বিলাকত খোৱা পানীৰ আঁচনি লোৱা নাই কাৰণেই সেই এলেকা বিলাকত খোৱা পানীৰ অভাৱ হৈছে। যোৱা বাজেট অধিবেশনত স্বাস্থ্য মন্ত্ৰীয়ে এটা কথা জনজাতীয় সদস্য শ্ৰীসুৰেণ দাস ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত কৈছিল যে ভূটান পাহাৰৰ পৰা

নামনিলৈ খোৱা পানী উপযুক্ত নহয় কিয়নো তাত লোহ পদাৰ্থ বেছি পৰিমাণে পোৱা যায়। কিন্তু সেই অঞ্চলৰ কাৰণে চৰকাৰৰ হাতত খোৱা পানী যোগান ব্যৱস্থাৰ বাবে কোনো আঁচনি নাই। অথচ উপযুক্ত খোৱা পানীৰ অভাৱত বেয়া পানী খাই জনজাতীয় লোক বহুত বেমাৰ-আজাৰত পৰে সেই বাবেই এইবছৰ এই কৰ্তন প্ৰস্তাৱ উত্থাপন কৰিছোঁ আৰু এই মঞ্জুৰিৰ বিৰোধিতা কৰিছো।

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী)—মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদ আৰু শ্ৰীদুলাল খাউণ্ড ডাঙৰীয়াই আমাৰ জনস্বাস্থ্য বিভাগৰ কিছুমান ৰহস্য উদ্‌ঘাটন কৰিছে। আজি সদনত যিটো মঞ্জুৰি বিচৰা হৈছে এইটো খাউণ্ডৰ কথা। মাননীয় সদস্য সকলে যি কেইটা বিষয়ে কৈছে সেই কেইটা আমাৰ দৃষ্টিগোচৰ হৈছে। অৱশ্যে মাননীয় সদস্য খাউণ্ড ডাঙৰীয়াই কাগজ-পত্ৰ দিয়াৰ কথা কৈছে কিন্তু তেনে কাগজ-পত্ৰ মোক দিয়াহেতেন তিনি দিনৰ ভিতৰতে ব্যৱস্থা ললোহেতেন।

এতিয়া মাননীয় সদস্য তালুকদাৰ ডাঙৰীয়াই কেইটামান প্ৰকৃত বিষয়ৰ ওপৰত কৈছে। সেই সংক্ৰান্তত কব খুজিছো যে আজি যি ছেইশ হাজাৰ টকাৰ অনুদান বিচৰা হৈছে সেইটো অত্যাৱশ্যকীয় অৱস্থাৰ পৰিপ্ৰেক্ষিতহে। মই জনামতে জনজাতীয় এলেকাৰ পাচ লাখ টকাৰ এখন আঁচনি জনজাতীয় এলেকাৰ কাৰণে লোৱা হৈছে। Ring Well আদিৰ কাৰণে। সেই কাৰণে এই পৰিপূৰক মঞ্জুৰি বিচৰা হৈছে। এই কথাটো বিবেচনা কৰি মাননীয় সদস্যই Cut Motion টো উঠাই লব বুলি আশা কৰিলোঁ।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড—মই উল্লেখ কৰা কথাটো অনুসন্ধান কৰিব নে?

শ্ৰীহিতেশ্বৰ শইকীয়া—অনুসন্ধান কৰি চাম।

Shri Giasuddin Ahmed—Sir, I dot not press for the Cut Motion.

Mr. Speaker—Order, order it is now 4-30 p. m. I therefore guillotine all the Cut Motions and put the Supplementary Demands to vote. Demand Nos. 7,8,9,10,11,

12,13,14,15,16,17,18,19,20 and 21 be passed.

( The Grants are passed ).

The Assam Appropriation ( No. IV ) Bill, 1972.

Mr. Speaker—Now, the Appropriation Bill will be circulated.

(Appropriation Bill was then circulated to the hon'ble members).

Shri Sarat Chandra Sinha (Chief Ministher)—Sir, I beg leave of the House to introduce the Assam Appropriation (No. IV) Bill, 1972.

Mr. Speaker—There is a message from the Governor.

Message :—"Under the provision of Arcticle 207 (1) of Constitution of India, I, Braj Kumar Nehru, Governor of Assam, recommend the introduction of the Assam Appropriation (No. IV) Bill, 1972 in the Assam Legislative Assembly"

( Leave granted )

Shri Sarat Chandra Sinha—Sir, I beg to move that the Assam Appropriation (No. IV) Bill, 1972 be taken into consideration.

Mr. Speaker—There is a message from the Governor.

Message :—"Under the provision of Article 207 (3) of the Constitution of India, I, Braj Kumar Nehru, Governor of Assam, recommend that the Assam Appropriation (No, IV) Bill/1972 be taken into consideration by the Assam Legislative Assembly"

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ—অধ্যক্ষ ডাঙৰীয়া, এপ্ৰপ্ৰিয়েচন বিলৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে মই মাত্ৰ দুই-এটা কথা উল্লেখ কৰিব বিচাৰিছো। সেইটো হ'ল গ্ৰাণ্ট নং ১৬। য'ত মিউনিচিপেল্টী হৰিজন সকলৰ ঘৰ নিৰ্মাণৰ কাৰণে ৫ লাখ টকা বিচাৰিছে। এতিয়ালৈকে বিভিন্ন মিউনি-

চিপাল্টীৰ হৰিজন সকলৰ ঘৰ নিৰ্মাণৰ কাৰণে যি টকা দিয়া হৈছিল সেই টকা বিলাক সদ ব্যৱহাৰ হৈছে বুলি মই কব নোৱাৰো। এতিয়াও এই টকা বিলাকৰ ক্ষেত্ৰত যি বিলাক বিভিন্ন অঞ্চলত খৰছ কৰিছে সেই বিলাকৰ অপচয় চৰকাৰে লক্ষ্য কৰা প্ৰয়োজন। সমাজৰ ভিতৰত যি সকল অতি দুখীয়া নিষ্পেষিত লোক হৰিজন সকল তেওঁলোকৰ সামাজিক উন্নতিৰ কাৰণে তেওঁলোকৰ সাংস্কৃতিক উন্নতিৰ কাৰণে যি টকা মঞ্জুৰি কৰা হয় সেই বিলাকৰ উপযুক্ত খৰছ কৰাৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা বিশেষ মনোযোগ ৰখা দৰ্কাৰ। তাৰ পাছত আৰু এটা কথা মই কব বিচাৰিছো—সেইটো হ'ল গড়কাপ্তানি বিভাগৰ গ্ৰাণ্ট নং ১৮। গড়কাপ্তানি বিভাগৰ বিভিন্ন শিতানত যি টকা বিচৰা হৈছে সেই টকা বিলাকৰ ক্ষেত্ৰত এইটো কথা উল্লেখ কৰিব বিচাৰিছো যে যিখিনি আগতে গড়কাপ্তানি বিভাগৰ শিতানত বিভিন্ন সময়ত আলোচনা কৰিছিলো আৰু এইটো আমি আশা কৰিছিলো যে এই নতুন মন্ত্ৰীসভাৰ দিনত গড়কাপ্তানি বিভাগৰ আগতে যি দুৰ্নীতি হৈছিল সেইটো দূৰ কৰিব পাৰিব। কিন্তু বৰ দুখৰ কথা নতুন মন্ত্ৰীসভা হোৱাৰ পাছতো আগৰ যি দুৰ্নীতি আছিল সেইটো এতিয়াও এই বিভাগত বিৰাজ কৰি আছে—সেই কথা আমি লক্ষ্য কৰিব লাগিব আৰু চৰকাৰৰ তৰফৰ পৰা এই দুৰ্নীতি দূৰ কৰিব লাগিব। বৰ্ত্তমান বিশেষকৈ গড়কাপ্তানি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যি তৎপৰ ব্যৱস্থা লব লাগিছলি সেই তৎপৰ ব্যৱস্থা তেখেতে অবলম্বন কৰিব পৰা নাই। এইটো কিমানদূৰ সত্য ক'ব নোৱাৰো—কিন্তু গড়কাপ্তানি বিভাগৰ কৰ্মচাৰী আৰু বিষয়া বিলাকক বদলি কৰোতে বহু কেইজন লোকে দুৰ্নীতিৰ আশ্ৰয় লৈছে আৰু দুৰ্নীতি পৰায়ণে এই বিভাগত ঠাই লৈছে বুলি আমাৰ কাণত পৰিছে। আমি আশা ৰাখিছো নতুন চৰকাৰে এই বিভাগত পূৰ্বৰ যি দুৰ্নীতি আছিল সেই দুৰ্নীতিয়ে যাতে পুনৰ শিপাব নোৱাৰে তাৰ কাৰণে কঠোৰ ব্যৱস্থা লব লাগিব। এতিয়ালৈকে যি বিলাক অভিযোগ পাই আছো সেই বিলাক দূৰীকৰণ কৰাৰ কাৰণে চৰকাৰে বিশেষ ব্যৱস্থা লওক। আৰু এটা কথা আমাৰ ইয়াত বিশেষকৈ নিবনুৱা যুবক সকলৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে যি টকা দিছিল—সেই টকা কি ভাবে ব্যৱহাৰ হৈছে চৰকাৰৰ

তৰফৰ পৰা তাক জনোৱা উচিত। আমি জানো যে যি বিলাক আমাৰ প্ৰদেশত নিবনুৱা যুবক আছে তেওঁলোকৰ সংস্থাপনৰ কাৰণে আঁচনি লোৱাৰ কথা বিভিন্ন সময়ত শুনা যায় আৰু সেই আঁচনি বিলাক কিমান দূৰ কাৰ্য্যকৰী হৈছে সেই বিষয়ে চৰকাৰৰ তৰফৰ পৰা জনোৱাৰ প্ৰয়োজন। কাৰণ আমাৰ প্ৰদেশত নিবনুৱা সংস্থাপন কৰাৰ কাৰণে বিশেষকৈ শিক্ষিত নিবনুৱাৰ নিয়োগৰ কাৰণে এটা কাৰ্য্যকৰী ব্যৱস্থা লোৱাটো আমি বিচাৰো। কিন্তু এই ক্ষেত্ৰত এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰৰ পৰা যিখিনি টকা পোৱা হৈছে আৰু ৰাজ্য চৰকাৰক কি উদ্দেশ্যে সেই টকা খিনি দিছিল আৰু সেইটো চৰকাৰে কি বাবে ব্যৱহাৰ কৰিছে সেই কথা আমি চৰকাৰৰ পৰা জানিব বিচাৰোঁ। আশাকৰো এই এপ্ৰপ্ৰিয়েচন বিলৰ সম্পৰ্কত যিখিনি কথা আলোচনা কৰা হ'ল সেই খিনিৰ এটা সু-ব্যৱস্থা নিশ্চয় কৰিব।

শ্ৰীতুলাল খাউণ্ড— অধ্যক্ষ মহোদয়, মঞ্জুৰি নং ৯ আৰু ১২ এই দুটা সম্পৰ্কে অলপ কব বিচাৰো। এনিমেল হাচবেণ্ডৰী আৰু ডায়েৰী দেভেলপমেণ্ট সম্পৰ্কে এই মঞ্জুৰি অনা হৈছে। ৯ নম্বৰত অফিচাৰ সকলৰ এলাৱেঞ্চ আৰু পে'ৰ কাৰণে ১ লাখ টকা বিচৰা হৈছে। যি সকল অফিচাৰৰ কাৰণে এই পৰিপূৰক মঞ্জুৰি পে আৰু এলাৱেঞ্চৰ বাবে বিচৰা হৈছে তেওঁলোকে ৰাজহুৱা ধন কি ধৰণে খৰচ কৰিছে সেই টকা-পইচাৰ অপচয় কৰিছে নে নাই সেই কথা চৰকাৰে বিচাৰ কৰি চাইছে নে নাই? যি সকল অফিচাৰৰ কাৰণে পৰিপূৰক মঞ্জুৰি বিচৰা হৈছে তেওঁলোকৰ বিভিন্ন বিভাগৰ দুই-চাৰিটা কাহিনী তুলি ধৰিব খুজিছো। ডিব্ৰুগড়ত ইনটেনচিভ এগচ্ এণ্ড পলট্ৰি দেভেলপমেণ্ট আঁচনি লোৱা হৈছিল। তাৰ পিচত ভাইদ লেটাৰ নং ভি. এফ, ভি- ৬৮।৬৯।১৭ দেটেড ৭-১-৭০ মতে এক লাখ ১০ হেজাৰ টকা মঞ্জুৰি দিছে। তাৰ পিচত ভাইদ লেটাৰ নং ভি, এফ, ভি ৬৮।৬৯।৩৬ দেটেড ৩০-৩-৭১ মতে ৫১,৪০৮ টকা মঞ্জুৰি দিছে। তালৈ প্ৰজেক্ট অফিচাৰ এজন বদলি হোৱাৰ কথা আছিল। তেওঁক তাত জইন কৰিবলৈ দিয়া হলে ড্ৰয়িং এণ্ড দিচবাৰ্চিং অফিচাৰ হ'লহেতেন। তেখেতে যোগ দিয়াত পলম হোৱাত DVAH অফিচাৰৰ হাতত দিয়া হ'ল। তাৰ পিচত তাৰ ঠিকাৰ কাম বিলাকৰ ৭ টা ভাগ কৰি বাতৰি

কাকতত টেণ্ডাৰ কল নকৰাকৈ শ্ৰীওমপ্ৰকাশ কাব্ৰাক দিবলৈ বুদ্ধি কৰিলে। তাৰ পিচত তেওঁৰ তাত কাম কৰা দুজন মানুহ শ্ৰীইয়াকুব আনচাৰী আৰু শ্ৰীৰাম অৱতাৰ মহেশীক ঠিকাৰ টেণ্ডাৰ দিবৰ কাৰণে চহী কৰায়।

তাৰ পিচত চি, আই, চিটৰ কথা কব খুজিছো।

সেই সময়ত বজাৰ দৰ বেছিকৈ দিয়া হৈছিল। সেই সময়ত বজাৰ দৰ আছিল ৩০০ টকা আৰু দিয়া হৈছিল ৩৪৭ টকা। এইখিনিতে অডিতত এই কথা কব লগা হৈছে।

"Details of these expenditure could not be checked as the following records were not available to audit.

1. Bills of contrators, both running and final.
2. Cash memo for purchased materials.
3. Measurement Book.
4. Detailed plan and estimate.
5. Comparative statement."

গতিকে এই উৎপাদনখিনি এই ধৰণে খৰচ কৰা হৈছে। যি দাম বজাৰত চলি আছে তাতকৈ ৪৭ টকা কিয় বেছি দিব লগা হ'ল? কোনোবা এজন বিষয়াই ২৪।১।৭১ তাৰিখ আৰু ৩০।১।৭১ তাৰিখে মাটিৰ কাম কৰিবৰ কাৰণে আৰু ফেন্সিং দিবৰ কাৰণে Tender Call নকৰাকৈয়ে ৯৬৯৩ টকা মাটিৰ কামৰ কাৰণে আৰু ৭০৯৩ টকা ফেন্সিঙৰ কামৰ কাৰণে দিয়া হৈছে। ইয়াতে কওঁ—

"It is not understood how these basic records have not been available in the office when the payment has been made on 10/70 and 4/71" .... .... "It is not possible for audit to check the actual quantity purchased and whether these were Government recognised and genuine firms and duly certified by the P. W. D. and

Supply Deptt. Further no record have been available to audit to see that the P. W. D. and Supply Deptt. were unable to supply the materials"

গতিকে ডাঙৰ কথা হৈছে এইখিনি কৰাৰ পাছতো যি কেইটা Measurement Book অডিতত দিয়া নহ'ল কিন্তু পাছত গুৱাহাটীৰ পৰা পঠোৱা হৈছে। মই এইটো কথা কব খুজিছো যে Measurement book complete হোৱাৰ পাছত গুৱাহাটীত আকৌ নতুনকৈ নিবলগা কিয় হ'ল ? সেই ব্যক্তিজনৰ বিৰুদ্ধে কিবা Punishment দিছিলনেকি মই জানিব বিচাৰিছো আৰু এইখিনিতে কওঁ—

"In this connection the following observations were made.

(1) Original tender notice and tenders and conditions etc. have not been available to audit.

(2) No measurement Books were produced to audit.

(3) The detailed plans and estimate were not approved by the Director of Animal Husbandry and Vety. Gauhati.

In this connection it is not understood how the works were extended and bills were paid without recording any details of works / measurement in the Measurement books. Further it is not clear how the work orders were given by D. V. O. without getting the plan and estimate approved by the Director of A. H. & Vety. and also when the amount was drawn by Project officer (Crash), Dibrugarh".

যিজন অফিচাৰ এই কামটোৰ লগত জড়িত আছিল তেওঁ নিজে Department অৰ পৰা কিবা জানিব বিচাৰিছিলনে, বা Supply মন্ত্ৰীৰ লগত আলোচনা কৰিছিলনে ? তাৰোপৰি ভেটেনাৰী অফিচাৰৰ

বিৰুদ্ধে বিভিন্ন কথা শুনা যায়। মন্ত্ৰী মহোদয়ে জানেনে নাজানে মই জানিব বিচাৰিছো। ইয়াৰ বাহিৰেও ডিব্ৰুগড়ত এখন Loan-bond Scheme আৰম্ভ কৰা হৈছিল। মানে যি সকলৰ উপাৰ্জ্জনৰ অন্য পথ নাই সেইসকলক Loan bond system অৰ দ্বাৰা অৰ্থাৎ ভৱিষ্যতে পোৱালী জগিলে তাৰ পৰা ঘুৰাই দিয়া চৰ্ত্তত এই Scheme খোলা হৈছিল। এই Scheme অত ৬ জনী Jersey heifer আনিছিল। তাৰে ৫ জনী গৈ ডিব্ৰুগড় পালেগৈ কিন্তু এজনী বাটতে হেৰাল। অৱশ্যে ক'ত কোনখিনিত হেৰাল মই নাজানো। বাকী ৫ জনীক ভগাই দিয়া হ'ল। তাৰ ভিতৰত এজন হ'ল বেৰিয়া মিলৰ মালিক আৰু বিখ্যাত চাহ খেতিয়ক হেমেন বৰুৱা, আৰু ললিত হাজৰিকা এডভোকেটক দিয়া হ'ল। ধুবুৰীৰ Match Factory ৰ General Manager অক দিয়া হৈছিল।

( Voice—নামকেইটা কব লাগে।)

নাম কেইটা পোৱা নাই কাৰণে কোৱা নাই। এজন মানুহক, যোৰহাটৰ ২২০০ টকা দৰমহা পোৱা চাকৰিয়ালক দিয়া হৈছে; বাকী দুজন মৌজাদাৰক দিয়া হৈছে। এইয়েই হৈছে আমাৰ চৰকাৰ আৰু এজন অফিচাৰৰ দ্বাৰা পৰিচালিত এইটোৱেই হৈছে Loan bond Scheme অৰ Jersey heifer বিতৰণৰ কাহিনী। আমাৰ চৰকাৰ দুৰ্নীতিৰ প্ৰতি অন্ধ হৈ সোমাই পৰিছে। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এইটো আশা কৰিব পাৰোনে যে আমাৰ যিবিলাক ধৰক x, y, z আদিকে কৰি নানান দুৰ্নীতিত লিপ্ত হৈ আছে, সেইবিলাকক চৰকাৰে চকু দিব ? এইখিনিতে আৰু এটা কথা কওঁ গুৱাহাটীৰ এজন বিশেষ নেতাই এজনী গাই ৰাখে আৰু যিজনী গাইয়ে সকলোৰে ভিতৰত বেছি গাখীৰ দিয়ে সেইজনীয়ে তেওঁৰ হয়। এনেবোৰ দুৰ্নীতিও আছে। এতিয়া মই আচল কথালৈ আহো, এনে ধৰণে দুখীয়া মানুহক উৎপীড়ন নকৰি ভাল কামত যাতে টকা খৰচ কৰে তাৰ কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ৰ ওপৰত আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীপ্ৰেম বৰা—মাননীয় অধ্যক্ষ মহোদয়, এই বিলখন আন কোনোবা বিত্ত মন্ত্ৰীয়ে অনা হ'লে আমাৰ কব লগীয়া একো নাথাকিলহেতেন। কিন্তু

মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই বিত্তমন্ত্ৰীৰ দায়িত্ব লৈ এনেকুৱা এখন বিল অনাতহে আচৰিত হৈছো। ৬৫ লাখ টকাৰ এপ্ৰপিয়েচন বিলত ১৫ লাখ টকাই এডভান্সটু দি গৰ্ভমেণ্ট চাৰভেণ্ট বুলি কোৱা হৈছে। আজি মই বিত্ত মন্ত্ৰীক সুধিব খুজিছো যে চৰকাৰৰ এই বিষয়ত ফাইনান্সিয়েল কনট্ৰল আছেনে নাই? আজি ৰাজ্যখনৰ সমস্যা বহুল পৰিস্থিতি যেনে নিবনুৱা সমস্যাৰ সমাধান ৰাজ্যখনৰ আৰ্থিক উন্নয়ন এই সকলো বিলাক কথা ৰাখিও যি সকল দুখীয়া তেওঁলোকক কামৰ পৰা অব্যাহতি দিব-লগীয়া হৈছে আৰু আচৰিত কথা যে ৬৫ লাখ টকাৰ ভিতৰত ১৫ লাখ টকা এডভান্স বুলি গভমেণ্ট চাৰভেণ্টক দিছে। অথচ তেওঁলোকেই সদায় সমাজ বাদৰ কথা কৈ আহিছে। আজি শিক্ষা বিভাগত ৫ লাখ টকা বঢ়াটো আমি বেয়া নাপাও, পি ডাবলিও ডিৰ ১৪ কোটিৰ ঠাইত এতিয়া ৪ কোটি টকা ধৰিছে। কিন্তু এডভান্স টু দি গভমেণ্ট চাৰভেণ্ট ধৰিছে এইটো প্ৰপাৰ এপ্ৰপ্ৰিয়েচন হোৱা নাই। I term that it is not proper appropriation Bill.

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী—মাননীয় অধ্যক্ষ মহোদয়, মই এই এপ্ৰপ্ৰিয়েচন বিলৰ ওপৰত কেইটামান কথা কব খুজিছো।

প্ৰথমতে গাওঁ উন্নয়নৰ সম্পৰ্কত কওঁ। এই সম্পৰ্কত গাওঁ উন্নয়ন আদি কাম কৰিবৰ কাৰণে চৰকাৰে ইচ্ছা প্ৰকাশ কৰিছে। কিন্তু কি কি বিষয়ত কেনেকৈ কৰিব লাগে সেই ফালে দৃষ্টিপাত কৰা নাই। গাওঁ অঞ্চলৰ কাৰণে ৰাষ্টা ঘাট, হাট বজাৰ, খেতিৰ উন্নয়ন, কুটিৰ শিল্পৰ উন্নয়ন এই বিলাকৰ প্ৰতি বিশেষ দৃষ্টি দিব লাগে। গাওঁত যি বিলাক আৰ্থিক উন্নতিৰ কেন্দ্ৰস্থল যেনে হাট বজাৰ আদি তাত আমি দেখিছো।

শ্ৰীচৈয়দ আহমেদ আলি—এইটো আৰটিকুল ২৭৫ ৰ কথা। ইয়াত বজাৰৰ কথা নাই।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী—ইয়াত বিভিন্ন উন্নয়নৰ কথা আছে। গতিকে অনুসূচিত জনজাতি আৰু অনুসূচিত জাতিৰ লোক সকলৰ বেহাৰেপাৰৰ কেন্দ্ৰ এই বজাৰৰ কথাটো নিশ্চয় আছে। এই বজাৰ খনৰ অৱস্থা যদি বেয়া হয় আৰু বজাৰৰ ঠাইত যদি এক আঠু বোকা হয় তেতিয়া

হলে সেই ঠাইৰ উন্নয়নৰ কথাতো কেনেকৈ হব পাৰে। তাৰ পিচত ৰাস্তা যি বিলাক আছে সেই বিলাকৰ অৱস্থাও শোকলগা। কাৰণ এই আৰটিকুল ২৭৫ ৰ টকা আধা খিনিও কামত লগা নাই। ঠিকাদাৰ, ইঞ্জিনীয়াৰ সকলে কাম নকৰাকৈয়ে টকা বিল পাচ কৰাই লৈ গৈছে। তাৰ পাচত শিল্পৰ ক্ষেত্ৰত কুটিৰ শিল্প, পাট মুগাৰ উন্নয়ন আদিৰ আঁচনিত যি ঘটিব লাগিছে এইটো বৰ দুখৰ কথা। এই টকা বিলাক কলৈ গৈছে। আৰু যি বিলাকে কুটিৰ শিল্প কৰিবলৈ বিচাৰে তেওঁ- লোকক দুই-চাৰি শ টকা দিয়া হৈছে আৰু যি বিলাকে উদ্যোগ আদি কৰিব নাজানে তেওঁলোকক লাখ লাখ টকা দিয়া হৈছে। বাকীজাই নামৰ বহুতো টকা দেখুৱা হৈছে আৰু যি বাকীজাই টকা উঠাবলৈ যায় তেওঁলোকে সেই টকা খাই আদায় নকৰে। বয়নৰ নামত চৰকাৰে ভঙা তাতশাল পঠায়।

( ভইচ—এইবিলাক কথা ইয়াত নাহে। )

নিশ্চয় আহে। গতিকে এই এপ্ৰপ্ৰিয়েচনৰ নামত যি টকা লৈছে সেই সম্পৰ্কত মই এই কথাই কব খুজিছো যে সেই টকা যাতে যথাযথ ভাবে খৰচ হয় আৰু সেই টকা খৰচ নকৰাকৈয়ে খৰচ হৈছে বুলি ৰাইজক যাতে চকুত ধুলি নিদিয়ে। শিক্ষিত যুৱক বিলাকক উন্নত ধৰণৰ গাই পালন কৰিবলৈ দিয়াৰ কথা উঠিছে। কিন্তু দেখা যায় যে এই ক্ষেত্ৰত বহুতো ধনী লোকক আনকি মেচ ফেক্টৰিৰ মেনেজাৰ যি ৪।৫ হাজাৰ টকা দৰ্মহা পায় তেনে মানুহকো গাই দিয়া হৈছে। এইদৰেই সকলো ফালেই নানা ৰকমৰ বিপৰ্য্যয় হৈছে। কৃষিৰ উন্নয়নৰ কাৰণে যি ব্যৱস্থা কেন্দ্ৰীয় বেংকৰ জৰিয়তে কৰা হৈছে সেই ব্যৱস্থা অৰ্থাৎ কেন্দ্ৰীয় বেংকৰ ব্যৱস্থাটো কাবুলি ব্যৱস্থাৰ দৰে হৈছে। এই বেংকৰ পৰা কৃষকৰ উপকাৰ হোৱা নাই। এই কাৰ্য্যকলাপ বিলাক কংগ্ৰেছ চৰকাৰৰ কলংক স্বৰূপ। গতিকে মই এইটোকে বিচাৰো যেন এই মঞ্জুৰিৰ টকা যাতে যথাযথ ভাবে ব্যৱহৃত হয়।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী)—অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ,

শ্ৰীদুলাল খাউণ্ড আৰু শ্ৰীকবীৰ ৰায়প্ৰধানী আৰু শ্ৰীপ্ৰেম ববাই বিভিন্ন বিভাগৰ অপচয় আৰু দুৰ্নীতি সম্পৰ্কে যি বিলাক কথা উত্থাপন কৰিলে তাৰ বাবে মই ধন্যবাদ জনাইছো। আমাৰ অপচয় আৰু দুৰ্নীতি হোৱা নাই বুলি নকওঁ আৰু এই বিলাক বন্ধ কৰিবৰ কাৰণে আমি যথেষ্ট যত্ন লৈছো। ইয়াত যিকেইটা কথা উল্লেখ কৰিছে সেই কথা বিলাকৰ সূত্ৰ লৈ এটা যথাবিহীত ব্যৱস্থা লবৰ কাৰণে যত্ন কৰিম। ববা ডাঙৰীয়াই চৰকাৰী চাকৰিয়াল সকলক লন দিয়াৰ সম্পৰ্কে উল্লেখ কৰিছে। অধ্যক্ষ মহোদয়, এইবাৰৰ বানপানীত বহুতো দুখীয়া চাকৰীয়ালৰ ঘৰ উটুৱাই লৈ গৈছে। সেই লোক সকলক সংস্থাপনৰ বাবে ১০ লাখ লন তেনেকুৱা শিতানত দিব লগা হৈছে। বিভিন্ন বিভাগ সম্পৰ্কে যি বিলাক কথা উত্থাপন কৰিছে সেই বিলাকৰ উত্তৰ দিয়াতো সম্ভৱপৰ নহব। মই এইটোকে নিবেদন কৰিছো যে উল্লেখ কৰা অপচয় আৰু দুৰ্নীতি সম্পৰ্কে বিহীত ব্যৱস্থা গ্ৰহণ কৰিম।

Now, Sir, I beg to move that Assam Appropriation (No. IV) Bill, 1972 be taken into consideration.

**Mr. Speaker**—The Motion moved is that Assam Appropriation (No. IV) Bill, be taken into consideration.

( The Motion was adopted).

**Shri Sarat Chandra Sinha**—Mr. Speaker Sir, I beg to move that the Assam Appropriation (No. IV) Bill, 1972 be passed.

**Mr. Speaker**—The Motion moved is that Assam Appropriation (No. IV) Bill, 1972 be passed.

( The Motion was adopted ).

The Assam Appropriation (No. IV) Bill, 1972 is passed.

Re : Remaining item in the order paper

Shrimati Renuka Devi Barkataki—৫ নং আইটেমটো আৰম্ভ হোৱাৰ আগতে মই নিবেদন কৰোঁ যে আমাৰ আনএম্প্লইমেণ্ট ৰিভিউ কমিচনক ৫ বজাত লগ কৰাৰ কথা আছিল। গতিকে আজি যি খিনি এজেণ্ডা বাকী আছে, সেই খিনি সোমবাৰলৈ নিবলৈ অনুৰোধ জনাইছোঁ।

Calling Attention to A Matter of Urgent Public Importance—One day token strike by the Aided High School Teachers' Association.

Shri Promode Chandra Gogoi—Mr. Speaker Sir, I beg to call the attention of the Minister. Education under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the following matter of urgent public importance and of recent occurrence :—

"One day token strike on the 4th September, 1972 by the Assam Aided, High School Teachers' Association."

Shri Harendranath Talukdar ( Minister, Education )—Mr. Speaker Sir, the Assam Aided High School Teachers' association resorted to one-day token strike on 4th September, 1972 to press the fulfilment of their demands. The demands of the Association had been discussed on 16th May, 1972 by them with the representatives of the Association. Government informed the Association by a letter dated 21.8.72 and a D. O. letter dated 28.8 72 that necessary action was being taken for implementation of the decisions taken during the dis-

cussion held on 16th May, 1972, but as most of the matters discussed had financial implication it was not yet possible to issue formal orders or sanctions. However, the Association did not accede to the Government's request and observed the strikes. Government are sympathetically considering the demands of the Association.

Notice under Rule 301—Assam Arunachal Border dispute at North Lakhimpur.

Shri Premadhar Bora—Mr. Speaker, Sir, under Rule 301 I call attention of the Chief Minister. The subject on which I am calling his attention was also raised during the last Budget Session of the Assam Legislative Assembly and the Chief Minister assured to maintain the status quo on the boundary dispute between Assam and Arunachal. Subsequently the Chief Secretary of Arunachal and Revenue Secretary of Assam met together and decided to maintain the status quo. But now unfortunately it seems that the Arunachal administration is violating the agreement and constructings pucca building in the territory which is clearly within the State of Assam falling within the district of Lakhimpur. The pointed attention of the Chief Minister was also drawn to it during his visit to North Lakhimpur. I want an assurance what steps would be taken against the encroachers so that status quo may be maintained and the territorial intergrity of our motherland is not violated.

Shri Sarat Chandra Sinha—Mr. Speaker, Sir, in reply to

a Call Attention Notice on this subject I made a statement in the Assembly on 17.7.72. I had mentioned in that statement that the Revenue Secretary, Assam, and the then Chief Secretary, Arunachal Pradesh, along with the officers of the Survey of India jointly visited on 30.5 72 the border areas where differences had arisen due to the interpretation of the term 'Foot-hills". I had also mentioned in that statement the names of villages which lie along the boundary.

It was agreed during that joint visit that the two officers would submit independent reports to their respective Governments and that the Chief Secretary, Assam, and Chief Commissioner, Arunachal, would have a subsequent meeting in which final decision on the matter could be taken. The report of the Revenue Secretary, Assam, has since been received by the Government and is under examination.

In the meanwhile reports have been received by the Government to the effect that Arunachal authorities have started construction of two barracks in Bandardewa area. It is further learnt that the Arunachal authorities have also invited tenders for construction of more official buildings in that area.

We have taken up the matter with the Arunachal Administration pointing out that since the Chief Secretary, Assam, and the Chief Commissioner, Arunachal, are scheduled to discuss and finalise the matter in a meeting, no construction should take place in that

area until that time. We have requested them to maintain the status quo in the area until the matter is finalised.

The meeting between the Chief Secretary, Assam, and the Chief Commissioner, Arunachal, is expected to take place shortly.

Shri Premadhar Bora—In the meantime will the construction be stayed ?

Shri Sarat Chandra Sinha—We have requested to stop construction.

## Resolution—Medium of Instruction at the Gauhati and Dibrugarh Universities

Mr. Speaker—Item No.—7

Shri Indreswar Khound—Mr. Speaker, Sir, I beg to move that this Assembly do now resolve that the medium of instruction at the University stage for the Gauhati Dibrugarh Universities should be Assamese. English should however be continued.

In the spirit of the Official Language Act, this Assembly further resolve that a separate University be set up with territorial jurisdiction over the district of Cachar and that the Government of India be moved in the matter.

শিক্ষাৰ মাধ্যম লৈ আমাৰ দেশত এটা উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছে। গতিকে আমি ইয়াৰ এটা আশু সমাধান বিচাৰিছোঁ। ৰাইজৰ প্ৰতিনিধি হিচাপে ৰাইজে আমাৰ পৰা এটা সুসিদ্ধান্ত পাব বুলি বাট চাই আছে। গতিকে ইয়াৰ এটা সু-সমাধান কৰিব লাগে।

শ্ৰীআবুল হুছেইন মিৰ—মাননীয় অধ্যক্ষ মহোদয়, উক্ত প্ৰস্তাবৰ সমৰ্থনত মই

কওঁ দেশৰ গুৰুত্বৰ পৰিস্থিতি আৰু অৱস্থালৈ চাই এই প্ৰস্তাৱটোকে গ্ৰহণ কৰাটো মই যুক্তিসঙ্গত বুলি বিবেচনা কৰিছোঁ । ইয়াকে কৈ মই এই প্ৰস্তাৱটো সমৰ্থন কৰিছোঁ ।

Mr. Speaker—There is almost a similar motion. That should also be moved.

Shri Promode Chandra Gogoi—Mr. Speaker, Sir, on behalf of the Opposition, I beg to move the following resolution :

This Assembly do now resolve that the medium of instruction at the University stage for the Gauhati and Dibrugarh Universities should be Assamese. English also however be continued as the medium of instruction.

In the spirit of the Official Language Act, this Assembly do further resolve that a separate University be set up with territorial jurisdiction over the district of Cachar and that the Government of India be moved in the matter.

শ্ৰীনগেন বৰুৱা—মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শ্ৰীগগৈদেৱে উত্থাপন কৰা প্ৰস্তাৱটো মই সমৰ্থন কৰিছো ।

Shri Charan Narzary—Mr. Speaker, Sir, in support of the resolution moved by the hon. member Mr. Gogoi, I want to make a few observations. We all know that Assam is a multi-lingual State. So, the issue of medium of instruction at the University level is a serious one. It is a vital issue, which vitally involves the sentiments, aspiration and interests of all sections of the people, particularly, the linguistic minority groups.

Multi-linguilism does not prevail in any other state to the extent it prevails here.

Mr. Speaker, Sir, centering round the issue of medium of instruction at the University level, following the resolution adopted by the Academic Councils of the two Universities in the plains of Assam, viz. the Gauhati University and the Dibrugarh University, a critical situation has already arisen. Mr. Speaker, Sir, the law and order situation in the whole State is almost explosive. That is why I feel that the Government has a great responsibility to evolve such a solution whereby we can ensure a satisfactory and permanent solution of the problem of the medium of instruction. To-day, Mr. Speaker Sir, I want to suggest that the only means of satisfactory and permanent solution of this issue is the maintenance of status quo ante, and it is my firm conviction that this will convince all sections of people and this will satisfy all sections of people. Sir, it is not the question of lowering the status of any particular language; it is not the question of imposing any particular policy or decision but it is the question of maintaining the integrity of the State. Without any prejudice or bias or hatred towards any particular section of people or any particular language I want to submit that we must be able to evolve a very broad based policy whereby we can maintain the integrity of the state, whereby we can live in perfect peace and happiness, and whereby we can

convince and satisfy all sections of people, irrespective of languages and religious faith. Sir, I do not say that Assamese should not be the medium of instruction at the University level. But by doing that we must not totally disregard the genuine sentiments and feelings of other linguistic groups. To-day we can implement a particular policy by legislation or with the help of some administrative machinery but thereby we may not be able to solve the problem permanently to the satisfaction of all. To-day we may take a decision by legislation or with the help of some administrative machinery or executive machinery but the fact remains that there will different linguistic minority groups who want to flourish according to their own aspirations, and in arriving at a particular decision on this issue we must not ignore this aspect of the problem. If we ignore this aspect of the problem then what I am afraid of is that it will be a mere ointment pluster upon the crata of a volcano which may explode at any moment to the detriment of the whole State. That is why I feel that we are to evolve such a formula whereby can bring all the different linguistic groups together so that we can maintain the integrity of the State. Sir, I feel that the same issue is responsible for the continuing process of disintegration of the State and I would like to warn the Government that they should not commit the same blunder to satisfy only a particular section of

people. Government or the House can take a particular decision but that will not solve the problem permanently. We must try to find out ways and means for a permanent solution of the problem. Sir, I am of firm opinion that that it is not the question of lowering the status of Assamese language, nor is it a question of lowering the status of Bengali language. It is a question of maintaining harmony, it is a question of respecting the genuine sentiments and aspirations of the different sections of people. I feel that continuance of English as a medium of instruction at the University level will solve the problem and that is the only satisfactory solution. Until and unless English is replaced by an Indian language which can be accepted by all, as the medium of instruction in all India level the question of abolishing English does not and cannot arise. We must not close the road of our younger generation to future because till to-day no language has been able to replace English. That is why, Mr. Speaker Sir, let Assamese be the medium of instruction, we have no objection, and I have already said so. I have no grudge or prejudice against it but the question is that English must be retained.

We cannot mortgage the future of our younger generation. If we retain English as the medium of instruction I do not think that it will lower the status of Assamese language as language and literature will continue to grow and develop. Similarly we must respect the

sentiment of other linguistic groups and we must give full opportunity and scope to other linguistic groups so that their language, their culture, their literatures can also grow and flourish ; because Assam is a multilingual State, because in India we are to live together under the same democratic set up. We cannot extinguish any particular section of people ; we cannot drive out any particular section of people ; we are to live here together in the spirit of mutual tolerance. Mutual tolerance must be cherished by us and if our leaders, if this Govt. fails to see the broad reality I can very well tell this House that there will never be permanent and satisfactory solution to the satisfaction of all sections of the people in the State. This is not my personal opinion. We must not be swept away by our emotions, by our impatience, by our sentiment. We must not be under any duress, under any threat. Under threat, under duress if the Govt. or the leaders of the State Govt. commit the same blunder I warn this Govt., this House that we will not be able to maintain the integrity of the State of which our leaders have been speaking every day and every night. My humble submission is that maintenance and retention of English as the medium of instruction at the highest level, that is the University level is the only permanent solution of this critical problem.

Mr. Speaker—Before I put the resolution I find that the resolutions are identical except one word. So do I

put both the resolutions or one resolution ?

Shri Giasuddin Ahmed—Both the resolutions are same except some words.

Shri Indreswar Khound—Wording খিনি অলপ Change কৰি একেটা Resolution কৰিলেই হব ।

Shri Sarat Chandra Sinha—After Shri Khound has accepted the Change of wording it becomes identical resolution. So we pass it as one resolution and not two resolutions.

Mr. Speaker—I put the resolution.

"This Assembly do now resolve that the medium of instruction at the University stage for the Gauhati and Dibrugarh Universities should be Assamese. English also however be continued as the medium of instruction.

In the spirit of the Official Language Act, this Assembly do further resolve that a separate University be set up with territorial jurisdicton over the district of Cachar and that the Government of India be moved in the matter."

(After a pause)

The resolution is passed.

Adjournment

The Assembly then Adjourned till 10 A.M. on Monday, the 25th September, 1972.

U. Tahbildar,
Secretary
Legislative Assembly, Assam.

Shillong,
The 23rd Sep., 1972